


গুৱাহাটী আৰু ডিব্রুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

একাদশ বছৰ ■ সংখ্যা ১২৩ ■ গুৱাহাটী ■ বুধবাৰ, ৯ ডিচেম্বৰ, ২০২০, ২৩ আঘোণ, ১৯৪২ শক ■ RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মুঠ পৃষ্ঠা =১২ ■ মূল্য ঃ ৭.০০ টকা

VOL. 11 ISSUE NO. 123 Dainandin Barta ■ Guwahati, Wednesday ■ 9 December 2020 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 7.00 Only






## পলাশবাৰীৰ পাৰ্লীত কমলা কলিতাৰ সভা চলি থকা অৱস্থাত ৰাইজৰ তীব্ৰ প্ৰতিবাদ

# প্ৰতিবাদী লোকক কুকুৰ-মেকুৰীৰ লগত তুলনা কমলা কলিতাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ৮ ডিচেম্বৰ ঃ** আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যৰ বিভিন্ন ঠাইত প্ৰাৰ্থিত্বপ্ৰত্যাশী নেতাসকলে সভা-সমিতি অনুষ্ঠিত কৰি ৰাইজৰ মাজত সোমাবলৈ চেষ্টা অব্যাহত ৰাখিছে। এইক্ষেত্ৰত পলাশবাৰী সমষ্টিও পিছপৰি থকা নাই। পলাশবাৰী বিধানসভা সমষ্টিত আজি আবেলি অগপৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক তথা অসম খাদী উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষ ডাঃ কমলা কলিতাই এখন দলীয় সভা অনুষ্ঠিত কৰিবলৈ আহি শতাধিক পুৰুষ-মহিলাৰ তীব্ৰ প্ৰতিবাদৰ সন্মুখীন হ'বলগীয়া হয়। ছয়গাঁও সমষ্টিৰ প্ৰাক্তন বিধায়ক ডাঃ কমলা কলিতাই যোৱা কেইবা মাহৰ পৰা পলাশবাৰী সমষ্টিত অগপ-বিজেপি মিত্ৰজোঁটৰ ■ ৮ পৃষ্ঠাত



## ৰাজ্যজুৰি চিকিৎসকৰ প্ৰতিবাদ

# খিচিৰি পাঠ্যক্ৰমৰ বিৰুদ্ধে ১১ ডিচেম্বৰত পুনৰ বিক্ষোভ

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ৮ ডিচেম্বৰ ঃ** ইণ্ডিয়ান মেডিকেল এছ'চিয়েচন নামৰ সৰ্বভাৰতীয় চিকিৎসক সংগঠনৰ অসম শাখাই আজি ৰাজ্যখনৰ সকলো জিলা, মহকুমা তথা স্থানীয় পৰ্যায়ত প্ৰতিবাদী ■ ৮ পৃষ্ঠাত





## ঘনিষ্ঠতা বৃদ্ধি চীন-নেপালৰ

## যুটীয়াভাৱে এভাৰেষ্ট শৃংগৰ উচ্চতা ঘোষণা

# এভাৰেষ্টৰ উচ্চতা ৮৮৪৮.৮৬ মিটাৰ

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ৮ ডিচেম্বৰ ঃ** ভাৰতৰ বিৰুদ্ধে চীনৰ অবিৰত ষড়যন্ত্ৰৰ অংশ হিচাপে চুবুৰীয়া হিন্দু ৰাষ্ট্ৰ নেপালত একেবাৰে নিজৰ সমৰ্থক হিচাপে প্ৰতিপন্ন কৰিবলৈ সক্ষম হৈছে। তাৰ অংশ হিচাপেই নেপাল আৰু চীনে যুটীয়াভাৱে ■ ৮ পৃষ্ঠাত

## আইআইটি গুৱাহাটীৰ উদ্ভাৱন

# বতাহৰ পৰা খোৱাপানী প্ৰস্তুতৰ কৌশল

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ৮ ডিচেম্বৰ ঃ** আই আই টি গুৱাহাটীয়ে পানী প্ৰস্তুত কৰাৰ এটা নতুন আৰু অগতানুগতিক পদ্ধতি আৱিষ্কাৰ কৰিছে। সেই ■ ৮ পৃষ্ঠাত

## ■ সম্প্ৰীতি মঞ্চ, অসমৰ সংবাদ মেল ■

# আজমলৰ মুক্ত বিচৰণ দেশৰ প্ৰতি ভাবুকি

## বিদেশৰ পৰা অহা পুঁজিৰ উৎস আৰু দেশত কৰা ব্যৱহাৰৰ তদন্ত দাবী



**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ৮ ডিচেম্বৰ ঃ** সাংসদ বদৰউদ্দিন আজমলৰ মুক্ত বিচৰণ দেশৰ নিৰাপত্তা আৰু অখণ্ডতাৰ প্ৰতি ভাবুকি। এনে এজন ব্যক্তিক শীঘ্ৰে কৰায়ত্ত কৰি বিচাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব লাগে। কাৰণ বিদেশৰ পৰা পুঁজি সংগ্ৰহৰ জৰিয়তে অসম তথা ভাৰতত বিভিন্ন জেহাদি আৰু অসামাজিক কাম-কাজত এই পুঁজি ব্যৱহাৰ কৰাৰ সন্দেহ আছে। বিদেশৰ সন্ত্ৰাসবাদী সংগঠনৰ পৃষ্ঠপোষকৰ পৰা পুঁজি সংগ্ৰহ কৰি আজমলে কেতিয়াও সৎ কামত ব্যৱহাৰ কৰা নাই। আজি দিছপুৰ প্ৰেছ ক্লাবত আয়োজন কৰা এক সংবাদমেলত এনেদৰে প্ৰকাশ কৰিছে সম্প্ৰীতি মঞ্চ, অসম নামৰ বেচৰকাৰী সংস্থাটোৱে। সংবাদমেলত উপস্থিত থাকে ■ ৮ পৃষ্ঠাত

# মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ত শীঘ্ৰে পাঠদান

## অসমীয়া-বুৰঞ্জীমূলক ঐতিহ্য অধ্যয়ন বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে আবেদন আহ্বান ■ এবছৰীয়া পিজি ডিপ্ল'মা-ছমহীয়া চাৰ্টিফিকেট ক'ৰ্চৰ ৬ পাঠ্যক্ৰমতো হ'ব নামভৰ্তি ■ অনলাইন আবেদনৰ অন্তিম দিন ২৫ ডিচেম্বৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ৮ ডিচেম্বৰ ঃ** মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ত ২০২০-২১ শিক্ষাবৰ্ষৰ পৰা আনুষ্ঠানিক পাঠদান প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰিবলৈ যো-জা চলাইছে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই। প্ৰাৰম্ভিক পৰ্যায়ত বিশ্ববিদ্যালয়খনত দুটাকৈ বিষয়ত দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰমৰ লগতে চাৰিটা বিষয়ত এবছৰীয়া স্নাতকোত্তৰ ডিপ্ল'মা পাঠ্যক্ৰম আৰু এটা বিষয়ত ছমহীয়া চাৰ্টিফিকেট ক'ৰ্চৰ পাঠ্যক্ৰমত নামভৰ্তিৰ ■ ৮ পৃষ্ঠাত



*বিটিআৰত পৰিষদীয় নিৰ্বাচনৰ প্ৰচাৰৰ অন্তিম দিনা কোকৰাঝাৰত প্ৰদেশ বিজেপিৰ সভাপতি ৰঞ্জিত দাস, সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু মন্ত্ৰী বিমন্ত বিশ্ব শৰ্মা, মঙলবাৰৰ ছবি*

# ১২ ডিচেম্বৰৰ পৰা আছুৰ আন্দোলন

## 'কা' আন্দোলনৰ বৰ্ষপূৰ্তীৰ দিনাই প্ৰতিবাদী কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ৮ ডিচেম্বৰ ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ নতুন সমিতিয়ে প্ৰথমটো প্ৰতিবাদী কাৰ্যসূচী ঘোষণা কৰিছে। সভাপতি দীপাংক কুমাৰ নাথ আৰু সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই কয় যে আছুৱে 'কা' আইন বিৰোধিতা কৰি যাব আৰু এই আইন বাতিলৰ বাবে ১২ ডিচেম্বৰৰ পৰা প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিব। সন্থাই লগতে 'কা' বিৰোধী প্ৰতিবাদত অংশ লৈ শ্বহীদ হোৱা ছেম ষ্টেফৰ্ড, দীপাঞ্জল দাস, ঈশ্বৰ ■ ৮ পৃষ্ঠাত

## নগাঁৱত ক'ভিড-১৯ৰ চিকিৎসা, কাম-কাজ ৰূপায়ণৰ নামত দুৰ্নীতিৰ অভিযোগ

# আৰ টি আইৰ তথ্যত পোহৰলৈ আহিছে নিম্নমানৰ সামগ্ৰী যোগানৰ তথ্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৮ নৱেম্বৰ ঃ** নগাঁও জিলাত ক'ভিড-১৯ৰ বিভিন্ন কাম-কাজ ৰূপায়ণৰ নামত বিশেষকৈ সামগ্ৰী যোগানৰ ক্ষেত্ৰত ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। বিভাগীয় নিবিদাৰ জাননী বাতৰি কাকতত প্ৰকাশ নকৰাকৈয়ে একাংশ নিৰ্দিষ্ট ঠিকাদাৰক সামগ্ৰী যোগানৰ ঠিকা আবণ্টন দিয়া হৈছিল। জিলাখনত ক'ভিড-১৯ৰ কাম-কাজ সন্দৰ্ভত হোৱা অনিয়মৰ কেতবোৰ তথ্য আৰ টি আই তথ্যৰ জৰিয়তে পোহৰলৈ আনিছে আৰ টি আই কৰ্মী ৰাহিদুদ জামানে। আৰ টি আই কৰ্মী ওৱাহিদুদ ■ ৮ পৃষ্ঠাত

## ■ দেশজুৰি ভাৰত বন্ধ পালন, প্ৰভাৱ সৰ্বাত্মক ■

## প্ৰতিবাদী কৃষকৰ সমৰ্থনত দেশৰ ইমূৰৰ পৰা সিমূৰলৈ ৰাজপথলৈ ওলাই আহিল নেতা-ৰাইজ

# পথাৰে পথাৰে কৃষকবিৰোধী মোডীৰ প্ৰতিকৃতি দাহ



*মঙলবাৰে গুৱাহাটীৰ ছবি*



*মঙলবাৰে গুৱাহাটীৰ ছবি*



*মঙলবাৰে টিংখাঙৰ ছবি*

**দৈনন্দিন বাৰ্তাৰ সেৱা, টিংখাং, ৮ ডিচেম্বৰ ঃ** দিল্লীৰ কৃষক বিদ্ৰোহৰ সমৰ্থনত আজি ভাৰত বন্ধৰ প্ৰতি টিংখাঙৰ ৰাইজে ব্যাপক সঁহাৰি জনোৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছে কৃষক মহাসভা, অসমে। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এটা প্ৰেছ বিবৃতিত মহাসভাই কয় যে টিংখাং অঞ্চলৰ ৰাইজে আজি স্বতস্ফূৰ্তভাৱে বন্ধ পালন কৰাৰ মাজেৰে বিজেপি চৰকাৰৰ বিৰুদ্ধে থকা তেওঁলোকৰ ক্ষোভক প্ৰমাণ কৰিলে। আনহাতে, আজি মহাসভাই পূৰ্বঘোষিত কাৰ্যসূচী ধাননি পথাৰত কৃষকবিৰোধী মোডীৰ প্ৰতিকৃতি দাহ কাৰ্যসূচী টিংখাঙৰ বিভিন্ন পথাৰত ৰূপায়ণ কৰে। বিবৃতিটোত মহাসভাই কয় যে কেন্দ্ৰৰ বিজেপি চৰকাৰে কৃষকৰ দাবীৰ প্ৰতি গুৰুত্ব প্ৰদান কৰাতকৈ আন্দোলনত বিভাজন আনিবলৈ ষড়যন্ত্ৰ ৰচনা কৰিছে। প্ৰচণ্ড শীতক নেওচি বিদ্ৰোহী কৃষকক আলোচনাৰ বাবে নিমন্ত্ৰণ দি আলোচনাত কেৱল আইন বাতিল নহয় সংশোধন কৰাৰ কথা কোৱাৰ মাজেদি এইটো স্পষ্ট হৈ পৰিছে। বিজেপি চৰকাৰে এটা কথা শীঘ্ৰে বুজা উচিত যে এতিয়া এই আন্দোলন দিল্লীৰ পৰা সমগ্ৰ দেশতে বিয়পি পৰিছে। গতিকে সময় ■ ৮ পৃষ্ঠাত

## গৃহবন্দী অমিত শ্বাহৰ সৈতে বৈঠকৰ পূৰ্বে চৰ্ত আৰোপ বিদ্ৰোহী কৃষকৰ

# বাতিল হ'বনে নহয় কওক

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ৮ ডিচেম্বৰ ঃ** ওজন বৃদ্ধি হৈছে বিদ্ৰোহী কৃষকৰ। এতিয়া কৃষকৰ চৰ্তমতেহে কেন্দ্ৰীয় চৰকাৰে আলোচনাৰ মোখনি মাৰিব লগা পৰিস্থিতিৰ উদ্ভৱ হৈছে। যোৱা ১২ দিন ধৰি প্ৰচণ্ড শীত আৰু কুঁৱলী মূৰ পাতি লৈ ৰাজপথত অৱস্থান কৰি আছে লক্ষাধিক কৃষকে। ৰাজধানী দিল্লীৰ চৌদিশে ঘেৰি ৰাখিছে এইসকল বিক্ষুব্ধ কৃষকে। কেন্দ্ৰীয় চৰকাৰে পুঁজিপতিৰ স্বাৰ্থত কৃষি আইন বাতিল কৰি কৃষকৰ উৎপাদিত সামগ্ৰীৰ ওপৰত অধিকাৰ বিলুপ্ত কৰিব খোজা বুলি এইসকল কৃষকে গুৰুতৰ অভিযোগ আনিছে। যাৰ বাবে দেশজুৰি প্ৰতিবাদী কৃষকৰ কাষত থিয় দিছে বিৰোধী ৰাজনৈতিক দলৰ লগতে, সচেতন নাগৰিক, শিল্পী-লেখক, খেলুৱৈ আদিয়ে। আজি কৃষক বিদ্ৰোহৰ সমৰ্থনত দেশজুৰি হৰতাল ■ ৮ পৃষ্ঠাত





*ভাৰত বন্ধৰ প্ৰতি সমৰ্থন জনাই বিভিন্ন সংগঠনৰ মঙলবাৰে গুৱাহাটীত প্ৰতিবাদ কৰাৰ ছবি*

## আমবাৰীত অগপৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ঃ নিৰ্বাচনকেন্দ্ৰিক তৎপৰতাৰে ব্যাপক সাংগঠনিক কাৰ্যসূচী গ্ৰহণ

## ১৫ ডিচেম্বৰৰ পৰা অনলাইনযোগে সদস্যভৰ্তি অভিযান আৰম্ভ

# দলৰ মূল লক্ষ্য— প্ৰগতিশীল জাতীয়তাবাদ





১৮ ডিচেম্বৰত ৰাজ্যজুৰি প্ৰতি পঞ্চায়ত পৰিষদৰ কাৰ্যনিৰ্বাহক ■ ২১ ডিচেম্বৰত প্ৰতি প্ৰাণ পৰিষদ-২৩ ডিচেম্বৰত সকলো বিধান পৰিষদৰ কাৰ্যনিৰ্বাহক ■ ১-১৫ জানুৱাৰীলৈকে কমেও ৫০০ পৰিয়ালৰে সংযোগ স্থাপন কৰিব লাগিব প্ৰতি পঞ্চায়ত পৰিষদে ■ দলৰ স্বাভিমান-স্বকীয়তাক সন্মুখত লৈ জাতি-জনগোষ্ঠী-ধৰ্মাৱলম্বী লোকক একত্ৰিত কৰাৰ বাবে ল'ব লাগিব বিশেষ কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৮ ডিচেম্বৰ ঃ** অসম গণ পৰিষদ দলৰ আমবাৰীস্থ মুখ্য কাৰ্যালয়ত সভাপতি তথা মন্ত্ৰী অতুল বৰাৰ সভাপতিত্ব এখনি গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা আজি অনুষ্ঠিত হয়। সভাত বিশেষকৈ সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ব্যাপক সাংগঠনিক কাৰ্যসূচী গ্ৰহণ কৰা হয়। সভাত সমষ্টিভিত্তিত পৰ্যালোচনা ■ ৮ পৃষ্ঠাত

## প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ স্মৃতিত নগাঁৱত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

# তেওঁৰ হাঁহিটো চৌপাশে দেখা পাঁও ঃগৌৰৱ গগৈ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৮ ডিচেম্বৰ ঃ** জননেতা, প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ চিতাভস্ম লৈ এখন সুসজ্জিত বাহনেৰে আজি গুৱাহাটীৰ পৰা আৰম্ভ হৈছে শান্তি সদ্ভাৱনা যাত্ৰা। ১২ ডিচেম্বৰ পৰ্যন্ত সমগ্ৰ ৰাজ্যলৈকে যাব লগা এই যাত্ৰা পথত আজি বিয়লি প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ ■ ৮ পৃষ্ঠাত







## শিৱসাগৰৰ নৱ-নিযুক্ত উপাযুক্ত বিষ্ণু কমল বৰাই বে-দখলমুক্ত কৰিব পাৰিব নে ঐতিহাসিক মৰিবিল আৰু যমুনাক

## নিৰ্বিকাৰ হৈ আহিছে চৰকাৰ-প্ৰশাসন

# বছৰ বছৰ জুৰি বে-দখলী চক্ৰৰ আগ্ৰাসী মনোভাবৰ বাবেই যমুনা-মৰিবিললৈ নামি আহিছে মহা সংকট

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ৮ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ নৱনিযুক্ত উপাযুক্ত বিষ্ণু কমল বৰাই বে-দখলমুক্ত কৰিব পাৰিব নে শিৱসাগৰৰ ঐতিহাসিক মৰিবিল আৰু যমুনাক? এই প্ৰশ্ন এতিয়া শিৱসাগৰৰ প্ৰতিগৰাকী সমাজ সচেতন ব্যক্তিৰ। যিহেতু শিৱসাগৰ চহৰত বাৰিষাৰ সময়ত কৃত্ৰিম বান মুক্ত কৰি ৰখা ঐতিহাসিক মৰিবিল জলাশয়ক দখলদাৰী চক্ৰৰ কবলৰ পৰা বে-দখলমুক্ত কৰিবলৈ সক্ষম হোৱা নাই চৰকাৰ-প্ৰশাসন। প্ৰায় ৯৫গৰাকী ব্যক্তিয়ে অতি কৌশলেৰে মৰিবিলৰ বিভিন্ন স্থানৰ ভূমি বেদখল কৰি ঘৰ দুৱাৰ নিৰ্মাণ কৰাৰ পাচতো কিয় ■ ৮ পৃষ্ঠাত

# ৰাজ্যজুৰি ভাৰত বন্ধৰ প্ৰভাৱ সৰ্বাত্মক

**ভাৰত বন্ধ তেজপুৰতো সৰ্বাত্মক**

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ ঃ** আজি ভাৰত বন্ধ। ভাৰত বন্ধ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰৰ ৰাজ্য চৰকাৰলৈ নতুন নিৰ্দেশনা দিছিল যদিও তেজপুৰত সৰ্বাত্মক দেখা পোৱা গৈছে। দোকান পোহাৰ বজাৰ আৰু চৰকাৰী যানবাহন চলাচল বন্ধ থকা দেখা গ'ল। শোণিতপুৰ জিলা কিষান কংগ্ৰেছ কমিটিৰ উদ্যোগত তেজপুৰ বিধান সভাৰ অন্তৰ্গত ভোমোৰাগুৰি মণ্ডল কংগ্ৰেছত কেন্দ্ৰীয় চৰকাৰে অন্যায় ভাবে প্ৰৱৰ্তন কৰা কৃষি আইন বাতিলৰ দাবীত প্ৰতিবাদী কাৰ্য্যসূচী ৰূপায়ন কৰে।

**বজালীত বন্ধৰ প্ৰভাৱ সৰ্বাত্মক**

**ভৱানীপুৰ ব্লক কংগ্ৰেছৰ উদ্যোগত বিভিন্ন স্থানত নৰেন্দ্ৰ মোডীৰ প্ৰতিকৃতি দাহ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভৱানীপুৰ ঃ** আজি দেশজুৰি কৃষি আইন বাতিলৰ দাবীত দিয়া ভাৰত বন্ধৰ প্ৰভাৱ বজালী অঞ্চলতো দেখা গৈছে। বজালীবাসীয়ে আজি বন্ধক সমৰ্থন জনোৱা দেখা গৈছে। আজি পুৱাৰে বজালীৰ পাঠশালা ভৱানীপুৰ, সৰুপেটা অঞ্চলত দোকান-পোহাৰ, ব্যৱসায়ী প্ৰতিষ্ঠান, যাতায়ত চলাচল বন্ধ থকা পৰিলক্ষিত হৈছে। ইপিনে, ভৱানীপুৰ ব্লক কংগ্ৰেছ কমিটী সভাপতি ইছমাইল হোছেইনৰ উদ্যোগত আজি তেওঁলোকৰ অন্তৰ্গত মণ্ডলসমূহত কৃষি আইনৰ বিৰোধিতা কৰি চৰকাৰবিৰোধী নানান শ্ল'গানেৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ প্ৰতিকৃতি দাহ কাৰ্যসূচী ৰূপায়ণ কৰে।

**বৰুৱা ম'ল কংগ্ৰেছৰ উদ্যোগত বকোৰ বালিঝাৰৰ শিংৰাবড়ীত ভাৰত বন্ধৰ সমৰ্থন জনাই তীব্ৰ প্ৰতিবাদ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো ঃ** বিজেপি চৰকাৰে কৃষক বিৰোধী কৃষি আইন বাতিল দাবীত কৃষক সংগঠনে ভাৰত বন্ধ ঘোষণা কৰিছে তাক সমৰ্থন জনাই আজি বৰুৱা ম'ল কংগ্ৰেছ সমিতিয়ে বকোৰ বৰুৱা বালিঝাৰৰ শিংৰাবড়ীত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতিকৃতি দাস কৰি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদ কাৰী সকলে জণবিৰোধী কৃষক বিৰোধী কৃষি আইন বাতিল কৰক,কৃষি আইন নামানো, বিজেপি চৰকাৰ হায় হায়, বিজেপি চৰকাৰ গো



বেক, পুজিপতিৰ দালাল বিজিপি চৰকাৰ হুচিয়াৰ , বৰুৱা ম'ল কংগ্ৰেছ কমিটী জিন্দাবাদ,জয় আই অসম, আদি ধ্বনিৰে বকোৰ আকাশ বতাহ কপাই তোলে। প্ৰতিবাদ কাৰ্যসূচীত বৰুৱা ম'ল কংগ্ৰেছৰ সভাপতি ৰমজান আলী আহমেদে সমালোচনা কৰি কয় যে পূজিপতিৰ ওচৰত বিক্ৰী যোৱা বিজেপি চৰকাৰ কৃষক বিৰোধী কৃষি আইন বাতিল নকৰিলে কৃষক আন্দোলনৰ জুইত মোদী চৰকাৰ পুৰি ছাই হৈ ভাৰতভূমিৰ পৰা নাইকীয়া হৈ যাব। প্ৰতিবাদী কাৰ্যসূচীত বৰুৱা ম'ল কংগ্ৰেছৰ সম্পাদক ৰেজাজুল আহমেদে কৃষকৰ ওপৰত যোৰ জুলুমকৈ জাপি দিয়া কৃষক বিৰোধী কৃষি আইন বাতিল কৰিবলৈ দাবী জনায়। তেখেতে আৰু কয় যে যি সকল কৃষকৰ অশেষ কষ্টৰ বিনিময়ত উৎপাদন কৰা শস্য বা খাদ্য নাখালে আমি জীয়াই থাকিব নোৱাৰোঁ সেইসকল অন্নদাতা কৃষক সকলৰ বিৰুদ্ধে আইন বনাই পেটত গোৰমৰা কাৰ্যটো অতি নিন্দনীয় বুলি তিব্ৰ কটাক্ষ কৰে।

**ভাৰত বন্ধ সমৰ্থনত ডেকাচাঙত টায়াৰ জ্বলাই প্ৰতিবাদ কামৰূপ জিলা অসম-মিঞা পৰিষদৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা,নগৰবেৰা ঃ** পৰিৱৰ্তনকামী বিজেপি চৰকাৰে কৃষক বিৰোধী কৃষি আইন বাতিল দাবীত কৃষক সংগঠনে কৰা ভাৰত বন্ধ ঘোষণাক পূৰ্ণ সমৰ্থন জনাই আজি অসম-মিঞা (অসমীয়া) পৰিষদৰ কামৰূপ জিলা সমিতিয়ে ৪৮ নং বকো সমষ্টিৰ ডেকাচাঙত টায়াৰ জ্বলাই প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদ কাৰী সকলে জণবিৰোধী কৃষক বিৰোধী কৃষি আইন বাতিল কৰক, কৃষি আইন নামানো, বিজেপি চৰকাৰ হায় হায়, বিজেপি চৰকাৰ গো



বেক, পুঁজিপতিৰ দালাল বিজিপি চৰকাৰ হুচিয়াৰ, অসম মিঞা পৰিষদ জিন্দাবাদ, জয় আই অসম, আদি ধ্বনিৰে ডেকাচাঙৰ আকাশ-বতাহ কঁপাই তোলে। প্ৰতিবাদ কাৰ্যসূচীত অসম মিঞা পৰিষদ কামৰূপ জিলা সমিতিৰ মুখপাত্ৰ এম মুক্তাৰ মণ্ডলে সমালোচনা কৰি কয় যে পূজিপতিৰ ওচৰত বিক্ৰী যোৱা বিজেপি চৰকাৰ কৃষক বিৰোধী কৃষি আইন বাতিল নকৰিলে কৃষক আন্দোলনৰ জুইত মোদী চৰকাৰ পুৰি ছাই হৈ ভাৰতভূমিৰ পৰা নাইকীয়া হৈ যাব। অসম-মিঞা অসমীয়া পৰিষদৰ কামৰূপ জিলা সমিতিৰ সভাপতি এম বাহাৰুল ইছলামৰ লগতে বিষয়ববীয়া সকলে কৃষকৰ ওপৰত যোৰ জুলুমকৈ জাপি দিয়া কৃষক বিৰোধী কৃষি আইন বাতিল কৰিবলৈ দাবী জনায় আৰু কৃষক সকলৰ বিৰুদ্ধে আইন বনাই কৃষকৰ পেটত ঘোৰমৰা কাৰ্যটো অতি নিন্দনীয় বুলি তীব্ৰ কটাক্ষ কৰে।

**বোকাখাতত কৃষক আইন বিৰোধী বন্ধৰ প্ৰভাৱ প্ৰধানমন্ত্ৰীৰ পুত্তলিকা দাহ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত ঃ** সমগ্ৰ ৰাজ্যৰ লগতে বোকাখাততো কৃষক আইন বিৰোধী প্ৰতিবাদ আজি শান্তিপূৰ্ণভাৱে সাব্যস্ত কৰা হয়। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ আহ্বান মৰ্মে বোকাখাত মহকুমাত মণ্ডল কংগ্ৰেছৰ ২১খন সমিতিয়ে কৃষক আইনৰ বিৰোধিতা কৰি আজি ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ পুত্তলিকা পথাৰত দাহ কৰে। আজি বন্ধৰ সময়চোৱাত বোকাখাত চহৰৰ প্ৰায়বোৰ দোকান-পোহাৰ, অনুষ্ঠান-প্ৰতিষ্ঠান বন্ধ থাকে। আনহাতে আজি প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ চিতাভস্ম বোকাখাতলৈ অনা হয় আৰু বোকাখাত ব্লক কংগ্ৰেছৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত আয়োজিত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বোকাখাতৰ অৰ্দ্ধ শতাধিক অনুষ্ঠান প্ৰতিষ্ঠান, ব্যক্তি সংগঠনে ভাগ লয়।

**টিংখাঙত বন্ধৰ প্ৰভাৱ সৰ্বাত্মক স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত**

**দৈনন্দিন বাৰ্তাৰ সেৱা, টিংখাং ঃ** কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা কৃষক বিৰোধী আইন বাতিল, কৃষকক ন্যূনতম সমৰ্থন মূল্য প্ৰদান, কৰ্প'ৰেটৰাজ শেষ কৰাৰ দাবীত দেশৰ কৃষক সংগঠনসমূহে আহ্বান জনোৱা ভাৰত বন্ধৰ ফলত আজি দেশৰ আন প্ৰান্তৰ লগতে ডিব্ৰুগড় জিলাৰ টিংখাঙতো স্বাভাৱিক জীৱন যাত্ৰা স্তব্ধ হৈ পৰে। জিলাখনৰ বৃহত্তৰ টিংখাং অঞ্চলত আজি ভাৰত বন্ধৰ সৰ্বাত্মক প্ৰভাৱে স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত কৰি তোলা পৰিলক্ষিত

## ৰাশিফলত আজিৰ দিনটো

**২৩ আঘোণ, বুধবাৰ, ৯ ডিচেম্বৰ, ১৪২৭ ভাস্কৰাব্দ**

**তিথি ঃ চতুৰ্থী, নক্ষত্ৰ ঃ উত্তৰভাদ্ৰপদ, জন্মৰাশি ঃ বৃষ**

**সূৰ্যোদয়-০৪.৪০, সূৰ্যাস্ত-০৫.৩০**



■ **মেষ ঃ** ব্যয় বৃদ্ধি। ■ **বৃষ ঃ** স্বাস্থ্য ক্ষতি । ■ **মিথুন ঃ** আনৰ সহায়। **কৰ্কট ঃ** মাতৃৰ সহায়। ■ **সিংহ ঃ** আলহী আগমন। ■ **কন্যা ঃ** আনৰ সহায়। ■ **তুলা ঃ** প্ৰেমত শুভ। ■ **বৃশ্চিক ঃ** ব্যৱসায়ত লাভ। ■ **ধনু ঃ** মন পৰিৱৰ্তন। ■ **মকৰ ঃ** প্ৰেমত নিৰাশ। ■ **কুম্ভ ঃ** ব্যয়বহুলতা। ■ **মীন ঃ** অৰ্থ ব্যয়।




হয় ।অঞ্চলটোৰ প্ৰধান ব্যৱসায়িক স্থান ৰাজগড়ত আজি পুৱাৰে পৰা সকলোবোৰ দোকান বজাৰৰ লগতে যানবাহনৰ চলাচলৰ বন্ধ থাকে। অঞ্চলটোৰ একাংশ শিক্ষানুষ্ঠান বন্ধ থাকে। চৰকাৰী কাৰ্যালয় বিলাকতো বন্ধৰ পৰিপ্ৰেক্ষিতত বিষয়া কৰ্মচাৰীৰ উপস্থিতিৰ হাৰ সেৰেঙা আছিল। অঞ্চলটোত থকা ডাকঘৰ, বিত্তীয় প্ৰতিষ্ঠান আদিৰ সকলোবোৰ কাম কাজ বন্ধ থাকে। লক্ষ্যণীয় যে চাহ বাগিচা অধ্যুষিত অঞ্চলটোত বন্ধৰ প্ৰভাৱ পৰিলক্ষিত নহ'ল ।স্থানীয় অঞ্চলটোৰ সকলোবোৰ বৃহৎ কোম্পানী আৰু ক্ষুদ্ৰ চাহ বাগিচাত নিয়মীয়াভাৱে কাম-কাজ পৰিচালিত হয়। বন্ধৰ সময়ছোৱাত অঞ্চলটোত কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱাৰ বাতৰি পোৱা নাই ।অৱশ্যে অঞ্চলটোৰ প্ৰধান টিংখাং, ৰাজগড়ত স্থানীয় আৰক্ষী বাহিনীয়ে বন্ধৰ সময়ছোৱাত পহৰা দিয়ে। বন্ধৰ সময়ছোৱা শান্তিপূৰ্ণভাৱে অতিবাহিত হৈছে। ইপিনে ন ডিচেম্বৰত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ টিংখাং আগমণৰ পৰিপ্ৰেক্ষিতত স্থানীয় প্ৰশাসনৰ লগতে ভাৰতীয় জনতা পাৰ্টীৰ কৰ্মকৰ্তাৰ মাজত ব্যাপক তৎপৰতা অব্যাহত আছে। মুখ্যমন্ত্ৰী সোণোৱালে টিংখাঙত অসম চৰকাৰৰ মৈত্ৰী আঁচনিৰ অধীনত নিৰ্মাণ কৰা টিংখাং আৰক্ষী থানাৰ নৱ নিৰ্মিত ভৱন এটা মুকলি কৰিব ।তদুপৰি এখন বিশাল ৰাজহুৱা সভাত অংশ গ্ৰহণ কৰি ভাষণ প্ৰদান কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিত টিংখাঙত জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়া বৰ্গই বাহৰ পাতি তদাৰক কৰিছে।

**ছয়গাঁৱত ভাৰত বন্ধৰ প্ৰভাব সৰ্বাত্মক**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছয়গাঁও ঃ** কৃষক সংগঠনসমূহৰ আহ্বানত কৃষক বিৰোধী আইন বাতিলৰ দাবীত দেশৰ কৃষক সংগঠন সমূহৰ যৌথ মঞ্চই ঘোষণা কৰা ভাৰত বন্ধৰ প্ৰভাব ছয়গাঁৱত সৰ্বাত্মক ৰূপত দেখা যায় ।এই সময়ছোৱাত পুৱাৰে পৰা গাড়ী-মটৰৰ চলাচল, দোকান-পোহাৰ, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদি বন্ধ থাকে। ইয়াৰ বিপৰীতে চৰকাৰী কাৰ্যালয় দুই-এখন খোলা থাকে যদিও উপস্থিতিৰ সংখ্যা একেবাৰে তাকৰ। কেন্দ্ৰীয় চৰকাৰে অন্যায়ভাৱে গ্ৰহণ কৰা আইন তিনিখন ক্ৰমে অত্যাৱশ্যকীয় সামগ্ৰী আইন, কৃষিজাত পণ্য ব্যৱসায় বাণিজ্য উন্নয়ন আইন, কৃষকৰ কৃষি পৰিসেৱা আৰু মূল্য নিশ্চিতকৰণ চুক্তি আইন বাতিল কৰণৰ বাবে সমগ্ৰ দেশতে পোন্ধৰ লক্ষাধিক কৃষকে কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰাৰ ফলশ্ৰুতিত আজি ভাৰতবৰ্ষ স্তব্ধ হৈ পৰে। ছয়গাঁও অঞ্চলত এই সময়ছোৱাত কোনোধৰণৰ বিক্ষিপ্ত ঘটনা সংঘটিত হোৱা নাই যদিও ছয়গাঁও সমষ্টিৰ বনগাঁওত কৃষক সভাৰ লোকে ঘাইপথ অৱৰোধ কৰা দেখা যায়।

**ডিমৌত শান্তিপূৰ্ণ ভাৰত বন্ধ ঃ ছাত্ৰ মুক্তিৰ সভাপতি, সম্পাদকক আটক ঃ ঐতিহাসিক শিৱসাগৰৰ পৰাই কৃষি আইন আৰু 'কা' বিৰোধী আন্দোলন পুনৰ তীব্ৰতৰ হ'ব**

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা,ডিমৌ ঃ** কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ ভাৰতবৰ্ষতে প্ৰৱৰ্তন কৰা কৃষক বিৰোধী কৃষি আইন বাতিলৰ দাবীত আহ্বান জনোৱা ভাৰত বন্ধৰ প্ৰভাৱ শিৱসাগৰ জিলাৰ ডিমৌত শান্তিপূৰ্ণভাৱে পৰা পৰিলক্ষিত হয়। পুৱাৰ ভাগতে ভালেসংখ্যক বন্ধৰ সমৰ্থক ডিমৌ এলেকাৰ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথলৈ উলাই আহি টায়াৰ জ্বলাই ৰাষ্ট্ৰীয় পথসমূহ বন্ধ কৰাৰ প্ৰচেষ্টা চলায়। কিন্তু আৰক্ষীয়ে বাধা বাধা আৰোপ কৰে। ইয়াৰ মাজতে ভাৰত বন্ধলৈ সমৰ্থন দিয়া কৃষক মুক্তিৰ ভাতৃ সংগঠন ছাত্ৰ মুক্তিৰ ডিমৌ আঞ্চলিক সমিতিৰ সভাপতি কৃষ্ণ কমল কাকতি আৰু সাধাৰণ সম্পাদক কৰণ গগৈক দিচাং ৰজাবাৰীৰ পৰা ডিমৌ আৰক্ষীয়ে আটক কৰে। আটকাধীন দুই নেতাই নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে, চৰকাৰে তেওঁলোকক আক্ৰোশমুলকভাৱে আটক কৰি গণতান্ত্ৰিক অধিকাৰ তথা প্ৰতিবাদক চূড়ান্ত অৱমানা কৰিছে। ইয়াৰ পৰিনাম চৰকাৰখনে ভুগিব লাগিব আৰু ঐতিহাসিক শিৱসাগৰৰ পৰাই পুনৰ পূৰ্বতকৈ অধিক তীব্ৰতৰ হ'ব কা' বিৰোধী আন্দোলনৰ লগতে কৃষি আইন বিৰোধী আন্দোলন। অৱশ্যে দুয়োকে ডিমৌ আৰক্ষীয়ে পিছত মুকলি কৰি দিয়ে। আনহাতে ডিমৌত ভাৰত বন্ধৰ প্ৰভাৱ বাতৰি লিখা পৰলৈকে শান্তিপূৰ্ণভাৱে পৰা পৰিলক্ষিত হয়।

**কৃষক আইনৰ বিৰোধিতা ঃ ভাৰত বন্ধৰ প্ৰতি পূৰ্ণ সমৰ্থন ঃ নাজিৰাৰ বিভিন্ন স্থানৰ খেতি পথাৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পুত্তলিকা দাহ**

**দৈনন্দিন বাৰ্তাৰ সেৱা,নাজিৰা ঃ** বিজেপি নেতৃত্বাধীন চৰকাৰে ৰূপায়ন কৰা 'কৃষক আইন'ৰ বিৰোধিতা কৰি আজি আহ্বান জনোৱা ভাৰত বন্ধৰ প্ৰতি নাজিৰাতো জনগণে পূৰ্ণ সমৰ্থন জনায়। বিভিন্ন দল-সংগঠনেও সমৰ্থন জনোৱা এই বন্ধৰ সময়ত নাজগৰাৰসমূহ ব্যৱসায়িক প্ৰতিষ্ঠান, চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, অ'এনজিচি, অসম সম্পদৰ নাজিৰাস্থ মুখ্য কাৰ্যালয়কে ধৰি অন্যান্য প্ৰতিষ্ঠানসমূহৰ কাম-কাজ



সম্পূৰ্ণ ৰূপে বন্ধ থাকে। চৰকাৰী আৰু ব্যক্তিগত যান-বাহন আদি চলাচলো বন্ধ ৰাখি নাজিৰাৰ জনগণে কৃষক আইনৰ বিৰোধিতাৰে ভাৰত বন্ধৰ প্ৰতি সঁহাৰি জনায়। আনহাতে এই কাৰ্যসূচীলৈ সমৰ্থন জনাই কৃষক আইনৰ বিৰোধিতাৰে চি পি আই দলে নগৰৰ ৰাজপথত এক প্ৰতিবাদী মিচিল বাহিৰ কৰে। ইফালে কৃষক আইনৰ বিৰোধীতাৰে নাজিৰাৰ ৰহদৈ, চণ্টক বগদাই, আঠখেল, বৰবৰুৱা, মেছাগড়, মঠিয়াছিগা, লখিমী পুখুৰী, সোন্দৰ পুখুৰী, বামুণ পুখুৰী, আচলাবাৰী, জয়খামদাং আদি বিভিন্ন স্থানৰ খেতি পথাৰত সমষ্টি যুৱ কংগ্ৰেছ কমিটী আৰু কৃষক ৰাইজৰ সহযোগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পুত্তলিকা দাহ কৰাৰ উপৰি 'কৃষক আইন বাতিল কৰক, জনতাৰ বিৰোধী বিজেপি দল নিপাত যাওক, নৰেন্দ্ৰ মোদী-অমিত শ্বাহ-সৰ্বানন্দ সোণোৱাল মুৰ্দাবাদ আদি ধ্বনিৰে উত্তাল কৰি তোলে কৃষি পথাৰসমূহৰ আকাশ-বতাহ।

**মাহমৰাত কৃষক বিৰোধী আইন- ২০২০ বাতিলৰ দাবী কংগ্ৰেছৰ ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ প্ৰতিকৃতি দাহ মণ্ডল আৰু যুৱ কংগ্ৰেছৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাহমৰা ঃ** দেশত কৃষক জনসাধাৰণক মাধমাৰ শোধাই কেন্দ্ৰীয় চৰকাৰে কৃষক বিৰোধী আইন-২০২০ প্ৰণয়ন কৰাৰ প্ৰতিবাদত আজি দেশজুৰি কৃষক সংগঠন আহ্বান জনোৱা ভাৰত বন্ধ কাৰ্যসূচীৰ মাজতে আজি চৰাইদেউ জিলা মাহমৰাত



বিৰোধী কংগ্ৰেছ দলে এই বাতিল কৰিবলৈ দাবী জনাইছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ নিৰ্দেশ মৰ্মে আজি বিৰোধী কংগ্ৰেছ দলৰ মাহমৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত ডবা মণ্ডল কংগ্ৰেছ কমিটি আৰু ডবা মণ্ডল যুৱ কংগ্ৰেছ কমিটিয়ে ডবা তিনিআলিত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ প্ৰতিকৃতি দাহ কৰি এক উত্তাল পৰিৱেশ সৃষ্টি কৰে। প্ৰতিবাদকাৰীয়ে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী মুৰ্দাবাদ, কৃষিমন্ত্ৰী হায় হায়, বিজেপি চৰকাৰ গ' বেক, কংগ্ৰেছ জিন্দাবাদ ধ্বনিৰে চেপন-ডবা-অভয়পুৰ গড়কাপ্তানি পথছোৱা উত্তাল কৰি তোলে। সমান্তৰালকৈ সমষ্টিটোৰ চেপনতো বিৰোধী কংগ্ৰেছ দলে অনুৰূপ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী কাৰ্যসূচীত মাহমৰা ব্লক কংগ্ৰেছৰ বহুকেইজন জ্যেষ্ঠ কৰ্মকৰ্তাৰ লগতে ডবা মণ্ডল কংগ্ৰেছ আৰু যুৱ কংগ্ৰেছৰ শতাধিক কৰ্মীয়ে অংশগ্ৰহণ কৰে। আনহাতে আজি দেশজুৰি আহ্বান জনোৱা ভাৰত বন্ধ চৰাইদেউ জিলা মাহমৰাত সৰ্বাত্মক ৰূপত প্ৰতিফলিত হয়। জিলাখনৰ মাহমৰাৰ সকলো শিক্ষানুষ্ঠান, চৰকাৰী কাৰ্যালয়, বেচৰকাৰী কাৰ্যালয়, ব্যৱসায়ী প্ৰতিষ্ঠান আৰু হাট-বজাৰ বন্ধ হৈ পৰে। আনহাতে আজি আহ্বান জনোৱা ভাৰত বন্ধ কাৰ্যসূচীত চৰাইদেউ জিলাত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ লগতে বহুকেইটা জনগোষ্ঠীয় সংগঠনে পূৰ্ণ সমৰ্থন জনোৱাৰ ফলত চৰাইদেউ জিলাত বন্ধৰ প্ৰভাৱ সৰ্বাত্মক ৰূপত ৰূপায়ণ হয়।

**বকতা-পাটসাঁকোত ভাৰত বন্ধৰ প্ৰভাৱ**

**দৈনন্দিন বাৰ্তাৰ সেৱা,বকতা ঃ** বিতৰ্কিত কৃষি আইন বাতিলৰ দাবীত আন্দোলনকাৰী কৃষক সংগঠনে আজি আহ্বান জনোৱা ভাৰত বন্ধৰ প্ৰভাৱ বকতা-পাটসাঁকো অঞ্চলতো পৰিলক্ষিত হয়। আজি পুৱাৰ পৰা আৰম্ভ হোৱা এই বন্ধৰ ফলত বকতা-পাটসাঁকো অঞ্চলৰ বিত্তীয় প্ৰতিষ্ঠান, শিক্ষানুষ্ঠান, ডাকসেৱা, পঞ্চায়তৰ কাৰ্যালয়সমূহ সম্পূৰ্ণ বন্ধ থাকে। আনকি বন্ধৰ প্ৰভাৱত বৃহত্তৰ অঞ্চলটোত অ'এনজিচিৰ খনন-উৎপাদন চলি থকা অৰ্ধ শতাধিক তেলখাদকে ধৰি জিজিএচ-৫ৰ কাম-কাজ স্হৱিৰ হৈ পৰে।

**কৃষকৰ বন্ধলৈ সমৰ্থন সোণাৰিবাসীৰ ঃ বন্ধত স্তব্ধ জনজীৱন ঃ সোণাৰিৰ পথাৰত অভিনৱ প্ৰতিবাদ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি ঃ** সংশোধিত কৃষি আইন বাতিলৰ দাবীত দেশত অব্যাহত থকা কৃষক বিদ্ৰোহৰ মাজতে আজি ঘোষণা কৰা হৈছে ভাৰত বন্ধ। দেশৰ অন্যান্য ঠাইৰ লগতে চৰাইদেউ জিলাৰ বহুকেইটা সংগঠনে সমৰ্থন আগবঢ়ালে এই বন্ধলৈ। কৃষক বিদ্ৰোহৰ মাজতে আজি ঘোষণা কৰা ভাৰত বন্ধৰ প্ৰভাৱ সোণাৰিতো পৰা দেখা যায়। আজি দিনৰ এঘাৰ বজাৰ পৰা আবেলি তিনি বজালৈ ঘোষণা কৰা বন্ধৰ প্ৰভাৱ পুৱাৰে পৰা পৰা পৰিলক্ষিত হয় সোণাৰিত। নগন্য সংখ্যক ব্যক্তিগত যানবাহন সোণাৰিৰ ৰাজপথত দেখা পোৱা যায় যদিও প্ৰায়বোৰ ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ হৈ পৰে ৰাতিপুৱাৰেপৰা। বন্ধৰ প্ৰভাৱত সোণাৰিৰ জনজীৱন এক প্ৰকাৰ স্তব্ধ হৈ পৰে। উল্লেখ্য যে সোণাৰিৰ বহু দল-সংগঠনে কৃষকসকলে ঘোষণা কৰা এই বন্ধ লৈ নৈতিক সমৰ্থন আগবঢ়ায়। টাই আহোম যুৱ পৰিষদ অসম, বৃহত্তৰ অসমীয়া যুৱ মঞ্চ, কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতিৰ লগতে কৃষকৰ ন্যায্য দাবীৰ সমৰ্থন জনাইছে বীৰ লাচিত সেনায়ো। সংশোধিত কৃষি আইন বাতিলৰ দাবী জনায় আজি পুৱাতেই প্ৰতিবাদ সাব্যস্ত কৰে বীৰ লাচিত সেনাৰ কৰ্মীসকলে। সোণাৰিৰ সাপেখাতিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতিকৃতি দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে সংগঠনটোৰ কৰ্মীসকলে। ৰাজপথত প্ৰতিবাদ সাব্যস্ত কৰি শীঘ্ৰে সংশোধিত কৃষি আইন বাতিলৰ দাবী উত্থাপন কৰে বীৰ লাচিত সেনাৰ কৰ্মীসকলে। ইফালে সোণাৰিৰ পথাৰত দেখা যায় কৃষকৰ অভিনৱ প্ৰতিবাদ। কৃষক সংগঠনসমূহে জনোৱা ভাৰত বন্ধ কাৰ্যসূচীলৈ সমৰ্থন জনায় সোণাৰিৰ পথাৰত কৃষকসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতিকৃতি দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। সোণাৰিৰ কাণুবাৰী পথাৰত সংশোধিত কৃষি আইন বাতিলৰ দাবী জনালে কৃষকে। সদৌ অসম খেতিয়ক সন্থা, অসম মজুৰি শ্ৰমিক ইউনিয়ন, ঝাৰখণ্ডী আদিবাসী সংগ্ৰাম পৰিষদ, কৃষক মুক্তি সংগ্ৰাম সমিতিৰ চৰাইদেউ জিলা সমিতিসমূহে যৌথভাৱে প্ৰতিবাদ সাব্যস্ত কৰি কৃষি আইন বাতিলৰ দাবী জনায়।

**দেৰগাঁৱৰ ৰঙামাটিত ঘাইপথ অৱৰোধ ঃ আৰক্ষীৰে খণ্ড যুদ্ধ প্ৰতিবাদকাৰীৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও ঃ** কৃষক বিৰোধী আইন বাতিল কৰা, কৃষি ক্ষেত্ৰ পূজিপতিত গতোৱাৰ চক্ৰান্ত বন্ধ কৰা, সকলো ধৰণৰ বাগান বিক্ৰী বন্ধ কৰা, অবৈধ টোলগেট নিৰ্মাণ বন্ধ কৰাকে ধৰি বিভিন্ন দাবীত আজি ঘোষিত ভাৰত বন্ধৰ সময়ত দেৰগাঁৱৰ ৰঙামাটিত একাংশ বন্ধ সমৰ্থকে ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰে। সৰ্বভাৰতীয় কৃষক সংঘ সমিতি, জীপাল কৃষক সংঘ, চিআইটিইউ, কৃষক মুক্তি, এআইকেএছ, মদমুক্ত দাবী সমিতি, এএএছএ, জীপাল, ব্ৰহ্মপুত্ৰ সংগ্ৰামী মঞ্চ, কৃষক মহাসভা, সদৌ অসম খেতিয়ক সন্থা, অনুসুচিত জাতি যুৱ ছাত্ৰ,দেৰগাও, খুমটাই, বোকাখাট সচেতন নাগৰিক সমাজ আদি বিভিন্ন সংগঠনৰ কৰ্মী-সমৰ্থকে পথ অৱৰোধ কৰি চৰকাৰ বিৰোধী বিভিন্ন শ্গান দি উত্তাল পৰিৱেশ সৃষ্টি কৰি প্ৰতিবাদ সাব্যস্ত কৰা সময়তে আৰক্ষীয়ে প্ৰতিবাদী কাৰ্যসূচী মষিমূৰ কৰিবলৈ প্ৰচেষ্টা চলোৱাকলৈ প্ৰতিবাদকাৰীৰে আৰক্ষীৰ বাকবিতণ্ডাৰ সৃষ্টি হয়। জানিব পৰা মতে, প্ৰতিবাদ অব্যাহত থকা সময়তে কৃষক নেতা সোনেশ্বৰ নৰহৰ এএছ-০১এএইচ-০৬০৮ নম্বৰৰ টাটা ছাফাৰী গাড়ীখনত আৰক্ষীয়ে তলা লগাই দিয়ে। সকলো নথি-পত্ৰ থকাৰ পিছতো কৃষক নেতাজনৰ গাড়ীখনত কোকোৱা লগাই তলা মাৰি দিয়াত পৰিস্থিতি উত্তপ্ত হৈ পৰে। বহু সময় ধৰি আৰক্ষী আৰু প্ৰতিবাদী ৰাইজৰ মাজত বাকবিতণ্ডাৰ পিছত আৰক্ষীয়ে গাড়ীখন মোকলাই দিয়ে।শান্তিপূৰ্ণ প্ৰতিবাদক অন্যৰূপ দি চৰকাৰী আৰক্ষী বাহিনীয়ে কৃষক শ্ৰমিকক হাৰাশাস্তি ভোগাবলৈ অপচেষ্টাত লিপ্ত হয় বুলি প্ৰতিবাদীসকলে অভিযোগ উত্থাপন কৰে।

**কৃষক আইনক সমৰ্থন দেশবাশীৰ চি পি আই (এম এল)ৰ ধন্যবাদ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, তিনিচুকীয়া ঃ** মোদী নেতৃত্বাধীন কেন্দ্ৰৰ বিজেপি চৰকাৰৰ কৃষি আৰু কৃষক বিৰোধী



তিনিখন কৃষি আইনৰ প্ৰত্যাহাৰৰ দাবীত নিখিল ভাৰত কৃষক সংঘৰ্ষ সমন্বয় সমিতিয়ে ৩০টাৰো অধিক কৃষক সংগঠনৰ উদ্যোগত এই তিনিখন আইন প্ৰত্যাহাৰৰ দাবীত যোৱা ১০ দিন ধৰি চলি থকা দিল্লী ঘেৰাওৰ মাজত অৱস্থান কৰিয়েই আহ্বান জনোৱা ৮ ডিচেম্বৰ অৰ্থাৎ আজিৰ ভাৰত বন্ধ সৰ্বাত্মকভাৱে সফল কৰাৰ বাবে চিপিআই(এম-এল)ৰ কেন্দ্ৰীয় সমিতিৰ অন্যতম সদস্য তথা তিনিচুকীয়া জিলা সমিতিৰ সম্পাদক সুভাষ সেনে দেশবাসীক ধন্যবাদ তথা অভিনন্দন জনাইছে। এই সম্পৰ্কে প্ৰকাশ কৰা এক প্ৰেছ বিবৃতিত উল্লেখ কৰা হৈছে যে স্বাধীনতাৰ আগে পিছে গোটেই দেশত সংঘটিত হোৱা অসংখ্য কৃষক আন্দোলন, কৃষক বিদ্ৰোহ ভাৰতীয় সমাজৰ মূল চালিকা শক্তি হিচাপে বিবেচিত হৈছে। অসমতো ফুলগুৰি, ধেৰা, ৰঙিয়া, পথৰুঘাট আদিৰ কৃষক সংগ্ৰাম আৰু মোৱামৰীয়া বিদ্ৰোহে অসমৰ সমাজ জীৱনত যি গতি সঞ্চাৰ কৰিছিল সেই গতিয়ে পিছত অসহযোগ আন্দোলনতো বিৰাট অৱদান যোগাইছিল। এই সকলো কৃষক আন্দোলন, কৃষক বিদ্ৰোহত গুণগতভাৱে নসংযোজন ঘটাইছিল ৬০ৰ দশকত পশ্চিমবংগৰ দাৰ্জিলিং জিলাত সংঘটিত হোৱা ন'লবাৰীৰ কৃষক অভ্যুত্থানে। কেৱল অৰ্থনৈতিক দাবীৰ মাজতে সীমাবদ্ধ কৰি নাৰাখি এই অভ্যুত্থানে কৃষকৰ ৰাষ্ট্ৰ ক্ষমতা দখলৰ দিশটো সন্মুখলৈ লৈ আহিছিল। কৃষক আন্দোলনৰ প্ৰভাৱ যে শ্ৰমিক আন্দোলনতো পৰি গৈ থাকিব সেয়া ধুৰূপ। কৃষি আইনৰ বিৰুদ্ধে আজিৰ কৃষক বিদ্ৰোহে শ্ৰমিকৰ দাবীও সাঙুৰি লৈছে আৰু বিদ্যুৎ বিল,২০২০ৰ প্ৰত্যাহাৰৰ দাবীও সন্নিবিষ্ট হৈছে। কৃষকে যি ধৰণে ৰাজধানী ঘেৰাও কৰি ৰাখিছে ইয়াৰ মাজতে গাঁৱেৰে চহৰ ঘেৰাওৰ সপোনে বাস্তৱতা পোৱাৰ সম্ভাৱনাও প্ৰকট হৈ আছে বুলি বিবৃতিটোত উল্লেখ কৰা হৈছে। আজি সৰ্বাত্মক ভাৰতবন্ধই কৃষক ঐক্যক ঠন ধৰাই তোলাৰ লগে লগে শ্ৰমিক-কৃষক ঐক্য তথা সাম্প্ৰদায়িক ঐক্যকো অধিক শক্তিশালী কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

**কৃষক সংগঠনৰ ভাৰত বন্ধৰ প্ৰভাব ৰঙাপৰাত সৰ্বাত্মক**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা ঃ** দেশজুৰি ঘোষিত হোৱা ভাৰত বন্ধৰ প্ৰভাৱ ৰঙাপৰাত সৰ্বাত্মকৰূপে পৰিলক্ষিত হয়। আজি পুৱাৰে পৰা ৰঙাপৰাৰ সমূহ চৰকাৰী বেচৰকাৰী কাৰ্যালয়ৰ লগতে যান বাহনৰ চলাচল আৰু ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ থাকে। কেন্দ্ৰৰ শাসনাধিষ্ঠ বিজেপি চৰকাৰে যি নতুন কৃষি আইন প্ৰণয়ন কৰিলে তাৰ বিৰোধিতাৰে দেশৰ বিভিন্ন প্ৰান্তৰ কৃষকসকলে দেশৰ ৰাজধানী দিল্লীত ধৰ্ণা প্ৰতিবাদৰ উদ্দেশ্যেৰে ৰাওনা হৈ দিল্লীৰ সীমা মুৰিয়া ৰাজ্য সমূহত হাজাৰ হাজাৰ কৃষক আটকাধীন হৈ থকা আজি ১১ দিন উকলিল। এই ১১ দিনত কৃষক সংগঠনসমূহৰ নেতা আৰু কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধিৰ মাজত কেইবালানি বৈঠক হোৱা স্বত্বেও কোনো ধৰণৰ সিদ্ধান্তত উপনিত হ'ব নোৱাৰাত উক্ত আইনৰ বিৰোধিতা কৰি আজি দিনৰ ১১ বজাৰ পৰা বিয়লি ৩ বজালৈকে ভাৰত বন্দ্ধৰ আহ্বান কৰিছিল ।যদিও কৃষকৰ এই আন্দোলনৰ প্ৰতি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগতে ৰঙাপৰাৰ বামপন্থী আৰু বিৰোধী ৰাজনৈতিক দল সমূহে সমৰ্থন জনাই পুৱাৰে পৰা ৰাজ্যৰ বিভিন্ন অঞ্চলৰ লগতে ৰঙাপৰা অঞ্চলতো দোকান পোহাৰ বন্ধ ৰাখি কৃষক সংগঠনৰ ভাৰত বন্ধৰ পূৰ্ণ সঁহাৰি জনায়। উল্লেখযোগ্য যে বাতৰি লিখা পৰলৈকে ৰঙাপৰা অঞ্চলত কোনো ধৰণৰ অপ্ৰিতিকৰৰ ঘটনা সংঘটিত হোৱা নাই। ইপিনে আৰক্ষীৰ কটকটীয়া নিৰাপত্তাৰ মাজত শান্তিপূৰ্ণ ভাবে বন্ধ পালন হয়।

**মৰাণত ভাৰত বন্ধৰ সৰ্বাত্মক প্ৰভাৱ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ ঃ** কৃষকসকলক নিঃশেষ কৰাৰ উদ্দেশে কেন্দ্ৰীয় চৰকাৰে যি আইন প্ৰণয়ন কৰিছে সেই আইনৰ তীব্ৰ বিৰোধিতাৰে আজি কৃষক সংগঠনে আহ্বান জনোৱাৰ ভাৰতবৰ্ষৰ বন্ধৰ প্ৰভাৱ অসমৰ অন্যান্য ঠাইৰ লগতে উজনি অসমৰ চৰাইদেউ আৰু ডিব্ৰুগড় জিলাৰ সংগমস্থল মৰাণতো ভাৰত বন্ধৰ সৰ্বাত্মক প্ৰভাৱ পৰা পৰিলক্ষিত হয়। ভাৰতবৰ্ষৰ কৃষকসকলক নিশেষ কৰাৰ উদ্দেশ্য কেন্দ্ৰীয় চৰকাৰে যি আইন প্ৰণয়ন কৰিছে ।সেই আইনৰ তীব্ৰ বিৰোধিতাৰে সমগ্ৰ ভাৰতবৰ্ষ ব্যাপি জনস্তব্ধ হৈ পৰে। মৰাণত বিভিন্ন সংগঠনে সমৰ্থন জনোৱাৰ এই বন্ধৰ সময়চোৱাত সকলো চৰকাৰী-বেচকাৰী অনুষ্ঠান প্ৰতিষ্ঠান, দোকান-পোহাৰ, যাত্ৰীবাহী যানবাহন সম্পূৰ্ণ বন্ধ থাকে। বন্ধৰ সময়চোৱাত মৰাণত কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতি সংঘটিত হোৱাৰ বাতৰি পোৱা নাই। সাংবাদিকৰ আগত বন্ধৰ সমৰ্থকসলে কয় যে— কৃষক হৈছে অন্নদাতা এই অন্নদাতাসকলক নিশেষ কৰাৰ বাবে যি কৃষি আইন আনিছে সেই কৃষি আইন আমি বিৰোধী কৰিছো আৰু অতি সোনকালে এই আইন বাতিল কৰিবলৈ আহব্বান জনায়।

**কৃষি আইনৰ বিৰুদ্ধে কৃষকৰ আন্দোলন তামুলপুৰত ভাৰত বন্ধৰ সৰ্বাত্মক প্ৰভাৱ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ ঃ** সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা কৃষক বিৰোধী নীতিয়ে সমগ্ৰ দেশজুৰি এক বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা পৰিলক্ষিত হৈছে। কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা তিনিখনকৈ কৃষি আইন প্ৰত্যাহাৰৰ দাবীত কৃষক সংগঠনসমূহে আজি আহ্বান জনোৱা ভাৰত বন্ধ তামুলপুৰ মহকুমাৰ বিভিন্ন ঠাইত সৰ্বাত্মক ৰূপত পৰে। কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা এই নীতিয়ে খাটি খোৱা কৃষকসকলৰ ভৱিষ্যত অন্ধকাৰছন্ন কৰি তুলিব বুলি দাবী কৰাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ উক্ত সিদ্ধান্ত কোনো কাৰণতে মানি লোৱা নহ'ব বুলি কৃষক সংগঠন সমূহে সকীয়নি দিয়ে। উল্লেখযোগ্য যে যোৱা শনিবাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত কৃষক সংগঠন সমূহৰ প্ৰতিনিধিৰে হোৱা আলোচনা ব্যৰ্থ হোৱাৰ পিছত কৃষক সংগঠনসমূহে আজি ভাৰত বন্ধ ঘোষণা কৰে। কৃষক বিৰোধী কৃষি আইন প্ৰত্যাহাৰৰ দাবীত আজি সংগঠন সমূহে ঘোষণা কৰা ভাৰত বন্ধৰ প্ৰভাৱ সমগ্ৰ দেশখনৰ লগতে তামুলপুৰ মহকুমাৰ বিভিন্ন ঠাইত সৰ্বাত্মক ৰূপত পৰা পৰিলক্ষিত হয়। বন্ধৰ সময়চোৱাত অত্যাৱশ্যকীয় সেৱাৰ বাদে গাড়ী মটৰ, দোকান পোহাৰ, ব্যৱসায় প্ৰতিষ্ঠান, স্কুল কলেজ আৰু বেংক সেৱা স্থবিৰ হৈ পৰে। বন্ধৰ সময় চোৱাত বাতৰি লিখা পৰলৈ কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱাৰ বাতৰি পোৱা হোৱা নাই।

**বিহালীত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ প্ৰতিমূৰ্তি দাহ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী ঃ** বিজেপি চৰকাৰে দুখীয়া খেতিয়ক ৰাইজৰ সমস্যাক আওকান কৰি যি তিনিখন কৃষি আইন সংসদত গৃহীত কৰিলে তাৰ প্ৰতিবাদ স্বৰূপে দিল্লীত কেইবাটাও কৃষক সংগঠনে এই কৃষি আইন কেইখন বিৰুদ্ধিতা কৰি যি প্ৰতিবাদী কাৰ্যসূচী বৰ্তমান অব্যাহত ৰাখিছে তাৰে এক কাৰ্য সূচী হল আজি ভাৰত বন্ধ কাৰ্য সূচী; এই কাৰ্য সূচীত দেশৰ অন্যান্য ৰাজনীতিক দলৰ লগতে অসম প্ৰদেশ কংগ্ৰেছ কমিতিয়ে ইয়াৰ সমৰ্থন কৰি গোটেই অসম ব্যাপি কাৰ্য সূচী হিচাপে কংগ্ৰেছৰ মণ্ডল আৰু ব্লক কমিতি সমূহে পথাৰত গৈ নৰেন্দ্ৰ মোডীৰ প্ৰতিমূৰ্তি দাহ কৰে । বিহালী বিধান সভা সমষ্টিত ১৭ টা মণ্ডল কমিতিৰ লগতে বিহালী ব্লক কংগ্ৰেছ কমিতিও নৰেন্দ্ৰ মোডী প্ৰতিমূৰ্তি দাহ কৰে । এই কাৰ্য সূচীত উপস্থিত থাকে বিশ্বনাথ জিলা কংগ্ৰেছৰ মুখপাত্ৰ তুষাৰ বৰা , বিশ্বনাথ জিলা কংগ্ৰেছৰ অন্যান্য পিছ পৰা শ্ৰেনীৰ উপসভাপতি ইন্দ্ৰ বৰুৱা, বিহালী ব্লক কংগ্ৰেছৰ সভাপতি দত্তদেৱ শৰ্মা সম্পাদক জয়ন্ত মহন্ত, বিহালী সমষ্টি সেৱা দলৰ সভাপতি শংখধৰ দাস , বিহালী ব্লক কংগ্ৰেছ উপসভাপতি মাধৱ বৰা , বিহালী ব্লক কংগ্ৰেছৰ সম্পাদক দেৱকান্ত খেৰোৱাৰ , আদি কৰি একাংশ কংগ্ৰেছ কমিতিৰ সদস্য সকল উপস্থিত থাকে ।কৃষকৰ ক্ষতিসাধন কৰা আইন বাতিল কৰক ;কৃষকক সুৰক্ষা দিয়ক আদি শ'গানে বৰগাঙৰ আকাশ বতাহ কঁপাই তোলে।

**কৃষকৰ প্ৰতি সহাঁৰি জনাই তুলসীবাৰীত ভাৰত বন্ধ শান্তিপূৰ্ণভাৱে পালন**

**দৈনন্দিন বাৰ্তাৰ সেৱা, তুলসীবাৰী ঃ** কৃষি আইন বাতিল কৰাৰ দাৱীত আজি আহ্বান জনোৱা ভাৰত বন্ধ তুলসীবাৰীতো শান্তিপুৰ্ণভাৱে পালন কৰা হয়। ভাৰত বন্ধ সময়চোৱাত শিক্ষা অনুষ্ঠানৰ লগতে বেংক তথা বিভিন্ন বিত্তীয় প্ৰতিষ্ঠান বন্ধ থকাটো পৰিলক্ষিত হয়। আনহাতে জনব্যস্ত ভাৰত-ভূটান সীমান্ত আন্তঃৰাষ্ট্ৰীয় পথতো যান -বাহণ আদিৰ চলাচল বন্ধ থকাত দুৰণীবতীয়া যাত্ৰা ব্যাহত হয়। বন্ধৰ সময়চোৱাত কোনো অপ্ৰীতিকৰ পৰিস্থিতি সংঘটিত হোৱাৰ বাতৰি পোৱা নাই।

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

৯ ডিচেম্বৰ, ২০২০ বুধবাৰ গুৱাহাটী ২৩ আঘোণ ১৯৪২ শক





## নগৰবেৰাত চাৰিটাকৈ কামৰ আধাৰশিলা স্থাপন ৩নং নগৰবেৰা জিলা পৰিষদৰ সদস্যাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৮ ডিচেম্বৰ ঃ** বকো বিধান সভা সমষ্টিৰ ছমৰীয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত জামলাই কল্যাণপুৰ গাঁও পঞ্চায়ত, বৰুৱাগাঁও গাঁও পঞ্চায়ত আৰু নগৰবেৰা গাঁও পঞ্চায়তৰত এম জি এনৰেগা আঁচনিৰ জৰিয়তে চাৰিটাকৈ কামৰ ৰঙা ফিতা কাটি আনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপন কৰে ৩নং নগৰবেৰা জিলা পৰিষদৰ সদস্যা হিমাদ্ৰী পাঠকে। ৪২নং জামলাই গাঁও পঞ্চায়তৰ অন্তৰ্গত ৬ নং ৱাৰ্ডত এম জি এনৰেগা আঁচনিৰ ৬৮৩৭৭৭ টকা ব্যয় সাপেক্ষে কল্যাণপুৰ পি ডাব্লিউ পথৰ পৰা কৰনৈ নদী হৈ ছলিম উদ্দিনৰ ঘৰলৈ যোৱা গাঁৱলীয়া পথছোৱা আৰু বৰুৱাগাঁও গাঁও পঞ্চায়তৰ অন্তৰ্গত ৪ নং ৱাৰ্ডত এম জি এনৰেগা আঁচনিৰ অধীনত ৫৯৬৪৬৯ টকা ব্যয় সাপেক্ষে ময়ূৰ আলীৰ ঘৰৰ পৰা মফজুল আলীৰ ঘৰলৈ যোৱা গাঁৱলীয়া পথ লগতে নগৰবেৰা গাঁও পঞ্চায়তৰ দুটি পথৰ কামৰ শুভাৰম্ভণি কৰে। আধাৰশিলা অনুষ্ঠানত অঞ্চলটোৰ বিভিন্ন ব্যক্তিৰ উপৰিও বৰুৱাগাঁও গাঁও পঞ্চায়তৰ সভাপতি আক্ৰাম হুছেইন আঞ্চলিক পঞ্চায়তৰ সদস্য হজৰত আলী, গাঁওবুঢ়া নজৰুল হক পঞ্চায়তসমূহৰ ৱাৰ্ড সদস্য আদি কেইবাজনো গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। পথসমূহৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হ'লে অঞ্চলটোৰ দীৰ্ঘদীনিয়া সমস্যা সমাধান হ'ব বুলি সকলোৱে ব্যক্ত কৰে।

**গুৱাহাটীৰ অসম সাহিত্য সভাৰ প্ৰেক্ষাগৃহত**

## 'সাহসী'ৰ চতুৰ্থ বৰ্ষপূতি উপলক্ষে ১৫গৰাকী সাংবাদিকসহ ২৬গৰাকী লোকক সাহসী বঁটা প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিমৌ, ৮ ডিচেম্বৰ ঃ** ৰাজ্যখনৰ নিৰ্যাতিত আৰু আৰ্তজনৰ কল্যাণৰ অৰ্থে গঠিত বেচৰকাৰী সংস্থা 'সাহসী'ৰ চতুৰ্থ বৰ্ষপূতি উপলক্ষে ৬ ডিচেম্বৰত সমাজ জীৱনলৈ আগবঢ়োৱা অৱদানৰ বাবে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ১৫গৰাকী সাংবাদিকসহ মুঠ ২৬গৰাকী লোকক ২০২০ বৰ্ষৰ সাহসী বঁটা প্ৰদান কৰা হয়। এই উপলক্ষে গুৱাহাটীৰ অসম সাহিত্য সভাৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰি সভাৰ শুভাৰম্ভ কৰে অসম সাহিত্য সভাৰ উপ-সভানেত্ৰী মৃণালিনী দেৱীয়ে। জাহ্নৱী বৰুৱা আৰু নয়নজ্যোতি বৰাই আঁত ধৰা অনুষ্ঠানৰ সাহসীৰ সভানেত্ৰী তৃষ্ণা নাথে কেক কাটি সংগঠনটো চতুৰ্থ বৰ্ষপূতি উদ্‌যাপন কৰে। বঁটা প্ৰদান অনুষ্ঠানত মুখ্য অতিথি হিচাপে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পৰমানন্দ ৰাজবংশী, প্ৰশাসনিক বিষয়া মুকুল শইকীয়া, সমাজসেৱিকা ৰেখা বৰগোহাঁই, সদৌ অসম মধ্যাহ্ন ভোজন ৰান্ধনী সন্থাৰ উপদেষ্টা সুনীল ৰংপি, উপ-সভানেত্ৰী খুদেজা খাতুনকে ধৰি বহু কেইগৰাকী বিশিষ্ট লোক উপস্থিত থাকে। সভাত সাহসীৰ তৰফৰ পৰা ২০২০ বৰ্ষৰ সংবাদ জগতলৈ আগবঢ়োৱা অৱদানৰ বাবে সাংবাদিক দীপক বড়া (নিতাই পুখুৰী), হিন্দুজ্যোতি গগৈ, যুগল শৰ্মা, (ডিমৌ) গৌতম গগৈ (চৰাইদেউ), উৎপল বৰা (যোৰহাট)সহ ১৫গৰাকী লোকৰ উপৰি বীৰ লাচিত সেনা, অসম শিৱসাগৰ জিলাৰ সভাপতি চিতু বৰুৱাকে ধৰি সমাজৰ বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে মুঠ ২৬গৰাকী লোকক এখন সম্বৰ্ধনা-পত্ৰ, জাপি, সঁফুৰা, চেলেং চাদৰ, স্মাৰক, বড়ো গামোচা, এটা চাহৰ পেকেটেৰে ২০২০ সাহসী বঁটা প্ৰদান কৰে।

## নিৰ্বাচনলৈ সাজু মহকুমা প্ৰশাসন, ভাগে ভাগে সমাপন কৰি তুলিছে নিৰ্বাচনী কাম-কাজ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ৮ ডিচেম্বৰ ঃ** বিটিআৰ নিৰ্বাচনকলৈ ৰাজনৈতিক দল-সংগঠনসমূহৰ ব্যাপক নিৰ্বাচনী প্ৰচাৰৰ মাজতে গোসাঁইগাঁও মহকুমা নিৰ্বাচনী কাম-কাজ সম্পূৰ্ণ কৰি তুলিছে। সুশৃংখল আৰু সুস্থ, নিকা নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ বিভিন্ন কাৰ্যকৰী পন্থা গ্ৰহণ কৰা জিলা ৰিটাৰ্ণিং বিষয়া আৰু মহকুমা প্ৰশাসনে প্ৰয়োজনীয় বিধি ব্যৱস্থা গ্ৰহণ কৰা বুলি অৱগত কৰিছে। জানিব পৰা মতে আজি চিচি টিভি কেমেৰা স্থাপন কৰি ষ্ট্ৰং ৰুমৰ নিৰাপত্তা সুনিশ্চিত নিৰিক্ষণ, প্ৰতিটো খিড়িকীৰ মেৰামতিও সম্পূৰ্ণ কৰি তুলিছে। একেদৰে আজি সাধাৰণ পৰ্যবেক্ষক হতুৱাই মাইক্ৰ পৰ্যবেক্ষৰ প্ৰশিক্ষণ সম্পূৰ্ণ কৰি তুলিছে ইয়াৰ প্ৰশাসন। মহকুমাধিপতি সুত্ৰে প্ৰকাশ কৰা তথ্য মতে সম্পুৰ্ণ কোভিড-১৯ ৰ প্ৰটকল মানি অনুষ্ঠিত হ'বলগীয়া বিটিআৰ নিৰ্বাচনত কাউণ্টিং এজেণ্টসকলক প্ৰশিক্ষণ দি সক্ষম কৰি তোলাৰ লগতে কাউণ্টিং হ'লসমূহৰ প্ৰস্তুতি শেষ হৈছে। একেদৰে ছয়টা পৰিষদীয় সমষ্টিৰ বাবে প্ৰয়োজনীয় নথি-পত্ৰ সা-সৰঞ্জাম আদি বিতৰণ কৰিবলৈ প্ৰয়োজনীয় টিনপাতৰ চালি নিৰ্মাণ আৰু বিশটাতকৈ অধিক খিড়িকী নিৰ্মাণ কৰি তুলিছে। অহা ৯ তাৰিখত মহকুমাৰ ৪২৮ টা ভোট গ্ৰহণ কেন্দ্ৰলৈ ৰওনা হ'বলগীয়া পলিং, প্ৰিছাইডিং আৰু আৰক্ষী, অৰ্ধসামৰিক বাহিনীৰ কোভিড-১৯ ৰ এণ্টিজেন পৰীক্ষাও প্ৰায় সমাপন হোৱা বুলি প্ৰকাশ কৰিছে ৰিটাৰ্ণিং বিষয়া পল্লবী সৰকাৰে।

## কুমাৰীকাটাত দুৰ্ঘটনাত আহত যুৱকৰ মৃত্যু

দৈনন্দিন বাৰ্তাৰ সেৱা,তামুলপুৰ,8 ডিচেম্বৰঃ যোৱা নিশা ৰোলাৰৰ সতে হোৱা মুখামুখি সংঘৰ্ষত গুৰুতৰ ভাৱে আহত হোৱা কুমাৰীকাটাৰ এজন যুৱকৰ আজি চিকিৎসা লয়ত মৃত্যু হোৱা ঘটনাত অঞ্চলজুৰি শোকৰ ছাঁ পৰে। জানিব পৰামতে যোৱা নিশা কুমাৰীকাটাৰ ভাংবাৰী নিবাসী মৃত গোপীনাথ নাৰ্জাৰীৰ 39 বছৰীয়া পুত্ৰ দৈমালু নাৰ্জাৰীয়ে তেওঁৰ বন্ধু কৰ্ণৰ সতে নিজৰ দুচকীয়া নতুন বাহন বুলেটেৰে তামুলপুৰ অভিমুখে গৈ থাকোতে বিপৰীত দিশৰ পৰা আহি থকা এখন ৰোলাৰৰ সতে মুখামুখি সংঘৰ্ষ হয়। সংঘৰ্ষত বাইকৰ চালক দৈমালু গুৰুতৰ ভাৱে আহত হয় ।পিছত স্থানীয় লোকে দৈমালু ক কুমাৰীকাটা ৰাজ্যিক চিকিৎসালয়লৈ লৈ যায় যদিও আঘাত গুৰুতৰ হোৱাত চিকিৎসকে লগে লগে উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে আৰু চিকিৎসাধীন অৱস্থাতে তেওঁ আজি মৃত্যুক সাৱটি লয়। ইপিনে ভাংবাৰীত এই ঘটনাৰ পূৰ্বে এখন চলন্ত চাৰিচকীয়া বাহনে খুন্দিয়াই পাকৰীবাৰী গাঁৱৰ ৰমেশ বসুমতাৰী(40 )নামৰ এজন যুৱকক গুৰুতৰ ভাৱে আহত কৰে।

## সোণতলীৰ সৰু আৰিকাটিত ভয়াৱহ অগ্নিকাণ্ড

### লক্ষাধিক টকাৰ সা-সম্পত্তি ভস্মীভূত



**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণতলী, ৮ ডিচেম্বৰ ঃ** দক্ষিণ কামৰূপ জিলাৰ বকো বিধানসভা সমষ্টিৰ অন্তৰ্গত সৰু আৰিকাটিত আজি সংঘটিত হোৱা এক ভয়াৱহ অগ্নিকাণ্ডত লক্ষাধিক টকাৰ সা-সম্পত্তি ভস্মীভূত হয় । প্ৰাপ্ত বাতৰি মতে, সোণতলী আৰক্ষী চকীৰ অন্তৰ্গত সৰু আৰিকাটি গাঁও নিৱাসী ছাইজুদ্দিনৰ পুত্ৰ শ্বাহা আলীৰ ঘৰত আজি দিনৰ এক বজাত বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলত এক ভয়াৱহ অগ্নিকাণ্ড সংঘটিত হয় । পিছত পৰিয়ালৰ লোকৰ লগতে স্থানীয় ৰাইজৰ তৎপৰতাৰে জুই নিৰ্বাপন কৰিবলৈ সক্ষম হয় যদিও শ্বাহা আলীৰ এটা ঘৰ সম্পূৰ্ণৰূপে ভস্মীভূত হয় । বৈদ্যুতিক শ্বৰ্টচাৰ্কিট হৈ অকস্মাতে সংঘটিত হোৱা অগ্নিকাণ্ডৰ ফলত পৰিয়ালটোৰ এটা ঘৰ, ধান-চাউলৰ লগতে লক্ষাধিক টকাৰ সা-সম্পত্তিৰ উপৰি গুৰুত্বপূৰ্ণ নথি-পত্ৰ সম্পূৰ্ণৰূপে জুইত জাহ যায়।

## লেখা বিচাৰি আহ্বান

অসম বিধানসভাৰ নিৰ্বাচন সমাগত। ধৰ্মীয় মেৰুকৰণৰ ৰাজনীতি, বিভিন্ন চৰকাৰী আঁচনি ৰূপায়ণৰ নামত দুৰ্নীতিৰ মুকলি বজাৰ, ৰাজ্যৰ যুৱক-যুৱতীসকললৈ নিযুক্তিৰ বিষয়টো গাপ দি অন্য লোভনীয় আঁচনিৰ প্ৰচাৰ, ছাত্ৰীসকলক স্কুটী প্ৰদান আদিৰে শাসকীয় দলৰ নিৰ্বাচন জিকাৰ ৰণকৌশল আৰম্ভ হৈছে। কিন্তু অসমৰ সামগ্ৰিক উন্নয়ন হৈছেনে? দুৰ্নীতি, নিযুক্তিৰ কেলেংকাৰি, বিভিন্ন পৰীক্ষাৰ কেলেংকাৰিৰ ভৰত চৰকাৰৰ শূন্য সহনশীল নীতিৰ সাৰ্থকতা প্ৰকৃততে প্ৰতিফলিত হৈছেনে? আগন্তুক নিৰ্বাচনত যুৱ-প্ৰজন্মৰ ভূমিকা কেনে হ'ব, কেনে হোৱা উচিত আৰু কাৰ পক্ষত ভোটদান কৰিব সেই সম্পৰ্কত আপোনাৰ মতামত আগবঢ়াব পাৰে।

**মতামত প্ৰেৰণৰ ঠিকনা ঃ**

e-mail- editordbarta@gmail.com যোগে বা দৈনন্দিন বাৰ্তা, জি এন বি ৰোড, চানমাৰি কলনি, গুৱাহাটী-৩।

**ৰাজ্যৰ নিবনুৱাক উপকৃত - কৰ্মসংস্থাপনমুখী কৰাৰ লক্ষ্য চৰকাৰৰ**

## মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য পৰিবহণ আঁচনিৰ অধীনত বৰপেটাত ১৮খন যাত্ৰীবাহী বাহন বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ৮ ডিচেম্বৰ ঃ** ৰাজ্যৰ নিবনুৱাক কৰ্মসংস্থাপন দিয়াৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে লৈছে এক অভিনৱ উদ্যোগ। গ্ৰামাঞ্চলৰ সুচল যাতায়াত আৰু স্বাৱলম্বনৰ এক নতুন দিশ উন্মোচিত কৰাৰ প্ৰয়াসেৰে চৰকাৰে হাতত লৈছে "মুখ্যমন্ত্ৰীৰ গ্ৰাম্য পথ পৰিবহণ" আঁচনি। ৰাজ্যৰ লগতে বৰপেটা জিলাতো ২১জন নিৰ্বাচিত নিবনুৱা যুৱক-যুৱতীৰ মাজত পঞ্জীয়নভুক্ত তিনি আৰু চাৰিচকীয়া লঘু যান-বাহন আজি বিতৰণ কৰে। আঁচনিখন আজি বৰপেটা জিলাত আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বৰপেটা সদৰ সমষ্টিৰ বিধায়ক গুণীন্দ্ৰ নাথ দাসে। গাড়ীসমূহৰ ভিতৰত আছে মাৰুতী এল্টো ৮০০ কাৰ, ইকো ভান, মেজিক, ই-ৰিক্সা, অটোৰিক্সা ইত্যাদি। ইয়াৰ বাবে অসম চৰকাৰে গাড়ীখনৰ দৰৰ ২৫ শতাংশ অথবা সৰ্বাধিক এক লাখ টকা ৰাজসাহায্য হিচাপে প্ৰদান কৰিছে। ৰাজ্যৰ ১০ হাজাৰখন গাঁৱৰ ১০ হাজাৰজন নিবনুৱাক সংস্থাপনৰ লক্ষ্য লৈছে ৰাজ্য চৰকাৰে। উল্লেখ্য যে বৰপেটাত ৰাজ্য চৰকাৰে পৰিবহণ বিভাগৰ জৰিয়তে ৮৫০জন নিবনুৱাক





সংস্থাপনৰ লক্ষ্য গ্ৰহণ কৰিছিল। সেই উপলক্ষে বৰপেটা জিলা পুথিভঁৰাল চৌহদত আয়োজিত এখন ৰাজহুৱা সভাত দিয়া ভাষণত বিধায়ক গুণীন্দ্ৰ নাথ দাসে কয় যে, এই গাড়ীবোৰ হিতাধিকাৰীসকলে ভাৰালৈ নিদি নিজে চলালে নিজৰ লগতে গ্ৰাম্য অৰ্থনীতিৰ বিকাশতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। তেওঁ প্ৰকৃত নিবনুৱা যুৱক-যুৱতীসকলক আঁচনিখনৰ সুবিধা গ্ৰহণ কৰাৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। সভাত দিয়া ভাষণত জিলা উপায়ুক্ত মুনীন্দ্ৰ শৰ্মাই কয় যে, এই আঁচনিখন বৰ্তমান চৰকাৰৰ এখন অন্যতম সুচিন্তিত জনমুখী আঁচনি, যাৰ দ্বাৰা মূলতঃ দুটাকৈ অভিলাষী লক্ষ্য পূৰণ কৰিব বিচৰা হৈছে। গ্ৰামাঞ্চলৰ পথ-যাতায়াত সুচল কৰি তোলাৰ লগতে আঁচনিখনৰ দ্বাৰা নিবনুৱাসকলক আত্মসংস্থাপনৰ সুবিধা দিব বিচৰা হৈছে। সভাত দিয়া ভাষণত অসম বিত্তনিগমৰ উপাধ্যক্ষ অনিল দাসে বৰ্তমান চৰকাৰে জাতি-ধৰ্ম-অঞ্চলনিৰ্বিশেষে সকলোৰে বিকাশৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। গাড়ীসমূহৰ ভিতৰত আছে মাৰুতী এল্টো ৮০০ কাৰ, ইকো ভান, মেজিক, ই-ৰিক্সা, অটোৰিক্সা ইত্যাদি। ইয়াৰ বাবে অসম চৰকাৰে গাড়ীখনৰ দৰৰ ২৫ শতাংশ অথবা সৰ্বাধিক এক লাখ টকা ৰাজসাহায্য হিচাপে প্ৰদান কৰিছে। ৰাজ্যৰ ১০ হাজাৰখন গাঁৱৰ ১০ হাজাৰজন নিবনুৱাক সংস্থাপনৰ লক্ষ্য ৰাজ্য চৰকাৰৰ। উল্লেখ্য যে বৰপেটাত ৰাজ্য চৰকাৰে পৰিবহণ বিভাগৰ জৰিয়তে ৮৫০জন নিবনুৱাক সংস্থাপনৰ লক্ষ্য গ্ৰহণ কৰিছিল। ভাৰপ্ৰাপ্ত জিলা পৰিবহণ বিষয়া হিমাংশু দাসে উদ্দেশ্য ব্যাখ্যা কৰা সভাত জিলা উন্নয়ন আয়ুক্ত দিগন্ত দাস, অসম শক্তি উৎপাদন প্ৰতিষ্ঠানৰ অন্যতম সঞ্চালক শংকৰ চন্দ্ৰ দাস, অসম ঔদ্যোগিক উন্নয়ন প্ৰতিষ্ঠানৰ উপাধ্যক্ষ জিতু তালুকদাৰ, অতিৰিক্ত উপায়ুক্ত দুলাল দেৱনাথ, জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মা, বৰপেটা জিলা শ্ৰমিক ইউনিয়নৰ সভাপতি ৰাধিকা মোহন দাস, বিশিষ্ট সমাজকৰ্মী হেমন্ত দেউৰী আৰু নৱ কুমাৰ দাস বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে।

## হোজাইত ব্ৰাউন ছুগাৰ জব্দ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হোজাই, ৮ ডিচেম্বৰ ঃ** হোজাই আৰক্ষীৰ বৃহৎ সাফল্য, হোজাই থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া গৌতম কুমাৰৰ নেতৃত্বত যোৱা এটি আৰক্ষীৰ দলে উত্তৰ বিদ্যানগৰৰ পৰা জব্দ কৰিবলৈ সক্ষম হয় ব্ৰাউন ছুগাৰ। উত্তৰ বিদ্যানগৰৰ ৰীণা মণ্ডলৰ গৃহৰ পৰা জব্দ কৰা হয় ব্ৰাউন ছুগাৰৰ লগতে সৰবৰাহকাৰী ৰীণা মণ্ডল আৰু কনক মণ্ডল নামৰ দুগৰাকী মহিলাক আটক কৰিবলৈ সক্ষম হয় হোজাই আৰক্ষীয়ে। জব্দ কৰা ব্ৰাউন ছুগাৰখিনিৰ মূল্য লক্ষাধিক টকা হ'ব বুলি জানিব পৰা গৈছে। ঘটনা সংক্ৰান্তত হোজাই আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

**NOTICE INVITING TENDER FOR FESH AND RESALE OF TIMBER LOT UNDER DIGBOI FOREST DIVISION**

It is for general information to all concerned that tender for resale of timber lots under Digboi Forest Division has been fixed on 08/01/2021 upto 3 P.M.(I.S.T.). In case of the office remain closed on that day.for any reason; the next working day shall be fixed as the date of receiving tender. The intending tenderer may collect the detailed Sale Notice from the office of the undersigned during working hours on payment of Rs. 50.00 (Rupees fifty) only and Rs. 5.00 (Rupees five) for each copy of tender Form, which are non refundable.

Sd/-
Divisional Forest Officer
Digboi Division, Digboi

Janasanyog/C/7835/20

## এন এইচ এম কৰ্মচাৰী সন্থাৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৮ ডিচেম্বৰ ঃ** ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ কৰ্মচাৰী সন্থাৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা যোৱা ২৯ নৱেম্বৰ ২০২০ তাৰিখে জাগীৰোডস্থিত নখোলা আদৰ্শ চিকিৎসালয়ত অনুষ্ঠিত হৈ যায়। সভাৰ আৰম্ভণিতে প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ মৃত্যুৰ বাবে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ কৰ্মচাৰী সন্থাই গভীৰ শোক প্ৰকাশ কৰে আৰু তেওঁৰ আত্মাৰ সদ্‌গতিৰ বাবে ১ মিনিট সময় মৌন প্ৰাৰ্থনা আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। সন্থাৰ সভাপতি ডাঃ মলয় দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সভাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ৰাজীৱ শইকীয়াই। বৰ্তমান সময়ত কৰ্মচাৰীসকলৰ কল্যাণৰ বাবে বিভাগীয়ভাৱে স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ তৎপৰতাত যিসমূহ আঁচনি প্ৰস্তুত হৈছে তাৰ বিষয়ে সভাত বিশেষভাৱে আলোচনা কৰা হয় আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিান অসমৰ কৰ্মচাৰী সন্থাই ইয়াক আদৰণি জনায়। অগ্ৰগতি লাভ কৰা কামসমূহ যাতে সুচাৰুৰূপে হয় আৰু অতি কম সময়ৰ ভিতৰত সমাপন হয় তাৰ প্ৰতি দৃষ্টি ৰাখিবৰ বাবে সভাই সন্থাৰ সভাপতি আৰু সম্পাদকক আহ্বান জনায়। লগতে কৰ্মচাৰীসকলৰ ভৱিষ্যত পৰিকল্পনাৰ বিষয়ে কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰি কেন্দ্ৰীয়ভাৱে স্বাস্থ্যমন্ত্ৰীগৰাকীলৈ এখন অভিৱৰ্তন অনুষ্ঠিত কৰাৰ বাবে সভাই সিদ্ধান্ত গ্ৰহণ কৰে। লগতে জিলা সমিতিসমূহ পুনৰ গঠন কৰাৰ বিষয়ত গুৰুত্ব দি কেন্দ্ৰীয় প্ৰতিনিধিৰ উপস্থিতিত ডিচেম্বৰ মাহত একোখনকৈ সভা অনুষ্ঠিত কৰিবৰ বাবে ১০ খন জিলাক নিৰ্দেশ দিয়া হয়। মৰিগাঁও জিলা সমিতিৰ উদ্যোগত আৰু জাগীৰোড নখোলা আদৰ্শ চিকিৎসালয়ৰ সহযোগত অনুষ্ঠিত হোৱা সভাখনত অসমৰ প্ৰায় ২০খন জিলাই অংশগ্ৰহণ কৰে।

## কবি, সমাজ সংগঠক আব্দুল হাচিবৰ মৃত্যত শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, হোজাই, ৮ ডিচেম্বৰ ঃ** হোজাইৰ বিশিষ্ট সমাজ হিতৈষী, কবি, সমালোচক, সুবক্তা, হোজাই গোপালনগৰ নিবাসী আব্দুল হাছিবৰ দীৰ্ঘ অসুস্থতাৰ অন্তত কালি পুৱা নিজ বাসভৱন মৃত্যু ঘটে। তেওঁৰ বিয়োগত হোজাই জিলা সাহিত্য সভাই গভীৰ শোক প্ৰকাশ কৰিছে। জিলা সাহিত্য সভাৰ সম্পাদক অনুপ কুমাৰ বৰঠাকুৰে এক প্ৰেছ বিবৃত্তিত বিগত ২০০৪ চনত হোজাইত অনুষ্ঠিত অসম সাহিত্য সভাৰ তৃতীয় বিশেষ বাৰ্ষিক অধিৱেশনৰ আদৰণী সমিতিৰ অন্যতম উপ-সভাপতিৰূপে প্ৰয়াত হাছিব আগবঢ়োৱা অপৰিসীম সেৱাৰ লগতে এগৰাকী সাহিত্যৰসিকৰূপে তেখেতে সভাৰ সৈতে একাত্ম আছিল। প্ৰয়াত সাহিত্য সাধক গৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে কৰুণাময়ৰ ওচৰত সভাই প্ৰাৰ্থনা জনোৱাৰ লগতে বিবৃতিযোগে শোক সন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। প্ৰয়াত হাচিব দীৰ্ঘ দিনৰ পৰা দুৰাৰোগ্য কৰ্কট ৰোগত আক্ৰান্ত হৈ মুম্বাইত চিকিৎসাধীন হৈ আছিল। কিছু দিনৰ আগতে মুম্বাইৰ পৰা চিকিৎসা গ্ৰহণ কৰি হোজাইলৈ ঘূৰি আহিছিল। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬৯ বছৰ। হোজাই জাকাৰীয়া ক্লাৱৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত আব্দুল হাচিবে মৃত্যুৰ সময়ত এক পুত্ৰ দুই কন্যা তথা বহু আত্মীয়ক এৰি থৈ গৈছে। কিছু বছৰ আগতে পত্নীৰ মৃত্যু ঘটা প্ৰয়াত হাচিবৰ মৃত্যুত কৰ্মচাৰী পৰিষদ হোজাই শাখা, জমিয়ত উলেমা, মাৰ্কাজুল মা-আৰিফ, আজমল ফাউণ্ডেশ্যন, হাজি আনফৰ আলি কলেজ আদি স্থানীয় অনান্য সংগঠন সমূহেও শোক প্ৰকাশ কৰে।

**CANOPY FINANCE LIMITED**

(Formerly Known as Kartavya Udyog Viniyog Limited)
CIN: L65910AS2081PLC017921

**Registered Office:** M/s Prezens, Maniram Dewan Road, Bamunimaidan, Opp. Anuradha Cinema, Guwahati-781021; Ph: 9867309169
Website: www.canopyfinance.org; Email Id: info@ canopyfinance.org
**Corporate Office:** Shop No. 10, Shiv Dham, CHS Ltd, Satya Nagar, Malpani Complex, Borivali (West), Mumbai- 400092

Notice is hereby given that the 39th Annual General Meeting (AGM) of the Company will be held on Wednesday, the 30th day of December, 2020 at M/s Prezens Maniram Dewan Road, Bamunimaidan Opp Anuradha Cinema, Guwahati, Kamrup 781021 at 3:00 P.M.

The physical copy of the Notice convening the Annual General Meeting has been dispatched to the member on their registered address by 07/12/2020. The same has been sent by e-mail to those members who have registered their e-mail IDs with the company /Depository Participants(s) for communication purpose. Shareholders are hereby informed that the Notice of the Meeting and Annual Report are available on the website of the company www.canopyfinance.org.

Pursuant to provisions of Section 108 of the Companies Act, 2013 read with the Regulation 44 of SEBI (LODR) Regulations, 2015, the Company is providing e-voting facility to its members through the e-voting services provided by CDSL. The members holding shares either in physical form or dematerialized form, on the cut-off date i.e. Wednesday, 23rd December, 2020 may cast their vote electronically to transact the business set out in the Notice of AGM. The details of e-voting, required under Rule 20 of the Companies (Management and Administration) Rules, 2014, are given hereunder:

E-Voting commences on Sunday, 27th December, 2020 at 9.00 A.M. and ends on Tuesday, 29th December, 2020 at 5.00 P.M. Any person who becomes the members after the dispatch of the Notice and holding share as on cut -off date 23rd December, 2020 may obtain user id and password by sending a request at support@purvashare.com. E-Voting shall not be allowed after 5:00 P.M. on 29th December, 2020. The facility of voting through polling papers shall be made available at the venue of the Annual General Meeting.The members who have cast their vote by remote e-voting may attend the meeting but shall not be entitled to cast their vote again. In case you have any queries or issues regarding e-voting, the members may email at helpdesk.evoting@cdslindia.com or contact at 1800 200 5533 or contact Purva Share Registry (India) Pvt Ltd at 022- 23012518/ 6761 or email at support@purvashare.com for clarification.

NOTICE: Pursuant to the provisions of Section 91 of the Companies Act, 2013, the Register of Members and Share Transfer Books of the Company shall remain closed from December 24, 2020 (Thursday) to December 30, 2020 (Wednesday) (both days inclusive) for the purpose of Annual General Meeting.

The result of the e-voting/voting at Annual General Meeting ballot shall be declared on or before 31st December, 2020. The result, along with the Scrutinizer's Report, shall be displayed at the Registered Office of the Company and also be placed on the company's website and communicated to the Stock Exchange where Company's share are listed.

For **CANOPY FINANCE LIMITED**
**Sd/-**
**(Lalit Kumar Tapadia)**
**Managing Director**
**DIN NO. 08117881**

Place: Guwahati
Date: 07/12/2020

**শিক্ষা দানৰ সমান্তৰালভাৱে সাহিত্যৰ ক্ষেত্ৰলৈ অৱদান**

## গহপুৰৰ পূব ব্ৰহ্মাজান উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৃতী প্ৰধান শিক্ষয়িত্ৰী ৰেণু শইকীয়া বৰাক বিদায় সম্বৰ্ধনা

দৈনন্দিন বাৰ্তা:হেলেম, 8 ডিচেম্বৰঃ গহপুৰ মহকুমাৰ মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰ খনৰ অন্যতম আগশাৰীৰ শিক্ষানুষ্ঠান পূব ব্ৰহ্মাজান উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ৰেণু শইকীয়া বৰাই যোৱা 30 নৱেম্বৰত অৱসৰ গ্ৰহণ কৰাত যোৱা 4 ডিচেম্বৰত বিদ্যালয় খনৰ পৰিয়াল বৰ্গই অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী গৰাকীক আনুষ্ঠানিক ভাৱে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। এই উপলক্ষে বিদ্যালয় খনৰ প্ৰেক্ষাগৃহত বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি বীৰেন ৰাজখোৱাৰ সভাপতিত্বত এখন বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত হয় ।সভাৰ কাৰ্যসূচী অনুসৰি বিদায়ী প্ৰধান শিক্ষয়িত্ৰী গৰাকীয়ে বন্তি প্ৰজ্বলনৰে সভা খনৰ শুভাৰম্ভ কৰাৰ পিছত ছাত্ৰ সংসদৰ প্ৰধান সম্পাদিকা চন্দনা দাসে এটি বৰগীত পৰিবেশন কৰে ।বিদ্যালয় খনৰ সহকাৰী শিক্ষক যাদৱ বৰুৱাই উদ্দেশ্যে ব্যাখ্যা কৰা আৰু সহকাৰী প্ৰধান শিক্ষক মোহন দাসে আঁত ধৰা সভা খনত আদৰণী ভাষণ প্ৰদান কৰে নৱ নিযুক্ত তত্ত্বাবধায়ক প্ৰধান শিক্ষক কুশল ভূঞাই ।বিদ্যালয় খনৰ শিক্ষাৰ্থী সকলৰ লগতে একাধিক প্ৰাক্তন শিক্ষাৰ্থী, শিক্ষক গোট, পৰিচালনা সমিতি, মাতৃ গোট, মহিলা সমিতি, একাধিক অভিভাৱক তথা স্থানীয় সমাজ সেৱক উপস্থিত থকা সভা খনত বক্তব্য প্ৰদান কৰি প্ৰাক্তন কৃতী শিক্ষাৰ্থী হিমাশ্ৰী দাসে ৰেণু শইকীয়া বৰাৰ দৰে এগৰাকী শিক্ষয়িত্ৰী পোৱাটো তেওঁলোকৰ অঞ্চলটোৰ বাবে এক সৌভাগ্যৰ বিষয় বুলি মন্তব্য কৰে। বিদ্যালয় খনৰ কাৰ্যালয় সহায়ক অজিত স্বৰ্গীয়াৰীয়ে নিজৰ বক্তব্যত তেওঁৰ জীৱনৰ উত্তৰণত জিলা ভিত্তিত কৃতী শিক্ষয়িত্ৰীৰ বঁটা লাভ কৰোতা আৰু একাধিক গ্ৰন্থৰ লেখিকা ৰেণু শইকীয়া বৰাৰ প্ৰেৰণা তথা অৰিহণা অপৰিসীম বুলি মন্তব্য কৰি অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী গৰাকীৰ প্ৰতি



আনুষ্ঠানিক ভাৱে কৃতজ্ঞতা প্ৰকাশ কৰে। স্থানীয় সমাজ সেৱক ক্ৰমে শুক্ল বৰুৱা, ৰাতুল কটকী, মোহন দাস, লেখিকা পুতুমণি বৰুৱা আদিয়ে নিজৰ নিজৰ বক্তব্যত 1983 চনতে ভেঞ্চাৰ অৱস্থাত থকা বিদ্যালয় খনত যোগদান কৰি বৰঙাবাৰীৰ পৰা খোজকাঢ়ি আহি পাঠ দান কৰাৰ লগতে বিদ্যালয় খনৰ আন্তঃগাথনিৰ উন্নয়ন, শৈক্ষিক অগ্ৰগতি আৰু প্ৰাদেশীকিকৰণৰ ক্ষেত্ৰত ৰেণু শইকীয়া বৰাই আগবাঢ়োৱা ত্যাগ, কষ্ট, আদৰ্শ তথা অৱদানৰ বিষয়ে উল্লেখ কৰি অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী গৰাকীৰ প্ৰতি অশেষ কৃতজ্ঞতা জ্ঞাপন কৰে। গাম্ভীৰ্য পূৰ্ণ সভা খনত গুৰুত্ব পূৰ্ণ বক্তব্য প্ৰদান কৰি বিশ্বনাথ জিলা লেখিকা সমাৰোহ সমিতিৰ উপ সভানেত্ৰী তথা পূব ডুবিয়া হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী কিৰণ ভড়ালী বৰুৱাই ৰেণু শইকীয়া বৰাক এগৰাকী সম্পূৰ্ণ ৰূপে সফল মহিলা হিচাবে অভিহিত কৰি তেখেতে নিজস্ব দক্ষতাৰ বাবেই এখন শিক্ষানুষ্ঠানৰ প্ৰধান শিক্ষয়িত্ৰীৰ দায়িত্ব কৃতিত্বৰে পালন কৰাৰ সমান্তৰালভাৱে বিশ্বনাথ জিলা লেখিকা সমাৰোহ সমিতিৰ উপৰিও কনকলতা শাখা লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকাৰ দায়িত্ব নিষ্ঠাৰে পালন কৰি সাহিত্যৰ ক্ষেত্ৰ খনলৈয়ো অৱদান আগবঢ়াবলৈ সমৰ্থ হৈছে বুলি মন্তব্য কৰে। একেদৰে বিশ্বনাথ জিলা লেখিকা সমাৰোহ সমিতিৰ আন এগৰাকী উপ সভানেত্ৰী তথা বিদ্যালয় খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী বীণা ৰাজখোৱাই নিজৰ চমু বক্তব্যত ৰেণু শইকীয়া বৰাৰ বিভিন্ন বিষয়ৰ দক্ষতাৰ শলাগ লয়। শিক্ষক গোটৰ হৈ যতিন বৰা, যাদৱ বৰুৱা, ত্ৰৈলোক্য বৰা, ৰবী পাটোৱাৰী ভূঞা, মৌচুমী ৰাজখোৱা, মানস প্ৰতীম সন্দিকৈ, শিক্ষয়িত্ৰী মাধবী দৈমাৰী, প্ৰাক্তন শিক্ষাৰ্থী ৰুহিত দৰ্জী, বীৰেন্দ্ৰ দাস আদিৰ লগতে অৱসৰ প্ৰাপ্ত শিক্ষক বকুল হাজৰিকা, কাৰ্যালয় সহায়ক বদন বৰুৱা, প্ৰাক্তন শিক্ষাৰ্থী লক্ষ্যজিত বৰা , ৰাণু কটকী, বৰ্তমানৰ শিক্ষাৰ্থী চন্দনা দাস, প্ৰণামী ৰাজখোৱা, মাইনা দাস, চয়নিকা গোহাঁই আদিয়ে চমু বক্তব্যৰে অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী ৰেণু শইকীয়া বৰাৰ অৱদানৰ শলাগ লৈ কৃতজ্ঞতা জ্ঞাপন কৰে । ইয়াৰ পিছতে বিদ্যালয় খনৰ শিক্ষক গোট, পৰিচালনা সমিতি, মাতৃ গোটৰ উপৰিও ষষ্ঠৰ পৰা দশমলৈ প্ৰতিটো শ্ৰেণী, মহিলা সমিতি, সৃষ্টি লেখিকা সমাৰোহ সমিতি, একাধিক শিক্ষক- শিক্ষয়িত্ৰী, অভিভাৱক আৰু প্ৰাক্তন শিক্ষাৰ্থীয়ে অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী ৰেণু শইকীয়া বৰাক সুকীয়া সুকীয়াকৈ এক গাম্ভীৰ্য পূৰ্ণ সম্বৰ্ধনা কাৰ্যসূচীৰ জৰিয়তে সম্বৰ্ধনা জ্ঞাপন কৰি তেখেতৰ অৱসৰী জীৱনৰ পূৰ্ণ সক্ৰিয়তা কামনা কৰে। সভাৰ অন্তত সকলোৱে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী গৰাকীক নিজৰ বাসগৃহলৈ আগবঢ়াই নিয়ে। নিজৰ বাসগৃহত অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী গৰাকীয়ে স্বামী তথা বিশ্বনাথ জিলা সাহিত্য সভাৰ সভাপতি গোলাপ বৰা, পুত্ৰ অভিযন্ত হেমেন বৰা, জীয়ৰী কংকনা বৰা, ভাতৃ জিতু শইকীয়া, মিন্টু শইকীয়া, ভগ্নী কৰুণা ৰাজখোৱাৰ লগতে অন্যান্য পৰিয়াল বৰ্গ আৰু ওচৰ চুবুৰীয়াৰ সহযোগত সকলোকে গামোচা, কলম প্ৰদান কৰি সেৱা - সম্বৰ্ধনা তথা কৃতজ্ঞতা জ্ঞাপন কৰে।

Affordable Health Mission
GNRC
Quality• Value• Trust

**আমাৰ চিকিৎসা বিভাগসমূহৰ সেৱা**
**সদায় উৎকৃষ্টমানৰ**

**উচ্চমানৰ চিকিৎসা সেৱা আমাৰ বাবে এক সামাজিক দায়বদ্ধতা।**

অসংখ্য ৰোগীৰ প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি
**জি এন আৰ চি দিছপুৰত সংযোজন কৰা বিভাগকেইটা হ'ল-**

অস্থি ৰোগ বিভাগ
পেইন ক্লিনিক
শ্বাসজনিত ৰোগ বিভাগ
মূত্ৰ ৰোগ বিভাগ

অধিক তথ্যৰ বাবে যোগাযোগ কৰক
1800 345 0022 (ট'ল ফ্ৰি)

জি এন আৰ চি হাস্পতাললৈ বিনামূলীয়া এম্বুলেঞ্চ সেৱা
1800 345 0011 (ট'ল ফ্ৰি)

দৈনন্দিন বাৰ্তা
সম্পাদকীয়
৯ ডিচেম্বৰ ■ ২০২০ ■ ২৩ আঘোণ ■ গুৱাহাটী

## বিজেপি আৰু বিৰোধীৰ অনৈক্য

অসমত নিৰ্বাচনী বতৰৰ অধিক তৎপৰতাৰে আগবাঢ়িছে। শাসক দল বিজেপিয়ে অধিক পূৰ্বৰে পৰা ৰাজ্যজুৰি নিৰ্বাচনী অভিযান চলোৱা পৰিলক্ষিত হৈছে। এই দলে প্ৰতিদিনে নতুন নতুন কাৰ্যসূচীলৈ তৃণমূলৰ পৰা ৰাজ্যিক পৰ্যায়লৈ সকলো সদস্যকে সংক্ৰিয় কৰি ৰাখিছে। এই দলটোৱে সদস্যভৰ্তি অভিযান, ভোটাৰক ব্যক্তিগতভাৱে লগ কৰাৰ কাৰ্যসূচী গ্ৰহণ কৰি সেইবোৰ ৰূপায়নৰ ক্ষেত্ৰত লোৱা মতামতৰ পৰিৱেশ গঢ়ি তুলিছে। পুনৰ ক্ষমতা হস্তগত কৰাৰ ক্ষেত্ৰত দলটোৱে এনে অভিযান কৰাটো আন এটা কৌশল। দলটোৱে মুখ্যমন্ত্ৰ, সভাপতি, মন্ত্ৰীৰ পৰা তৃণমূললৈ সকলো সদস্যকে এই অভিযানত জড়িত কৰি আহিছে। আনহাতে দেশৰ বিৰোধী দলে ইয়াক প্ৰতিৰোধ কৰিবলৈ তেনে বিশেষ কোনো কাৰ্যসূচী লোৱা নাই। এই ক্ষেত্ৰত প্ৰধান বিৰোধী দল কংগ্ৰেছ দলীয় বাবত ব্যস্ত আছে। বিশেষকৈ সভাপতি ৰিপুন বৰাক আঁতৰাব পৰাটোহে প্ৰধান লক্ষ্য। তেওঁলোকে বৰাক আঁতৰাব পাৰিলেহে বিজেপিক পৰাভূত কৰিব পাৰিব। বিজেপিৰ দৰে সাম্প্ৰতিক কালৰ মহা পৰাক্ৰমী দলটোৰ বিৰুদ্ধে যুঁজ দিবলৈ কংগ্ৰেছক কি ধৰণৰ শক্তি সঞ্চয়ৰ প্ৰয়োজন সেই কথা পোন্ধৰ বছৰ ধৰি শাসনৰ গাদীত বহি থকা সকলে বুজিব পৰা নাই। এইসকল কংগ্ৰেছীয়ে দলীয় সংগঠন শক্তিশালী কৰাই নহয় বিৰোধীক এক গোট কৰাতো তেওঁলোক ব্যৰ্থ। এনে ক্ষেত্ৰত নিৰ্বাচনীলৈ কেইমাহ মান থকা অৱস্থাত বিৰোধীৰ স্থিতি দুৰ্বল কৰিব পৰা নাই। কাৰণ দিন যোৱাৰ লগে লগে এই বিষয়টোৱে অনিশ্চয়তাৰহে সৃষ্টি কৰিছে। এই কথা বাখ্যাৰ প্ৰয়োজন নাই যে যিকোনো ৰাজনৈতিক পদক্ষেপ গ্ৰহণৰ ক্ষেত্ৰত বিভিন্ন বাধাৰ সৃষ্টি হ'ব পাৰে। কিন্তু তাক অতিক্ৰম কৰি নিৰ্ভুল ৰণকৌশল প্ৰস্তুতেৰে ৰাইজৰ কাষ চাপি যোৱাই সফল নেতৃত্বৰ চানেকি। অথচ বিৰোধীত এনে কোনো নেতাই নাই যিয়ে ৰাইজৰ মন আকৰ্ষণ কৰিব পাৰিব। এই দুই বিৰোধী দলৰ উপৰি আন যিবোৰ দল কম বেছি পৰিমাণে ৰাজ্যত সক্ৰিয় হৈ আছে আৰু যিবোৰ দিন নতুনকৈ ভুমুকি মাৰিছে সেই সকলোবোৰৰ সৈতে মুকলি আলোচনাত বিলিন হৈ এক শক্তিশালী বিকল্প ৰাইজৰ সন্মুখত দাঙি ধৰিব নোৱাৰিলে অহা নিৰ্বাচনত বিজেপিক প্ৰতিৰোধ কৰাটো সম্ভৱপৰ নহ'ব। বিৰোধী দলসমূহে উপযুক্ত বিকল্প সৃষ্টি নকৰি যদিহে বিজেপিৰ প্ৰতি অসন্তুষ্ট হৈ ৰাইজে তেওঁলোকক সমৰ্থন দিব বুলি আশা পালি ৰৈ থাকে তেন্তে সেয়া মুৰ্খৰ স্বাৰ্থত বাস কৰাৰ লেখিয়াহে হ'ব যে তাত কোনো সন্দেহৰ অৱকাশ নাই।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### প্ৰসংগ ঃ কৃষক আন্দোলন

টান মাৰি বোল্ডাৰ পেলাই দিলে। তাৰ পিছত সজাই দিয়া হ'ল বেৰিকেড। বেৰিকেড উৰি গৈ পৰিল নদীত। শাৰীবদ্ধ ট্ৰাকেৰে ৰাস্তা বন্ধ কৰাৰ চেষ্টা ব্যৰ্থ হ'ল। ট্ৰে''ৰবিলাক আগুৱাই গ'ল। ন'লসকলৰ কায়দাত ৰাষ্ট্ৰীয় ঘাইপথ কাটি দিলে পুলিচে। যাতে বিক্ষোভকাৰী কৃষকসকলৰ ট্ৰে''ৰবিলাক আগবাঢ়িব নোৱাৰে। কিন্তু হায়/ সেই ৰাস্তা মুহূৰ্তত মাটি পেলোৱাত সুগম হৈ গ'ল। প্ৰচণ্ড ঠাণ্ডাৰ মাজতো কন্দুৱা গেছ নিক্ষেপ কৰিও বিক্ষোভকাৰী সকলৰ গতি স্তব্ধ কৰিব নোৱাৰিলে। যেনেদৰে নাচোৰবান্দা দিল্লী আৰক্ষী, তেনেদৰে কৃষকসকলো নিজৰ দাবীত অটল। এই শীততো জ্বলিছে ৰাজধানী, ৰাজপথত স্বতঃস্ফূৰ্ত বিপ্লব।

মোদিৰ আশ্বাসো কাম অহা নাই। কেন্দ্ৰীয় চৰকাৰে কৃষকসকলক বন্দী কৰিবলৈ অৰবিন্দ কেজৰিওৱালৰ ওচৰত সাতখন ষ্টেডিয়াম বিচাৰিছিল। তেওঁলোকে দিবলৈ অস্বীকাৰ কৰে। তেওঁলোক কৃষকসকলৰ প্ৰতি সহানুভূতিশীল। দীৰ্ঘদিনৰ বিজেপি মিত্ৰদল শিৰোমণি আকালি দলেও কৃষকসকলক সমৰ্থন কৰিছে। তেওঁলোকে ত্যাগ কৰিছে মন্ত্ৰীত্বৰ লোভ। ইমানদিনৰ বন্ধু বিজেপি পৰিচালিত এনডিএ এৰিছে। কেন্দ্ৰীয় চৰকাৰক দিল্লীৰ আম আদমি পাৰ্টিয়ে মনত কৰি দিছে, সংবিধানৰ 19 ধাৰাত শান্তিপূৰ্ণ গণতান্ত্ৰিক প্ৰতিবাদক স্বীকৃতি দিয়া হৈছে।

নৰেন্দ্ৰ মোদি আৰু তেওঁৰ দলে ছয়বছৰে বাৰেবাৰে সংবিধান অৱমাননা কৰিছে। নহ'লে তেওঁলোকে কৃষকসকলৰ প্ৰতিবাদ মিছিলক পুলিচেৰে স্তব্ধ কৰাৰ প্ৰাণপণ চেষ্টা নকৰিলেহেঁতেন। শ্বাহিনবাগৰ মহিলাসকলৰ শান্তিপূৰ্ণ সহাবস্থানক স্বাগত জনালেহেঁতেন। কিন্তু সেয়া কৰা নাই বৰঞ্চ তেওঁলোকক দেশদ্ৰোহী বুলি কৈছিল। আচলতে বিৰোধী কণ্ঠ তেওঁলোকে ভাল নাপায়। নহ'লে কোনোৱে ভাবিব পাৰিলেহেঁতেননে ষ্টেডিয়ামক জেল বনাই দেশৰ অন্নদাতা কৃষকসকলক তাত ভৰোৱাৰ কথা/ তেওঁ কি কনচেনট্ৰেশন কেম্প বনোৱাৰ কথা ভাবিছিল? নাগৰিকত্ব বিলৰ সময়ত অসমৰ এনে বহু ষ্টেডিয়ামত কেম্প তৈয়াৰ কৰা হৈছিল। ষ্টেডিয়াম দেখিলেই তেওঁলোকৰ কনচেনট্ৰেশন কেম্পৰ কথা মনত পৰে? অমিত শ্বাহ আৰু নৰেন্দ্ৰ মোদিয়ে জনা উচিত, কৃষকসকল বিচাৰত অপৰাধী হ'ব পাৰে কিন্তু সন্ত্ৰাসবাদী নহয়। শান্তিপূৰ্ণ আন্দোলন কৰাৰ অধিকাৰ প্ৰতিজন ভাৰতীয় নাগৰিকৰে আছে। সেই অধিকাৰ হৰণ কৰাৰ অধিকাৰ গণতান্ত্ৰিক কোনো চৰকাৰৰ নাই। ভাৰতে দেখিছে তেভাগা আন্দোলন, মহাৰাষ্ট্ৰই দেখিছে দলিত, কৃষকসকলৰ আন্দোলন। তথাপি কোনো প্ৰশাসনে শিক্ষা লোৱা নাই।

বিজেপিৰ সকলোতকৈ ডাঙৰ শত্ৰু কৃষক, দলিত, মুছলিমসকল। সেয়া নহ'লে কৃষকৰ প্ৰতিবাদ বন্ধ কৰিবলৈ পুলিচে ইমান বৰ্বৰতা নেদেখুৱালেহেঁতেন? আজি এজন কৃষকৰ প্ৰাণ গৈছে কাইলৈ যদি পুলিচে গুলী চলায় তেন্তে শত কৃষকৰ প্ৰাণ যাব। প্ৰতিদিনে ভাৰতবৰ্ষত গড়ে 18 জন কৃষকে আত্মহত্যা কৰে। এই অৱস্থাত যিমান প্ৰাণ যাব সিমান সবল হ'ব প্ৰতিবাদ। ইয়াৰ পিছত হয়তো বিক্ষোভকাৰী কৃষকসকলে সংসদ ভৱন ঘেৰাও কৰিব। এই সকলোবোৰৰ মূল প্ৰধানমন্ত্ৰীৰ ভ্ৰান্ত নীতি। দুৰ্ভাগ্যৰ বিষয়, তেওঁ এই মুহূৰ্তত অপ্ৰতিৰোধ্য। আলু, পিয়াঁজৰ দাম আকাশলংঘী হৈছে। অথচ কৃষকৰ অৱস্থা তথৈবচ।

কৃষক আইন মানিবলৈ ৰাজী নহয় ভাৰতবৰ্ষৰ কৃষকসকল। সেয়ে তেওঁলোক আজি ৰাজপথত। উত্তৰ ভাৰত বিশেষ কৰি হাৰিয়ানা, পাঞ্জাৱৰ অধিকাংশ লোক কৃষিজীৱী। নতুন কৃষি আইনে তেওঁলোকৰ জীৱিকাৰ ওপৰত আঘাত হানিছে। তেওঁলোক কেনেকৈ বহি থাকিব? নিশ্চয় নাথাকে। 26 নৱেম্বৰত কৃষি নীতিক লৈ বাঁওপন্থীসকলৰ বন্ধ তেনেভাৱে সফল হোৱা নাই।

27 নৱেম্বৰত এই একেই বিষয়ে আন্দোলন নিশ্চিতভাৱে ৰাজধানীত সফল। ভাৰত কৃষিপ্ৰধান দেশ, কৃষকসকল ভাৰতবৰ্ষৰ অন্যতম ভিত্তি। সেয়ে চৰকাৰৰ উচিত কৃষকসকলৰ কথা শুনা নহ'লে পিছত পস্তাব লাগিব।

■ মুহাম্মাদ ফাৰুক আব্দুল্লাহ নূৰী
ফোন ঃ ৯৯৫৭৩১০৪৩৬

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**
'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

# মেলামাটি জামাত আদৰ্শ হওঁক



■ অমল চন্দ্ৰ কোঁৱৰ

যোৰহাট জিলাৰ তিতাবৰৰ মেলামাটি জামাত সমিতিয়ে নিষিদ্ধ কৰিলে নিজামুদ্দিন জামাতক। কাৰণ সকলোৱে জানে। নিজামুদ্দিনৰ পৰা জামাত কৰি অহা লোকসকলে অসমত সংক্ৰমিত কৰিলে মৰাত্মক কৰোণা ভাইৰাছ। যাৰ বাবে অসমত এতিয়া মুছলমান ধৰ্মালম্বীৰ লোকসকল অন্য ধৰ্মৰ লোকসকলৰ পৰা কিছু আঁতৰি থাকিবলৈ বাধ্য হৈছে। অৱশ্যে সকলো মুছলমান ধৰ্মৰ লোকে নিজামুদ্দিনত জামাত কৰিবলৈ যোৱা নাই। বা সকলো মুছলিম ইয়াৰ বাবে জগৰীয়াও নহয়। সেয়েহে মেলামাটিৰ জামাত কমিটিয়ে দেশ আৰু জাতিৰ স্বাৰ্থত, মানৱ জাতি ৰক্ষাৰ স্বাৰ্থত নিজামুদ্দিন জামাত নিষিদ্ধ কৰিলে। তেওঁলোকে কোৱামতে মেলামাটিৰ জামাতৰ পৰা কোনো ব্যক্তি নিজামুদ্দিনলৈ জামাতৰ বাবে যাব নোৱাৰিব আৰু মেলামাটি জামাতলৈও বাহিৰৰ কোনো লোকো জামাত কৰিবলৈ আহিব নোৱাৰিব। ই একেবাৰেই সময়োপযোগী, এক দূৰদৰ্শী সিদ্ধান্ত। আমি আশা কৰিছো ৰাজ্যৰ জাতিৰ এই সন্ধিক্ষণত অসমৰ প্ৰতিটো জামাত বা মছজিদ কমিতিয়েই নিজামুদ্দিন জামাত নিষিদ্ধ কৰা উচিত।

যি সময়ত মুছলমানৰ জন্মস্থান মক্কা মদিনাৰ দুৱাৰ বন্ধ সেই সময়ত পাকিস্তান, আফগানিস্তান, ইৰাক, ইৰাণ, কাজাখাস্তান, ইচবিস্তান আদিৰ দৰে মুছলিম প্ৰধান দেশতেই লক ডাউন কৰি সকলো মছজিদ বন্ধ কৰি নিজ নিজ ঘৰতেই সকলোৱে নামাজ পঢ়িছে। সেই সময়ত ভাৰতৰ সকলো মছজিদ খোলা ৰখাৰ উদেশ্য কি? যি সময়ত বিশ্বৰ সকলো মছজিদ বন্ধ সেই সময়ত মক্কা-মদিনাতকৈও দিল্লীত নিজামুদ্দিন ডাঙৰ নেকি? ইয়াৰ দুৱাৰ খোলা যে? ধৰ্মান্ধৰ নিজামুদ্দিন জামাতৰ মৌলানা ছাহ এ বিশ্বৰ একাংশ (সকলো মুছলমান নহয়) অশিক্ষিত মুছলমান লগত কেৱল মাত্ৰ ধৰ্মৰ শিক্ষা দিয়াৰ নামত এইসকল লোকক অধৰ্মী বনালে। ঘৰত কোনো কাম-বন নথকা বিশ্বৰ কিছুমান অশিক্ষিত লোকক লৈ গঠন কৰা এই জামাতত কেৱল মাত্ৰ মানুহক কেনেদৰে ধৰ্মান্ধৰ, অন্ধবিশ্বাস আৰু ধৰ্মৰ গোড়ামী হ'ব পাৰি তাৰহে শিক্ষা প্ৰদান কৰে। নহ'লেনো বাৰো কোনোবা ৰোগীয়ে চিকিৎসালয়ত চিকিৎসা কৰি থকা চিকিৎসক, চিকিৎসা কৰ্মীলৈ থু পেলাইনে? ই কিমান গৃহীত কাম হ'ব পাৰে। ই কিমান অধম হ'ব পাৰে এবাৰ ভাবি চাওঁকচোন।

এতিয়া আহোঁ নগাওঁ জিলাৰ ধিঙৰ এ আই ইউ ডি এফৰ বিধায়ক আমিনুল ইছলামৰ কথালৈ। মই পূৰ্বতেও কেইবাটাও নিৰন্ধত এই কথা লিখিছিলো যে ধিঙৰ এই বিধায়কজন বাংলাদেশীমূলৰ। তেওঁৰ কথা বতৰাবোৰ বাংলাদেশপ্ৰেমী উচতনি মূলক আৰু সাম্প্ৰদায়িক। কথাৰ কোনো লাগ বান্ধ নাইকিয়া এই বাংলাদেশীমূলৰ বিধায়কজনে সকলো সময়তেই কেৱল মাত্ৰ সাম্প্ৰদায়িক মন্তব্যই কৰি থাকে। যাৰ বাবে অসমত সময়ে সময়ে সাম্প্ৰদায়িক সংঘৰ্ষও হৈ আহিছে। শেষতীয়াকৈ এইটো বাংলাদেশী প্ৰেমী বিধায়কে কৰোণা ভাইৰাছক লৈ উচতনিমূলক বক্তব্য প্ৰদান কৰিছিল। যাৰ পৰিপ্ৰেক্ষিতত নিজামুদ্দিনৰ পৰা অহা জামাতসকলক পলাই থাকিবলৈ তেওঁ উচতাই আছে। তেওঁ এই কৰোণা ভাইৰাছত আক্ৰান্ত লোকসকলক বিষাক্ত ইঞ্জেকছন দি হত্যা কৰিব বিচাৰিছে বুলি এক বিতৰ্কিত উচতনিমূলক বক্তব্য কৰিছিল। যাৰ বাবে সাম্প্ৰতিক অসমৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি পুলিচে গ্ৰেপ্তাৰ কৰিবলৈ বাধ্য হ'ল। এইজন বিধায়কক অৱশ্যে আৰু বহু দিনৰ পূৰ্বেই গ্ৰেপ্তাৰ কৰিব লাগিছিল। কিন্তু চৰকাৰে সেই কাম কৰা নাছিল। ৰাইজৰ প্ৰতিনিধি হৈ এনেদৰে উচতনি, দেশদ্ৰোহী, সাম্প্ৰদায়িক মন্তব্য কৰাসকলক গ্ৰেপ্তাৰ কৰি জেলত ভৰাই নথ'লে ভৱিষ্যতে অসমৰ পৰিস্থিতি আৰু ভয়ানক হ'বলৈ।

এতিয়া পুনৰ আহোঁ নিজামুদ্দিন কাণ্ডলৈ। যি নিজামুদ্দিন তবলিগি জামাত বিশ্বৰ বহু কেইখন মুছলিম প্ৰধান ৰাজ্যতে নিষিদ্ধ। তেনে সময়ত ভাৰতত নিষিদ্ধ নহয় কিয়? এই প্ৰশ্নৰ উত্তৰ আমাৰ চেকুলাৰ, বাওঁ বুদ্ধিজীৱি, জাতিৰ নামধাৰী জাতীয়তাবাদী সংগঠনবোৰে মোৰ এই নিৰন্ধ পঢ়াৰ পাছত উত্তৰ দিব বুলি আশা কৰিলো। অসমৰ প্ৰতিটো কথাকে ডিণ্ডিৰ শিৰ ফুলাই চিঞৰা এশটা জাতিৰ নামধাৰী সংগঠনে এতিয়া এই নিজামুদ্দিন তবলিগি জামাত নিষিদ্ধকৰণৰ বাবে এবাৰ মাত মাতিবনে? আছাদ মাদানিৰ লগত দিল্লীত মিটিং কৰি অসমত সেই সময়ত হৈ থকা এন.আৰ.চি. কেনেদৰে বিফল কৰিব পাৰি ব্লু প্ৰিন্ট ৰছনা কৰা আমাৰ মাননীয় বাওঁ বুদ্ধিজীৱী হীৰেন গোহাঁই, হাইদৰ হুচেইন, অজিত ভূঞা, গুপ্ত ঘাটকৰ সময়ত অসমৰ মুখ্যমন্ত্ৰীৰ প্ৰেছ উপদেষ্টা মনজিৎ মহন্ত ডাঙৰীয়া আপোনাকে এতিয়া মুখত ফেবিকুইক লগাই থৈছে যে? প্ৰতিবাদ কৰিবলৈ সাহস হ'বনে আপোনালোকৰ? নে এটা বিশেষ সম্প্ৰদায়ৰ লোকে দেশত কৰোণা বিয়পোৱাৰ বাবে আপোনালোক নিমাত? ইয়াৰ উত্তৰ বাৰু আমি কেতিয়াবা পামনে?

আনহাতে অসমৰ কেইটামান জাতিৰ নামধাৰী ভণ্ড সংগঠনে এতিয়া আকৌ আমছুৰ লগত যুটীয়াকৈ আন্দোলন কৰা দেখা গৈছে। যি আমছুৰ জন্ম ৰহস্যই হ'ল অসম আন্দোলন বিৰোধীতা কৰা। সেই আমছুক লৈ এতিয়া আমাৰ অসমীয়া কিছুমান ধুৰন্ধৰ তথা কথিত নেতাই আন্দোলন কৰাটো দুৰ্ভাগ্যজনকেই নহয় ই অতি গৰিহণাযোগ্য। কথাই প্ৰতি অসমৰ অস্তিত্বৰ কথা কোৱা নেতাসকল অসমৰ এই দুৰ্যোগপূৰ্ণ পৰিস্থিতিত আপোনালোকৰো বহু দায়িত্ব আছিল ৰাইজক সচেতন কৰা। আপোনালোকে গাঁৱে গাঁৱে কৰোণা ভাইৰাছৰ ভয়াবহতাৰ বিষয়ে সচেতন কৰাৰ বাবে এখন গোহাৰি হ'লেও বিলাব পৰিলেহেতেঁন। ৰাজপথ আন্দোলন নিজৰ সময় নষ্ট কৰাৰ লগতে ৰাইজকো অশান্তি দিয়াৰ পৰিৱৰ্তে যদি গাঁৱে গাঁৱে মাইক এটা লৈ প্ৰচাৰো যদি কৰিলেহেঁতেন তেতিয়াও ৰাইজ বহু সচেতন হ'লহেঁতেন। কিন্তু আপোনালোকে সেই কাম নকৰিলে। কাৰণ ইয়াত আপোনালোকৰ কাৰো একো লাভ নহয়। সেইবাবেই হয়টো আপোনালোকে এই কাম নকৰিলে। আপোনালোকে যদি লুকাই থকা এই নিজামুদ্দিন জামাত সকলক লুকাই থাকিলে তাৰ পৰা হ'ব পৰা ভয়াবহতাৰ বিষয়ে ক'লেহেঁতেন বা তেওঁলোকক বিচাৰি উলিওৱাত প্ৰশাসনক সহায় কৰা হ'লেও আপোনালোকক ৰাইজে বহু ভাল পালেহেঁতেন। কিন্তু সেই কাম ৰাজ্যৰ কোনো জাতিৰ নামধাৰী সংগঠনে নকৰিলে। যাৰ বাবেই আপোনালোক ৰাইজৰ পৰা এতিয়া বিচ্ছিন্ন হৈ পৰিলে। ৰাইজ আপোনালোকৰ পৰা বহু দূৰণিলৈ গ'লগৈ। এতিয়া আৰু আপোনালোক কা কা কৰি ৰাজপথত ধ্বনি দিলে হয়টো ৰাইজে পহু খেদা দিব। আপোনালোকে আৰু ৰাইজক নাপাব ৰাজপথত আন্দোলন কৰিবলৈ। আমাক এনেকোৱা জাতীয়তাবাদী সংগঠন নালাগে। লাগে হিমন্তৰ দৰে দক্ষ, দূৰদৰ্শী, নেতা। লাগে নৰেন্দ্ৰ মোডীৰ দৰে দক্ষ, দূৰদৰ্শী নেতা। আহঁক আমি চৰকাৰৰ লগত সহযোগ কৰোঁ দেশ কৰোণা মুক্ত কৰোঁ।

ফোন ঃ ৭০০২৯২৬০৭০

# আজমল ফাউণ্ডেচন



■ মাণিক চন্দ্ৰ নাথ

অসমৰ ৰাজনীতিত এতিয়া আটাইতকৈ বেছিকৈ চৰ্চিত ব্যক্তি হৈ পৰিছে বদৰুদ্দিন আজমল। এই চৰ্চাৰ মূল কাৰণটোৱে হৈছে তেওঁৰ নেতৃত্বাধীন এআইইউডিএফ নামৰ ৰাজনৈতিক দলটোক ভোটৰ যুদ্ধত অসমৰ থলুৱা লোকসকলৰ পৰা বাহিৰ কৰিব পাৰিলেহে বিজেপি দলে অসমত চৰকাৰ গঠন কৰিব পাৰিব আৰু তাৰ বিপৰীতে সেই দলটোক লৈ থলুৱা মানুহৰ মাজলৈ সুমুৱাব পাৰিলেহে বিজেপি বিৰোধী যিকোনো দল অথবা জোঁটবন্ধনে অসমত চৰকাৰ গঠন কৰিব পাৰিব। সেয়ে বিজেপি দলে বৰলৰ ৰাণীৰ দৰে বদৰুদ্দিন আজমলক পমুৱা মুছলমানৰ নিয়ন্ত্ৰক হিচাপে ধৰি এআইইউডিএফ দলটোক থলুৱা মানুহৰ মনৰ পৰা বহু দূৰত ৰাখিবলৈ চেষ্টা কৰি আহিছে। আনহাতে একে সময়তে অংকৰ ৰাজনীতিৰে লাভান্বিত হোৱাৰ আশাৰে কংগ্ৰেছ দলে এই দলটোৰ লগত মিত্ৰতা কৰিবলৈ গৈও এখোজ আগবাঢ়ি দুখোজ থমকিব লগা হৈছে। তাৰো কাৰণ হৈছে এআইইউডিএফ দলটোৰ লগত মিত্ৰতা কৰিবলৈ গৈ থলুৱা ভোট হেৰুৱাব লাগিব বুলি থকা শংকা। সেয়ে এআইইউডিএফ দলটোৰ লগত মিত্ৰতা কৰিবলৈ গৈ যাতে দলটো নিজে থলুৱালোকৰ মাজৰ পৰা আঁতৰি আহিব লগা হয় নহয় তাৰ বাবে কংগ্ৰেছে দুয়ো কুল ৰক্ষা কৰিবলৈ চেষ্টা কৰিব লগা হৈছে। মুঠতে কংগ্ৰেছৰ কাৰণেও বদৰুদ্দিন আজমল অবাঞ্চিত অথচ অবৰ্জনীয় ব্যক্তি। ৰাজনীতিক ব্যক্তিসকলে ৰাজনৈতিক লাভালাভৰ কথা চিন্তা কৰি বদৰুদ্দিন আজমল আৰু তেওঁৰ দলটোক কি ধৰণে গ্ৰহণ-বৰ্জন কৰে সেইটো তেওঁলোকৰ বিষয়। কিন্তু অসমত বাস কৰা পমুৱা মুছলমানসকল অসমৰ কাৰণে সঁচাকৈয়ে অবাঞ্চিত নে অসমীয়া জাতিৰ অপৰিহাৰ্য অংগ সেই কথা জানিবলৈ ৰাজনৈতিক দলৰ প্ৰবক্তাসকলৰ বিপৰীতে নিৰপেক্ষ লোকসকলৰ মুখলৈ চাব লগা হয়। কিন্তু বহুক্ষেত্ৰত নিৰপেক্ষ লেখক-সাংবাদিক বুলি চিনাকী দিয়া বহুলোকৰ ভূমিকাতো পক্ষপাত দুষ্টহে দেখি আহিছোঁ। তাৰে নিদৰ্শন হিচাপে শেহতীয়াকৈ বিতৰ্কত আওতাত সোমাই পৰা বদৰুদ্দিন আজমল আৰু 'আজমল ফাউণ্ডেচন'ৰ কথাকে উল্লেখ কৰিবলৈ বিচাৰিছোঁ।

অসমৰ পমুৱা মুছলমানসকলৰ নেতা, ৰাজনীতিবিদ বদৰুদ্দিন আজমলক আমি দেশ-বিদেশত বেহা থকা এজন ধনী সদাগৰ বুলি জানো। 'আজমল ফাউণ্ডেচন' নামৰ যিটো অনুষ্ঠানে শিক্ষা, স্বাস্থ্য আদিৰ ক্ষেত্ৰত জনসেৱা আগবঢ়াই আহিছে সেই অনুষ্ঠানটো বদৰুদ্দিন আজমলৰেই বুলি জানো। বদৰুদ্দিন আজমলৰ প্ৰতি যেতিয়া অসমৰ এচাম ৰাজনৈতিক নেতাই অৱজ্ঞাসূচক মন্তব্য আগবঢ়াই তেতিয়া আজমলৰ পক্ষত থিয় দিয়া লোকসকলে আজমলক অসমৰ বিশুদ্ধ নাগৰিক হিচাপে প্ৰতিষ্ঠিত কৰাতেই নহয় 'আজমল ফাউণ্ডেচন'ৰ যোগেদি জাতিটোলৈ কিধৰণে সেৱা আগবঢ়াই আহিছে সেই কথা সজোৰে উপস্থাপন কৰাও দেখি আহিছোঁ। নিজৰ উৰ্পাজনৰ একাংশ জনহিতকৰ কামত খৰছ কৰি মানৱতাৰ নিদৰ্শন দাঙি ধৰা যিকোনো লোক প্ৰশংসাৰ পাত্ৰ। আনহাতে ভাল কামত উদ্‌গনি দিয়া লোকসকলো সমাজৰ হিতচিন্তক। সেই হিচাপে বদৰুদ্দিন আজমল আৰু 'আজমল ফাউণ্ডেচন'ৰ কাম-কাজক প্ৰশংসা কৰি আগুৱাই যাবলৈ উদ্‌গনি দিয়া লোকসকলো প্ৰশংশাৰ যোগ্য। লক্ষণীয় কথাটো হ'ল বদৰুদ্দিন আজমল আৰু 'আজমল ফাউণ্ডেচন'ৰ কাম-কাজক প্ৰশংসা কৰি আগুৱাই যাবলৈ উদ্‌গণি দিয়া লোকসকলৰ মাজত খিলঞ্জীয়া লোকসকলকে দেখি আহিছোঁ।

কিন্তু মাত্ৰা চাৰি যোৱা যিকোনো প্ৰশংসা অতি বিপদজনক। এদিন টিভিত দেখিবলৈ পাইছিলো যে বদৰুদ্দিন আজমল উপস্থিত থকা 'আজমল ফাউণ্ডেচন'ৰে এখন সভাত এগৰাকী লেখিকা তথা বক্তাই অসমীয়া জাতিৰ প্ৰতি আজমলৰ অৱদানৰ কথা ক'বলৈ গৈ এনেদৰে আৱেগিক হৈ পৰিছিল যে ভাষণ দি থকা অৱস্থাতে তেওঁ কন্দা-কটা কৰি দিছিল। তেতিয়াই গম

> ৰাজনীতিক ব্যক্তিসকলে ৰাজনৈতিক লাভালাভৰ কথা চিন্তা কৰি বদৰুদ্দিন আজমল আৰু তেওঁৰ দলটোক কি ধৰণে গ্ৰহণ-বৰ্জন কৰে সেইটো তেওঁলোকৰ বিষয়। কিন্তু অসমত বাস কৰা পমুৱা মুছলমানসকল অসমৰ কাৰণে সঁচাকৈয়ে অবাঞ্চিত নে অসমীয়া জাতিৰ অপৰিহাৰ্য অংগ সেই কথা জানিবলৈ ৰাজনৈতিক দলৰ প্ৰবক্তাসকলৰ বিপৰীতে নিৰপেক্ষ লোকসকলৰ মুখলৈ চাব লগা হয়। কিন্তু বহুক্ষেত্ৰত নিৰপেক্ষ লেখক-সাংবাদিক বুলি চিনাকী দিয়া বহুলোকৰ ভূমিকাতো পক্ষপাত দুষ্টহে দেখি আহিছোঁ...

পাইছিলোঁ যে বদৰুদ্দিন আজমলক লৈ বহুলোক তুষ্টিকৰণত নামি পৰিছে। সামাজিক মাধ্যমত অতিকৈ সক্ৰিয় হৈ থকা উক্ত বক্তা গৰাকীয়ে অসমীয়া জাতিৰ হৈ বদৰুদ্দিন আজমলক কৃতজ্ঞতাও জনাইছিল। অকল সেই মহিলা গৰাকীয়েই নহয় বহু লোকে জাতিৰ হৈ যাকে-তাকে কৃতজ্ঞতা জ্ঞাপন কৰে, আজমলকো কৰে। এনেদৰে এটা জাতিৰ প্ৰতিনিধিত্ব কৰাৰ কাৰণে কাৰ পৰা অনুমতি লয় সেই কথা আমি নেজানো। শেহতীয়াকৈ পুঁজি লেনদেনৰ সংক্ৰান্তত 'আজমল ফাউণ্ডেচন' সন্ত্ৰাসবাদী সংগঠনৰ লগত সাঙোৰ খাই আছে বুলি বাতৰি ওলাইছে। এই অনুষ্ঠানটো সন্ত্ৰাসবাদীৰে সৈতে কিবা প্ৰকাৰে জড়িত হয়নে নহয় সেই বিষয়ে আমি মূৰ ঘমাবলৈ নেযাওঁ। কিন্তু এই খবৰে পোহৰলৈ আনিলে যে এটা দাতব্য ন্যাস (Charitable trust) হিচাপে 'আজমল ফাউণ্ডেচন'লৈ বিদেশী বহু সংস্থাৰ পৰা কোটি কোটি টকা আহে। এই কথা স্বয়ং বদৰুদ্দিন আজমলেইৰাজহুৱাকৈ স্বীকাৰ কৰিছে। অৱশ্যে দেশ-বিদেশৰ বিভিন্ন সংস্থাৰ অৰ্থদানেৰে পুষ্ট অনুষ্ঠান এটাৰ সংগঠক হিচাপে জনহিতকৰ কামৰ লগত জড়িত হৈ পৰা বদৰুদ্দিন আজমলক প্ৰশংসা কৰাত কাৰো আপত্তি থাকিব নোৱাৰে। কিন্তু 'আজমল ফাউণ্ডেচন'এ বিভিন্ন ধৰণৰ সামাজিক কাম-কাজৰ কাৰণে কৰি অহা অৰ্থদানৰ কথা ক'বলৈ গৈ বিভিন্ন লেখক আৰু বক্তাসকলে যিধৰণে বদৰুদ্দিন আজমলে নিজৰ শৰীৰৰ অংগদানৰ দৰে ত্যাগ স্বীকাৰ কৰা বুলি দেখুৱাবলৈ চেষ্টা কৰি আহিছে সেইবোৰ কথাৰ পৰা এতিয়া এনে ভাব জন্ম হৈছে যে সেই লেখক-বক্তাসকলৰ আজমল ভজনত নিজৰহে কিবা স্বাৰ্থ জড়িত হৈ থাকে। আজি কোনোবাই মানি ল'লে বা নল'লেও অসমীয়া জাতিৰ গঠন প্ৰক্ৰিয়াই বদৰুদ্দিন আজমল আৰু অসমৰ পমুৱা মুছলমানসকলক অসমীয়া জাতিত ক্ৰমান্বয়ে জীণ নিয়াব আৰু তেওঁলোক অসমীয়া জাতিৰেই শক্তিৰ এটা অংশ হ'বগৈ। ই এটা যুগ-যুগান্তৰৰ পৰা চলি অহা প্ৰাকৃতিক প্ৰক্ৰিয়াৰ দৰেই এটা প্ৰক্ৰিয়া। তাৰ বিপৰীতে যুগ-যুগান্তৰ পৰা অসমীয়া জাতিৰ গঠন প্ৰক্ৰিয়াত অজীৰ্ণ শক্তিৰো প্ৰৱেশ ঘটি আহিছে। সাম্প্ৰতিক পৰিস্থিতিত আজমল আৰু পমুৱা মুছলমানসকলক ৰাজনৈতিক লাভালাভৰ কাৰণে অৱজ্ঞা কৰি অহা লোকসকলতকৈ নিজৰ লাভালাভৰ কৰাণে আজমলক তোষামোদ কৰি থকা লোকসকল জাতিটোৰ কাৰণে বেছি অজীৰ্ণ উপাদান বুলি ভাবোঁ।

ফোন ঃ ৯৪০১৭০০৬৬৪

# আছু এতিয়াৰ আৰু তেতিয়াৰ কিছু প্ৰাসংগিক চিন্তা

■ জয়ন্ত দাস

ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য হ'ল আঞ্চলিক দলৰ উপস্থিতি ।ভাৰতীয় ৰাজনীতিত এক দলৰ আধিপত্য অন্ত পৰাৰ পাছত এটা ৰাজনৈতিক দলেই কেন্দ্ৰ আৰু ৰাজ্য উভয়তেই একক সংখ্যাগৰিষ্ঠতা লাভ কৰাত সমস্যাৰ সৃষ্টি হৈছিল ।যাৰ ফলত আঞ্চলিক ৰাজনৈতিক দলে বিশেষ গুৰুত্ব লাভ কৰিবলৈ সক্ষম হৈছিল ।শেহতীয়াকৈ ৰাজ্যত নতুনকৈ গঠন কৰা হ'ল অসম জাতীয় পৰিষদ নামেৰে আন এটা আঞ্চলিক ৰাজনৈতিক দল ।ছাত্ৰ সংগঠনৰ নেতৃত্বত একেখন মঞ্চৰ পৰাই গঠন কৰা হ'ল দুটাকৈ আঞ্চলিক ৰাজনৈতিক দল ।পূৰ্বৰ অসম গণ পৰিষদ আৰু এতিয়া অসম জাতীয় পৰিষদ ।সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ বৈষম্যমূলক নীতিৰ কাৰণেই আঞ্চলিক ৰাজনৈতিক দল গঠনৰ প্ৰক্ৰিয়া ভাৰতত 1967 চনৰ পৰাই আৰম্ভ হৈছিল ।অসমতো অসম আন্দোলনৰ আলম লৈ প্ৰথমটো আঞ্চলিক অসম গণ পৰিষদ দল আৰু এতিয়া কা' আন্দোলনক ভিত্তি কৰি সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত গঠন হ'ল অসম জাতীয় পৰিষদ ।অৰ্থাৎ ৰাজ্যৰ বৃহৎ এটা জাতীয় সংগঠনে ৰাজনৈতিক পৰিকাঠামোৰ মাজত সোমাই জাতি ৰক্ষাৰ নামত সংকল্পবদ্ধ এতিয়া ।এতিয়া প্ৰশ্ন কেৱল সদৌ অসম ছাত্ৰ সন্থাৰ অৰাজনৈতিক চৰিত্ৰৰ প্ৰতিহে ।নেতৃত্বৰ ৰাজনীতি গমনে জাতীয় সংগঠনটোৰ পূৰ্বৰ অৰাজনৈতিক মৰ্যাদা অক্ষুণ্ণ ৰাখিব পাৰিব নে?

ছাত্ৰ সংগঠনৰ প্ৰতি থকা ৰাইজৰ বিশ্বাস আৰু আস্থা ৰাজনৈতিক দল গঠনৰ পাছত হয়তো কিছু পৰিমাণে হ'লেও স্তিমিত হোৱা দেখা যায় ।ৰাজনীতিমুখী হোৱাৰ পাছত বহু ছাত্ৰ নেতা ৰাজ্যৰ সমস্যাসমূহৰ প্ৰতি উদাসীন হোৱা দেখা যায় ।ছাত্ৰ সংগঠনত থাকি সঘনাই জাতীয় সমস্যাসমূহৰ কাৰণে মাত মতা সংগঠনৰ নেতৃবৃন্দই ৰাজনৈতিক ক্ষমতা লাভৰ পাছত দলীয় স্বাৰ্থতেই হওক নাইবা ব্যক্তিগত মুনাফা আদায়ৰ স্বাৰ্থতেই হওক ৰাইজৰ পৰা বিচ্ছিন্ন হোৱা দেখা যায় ।ৰাজ্যত প্ৰথমটো আঞ্চলিক দল অসম গণ পৰিষদ গঠনৰ পাছতো অনুৰূপ ঘটনাই দেখিবলৈ পোৱা গৈছিল ।ব্যক্তিগত মুনাফা আদায়ত গুৰুত্ব দিয়া অসম গণ পৰিষদৰ নেতৃত্ব তথা দল এতিয়া গণবিচ্ছিন্ন হ'বলগীয়া হ'ল।

বৃহৎ জাতীয় সংগঠন হিচাপে আছুৰ হঠাৎ এই ৰাজনৈতিক ক্ষেত্ৰখনলৈ হোৱা পট পৰিৱৰ্তনে অনাগত দিনতো সংগঠনৰ নেতৃত্ব বহনকাৰী সকলৰ কাৰণেও ৰাজনীতিমুখী হোৱাৰ ইচ্ছাকে প্ৰতিপন্ন কৰিব ।জন্মলগ্নৰে পৰা আছুই বৃহৎ জাতীয় সংগঠন হিচাপে বিভিন্ন সময়ত চৰকাৰৰ বিৰুদ্ধে মাত মাতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে ।সামাজিক,অৰ্থনৈতিক দিশত পূৰ্বৰ চৰকাৰ সমূহকো আছুই জনমুখী সিদ্ধান্ত ল'বলৈ বাধ্য কৰাব পাৰিছিল ।কিন্তু সম্প্ৰতি আছুৰ ৰাজনীতিমুখী যাত্ৰাই জাতীয় সমস্যা সমূহৰ কাৰণে ইতিবাচক নহ'ব বুলিও অনুমান কৰিব পাৰি ।ৰাজনৈতিক দল গঠন কৰাৰ সিদ্ধান্ত লোৱাৰ পৰাই আছুৰ পূৰ্বৰ জাতীয় সংগঠনৰ অৰাজনৈতিক স্থিতিক লৈ অনেক প্ৰশ্নৰ উদয় হৈছে ।একেখন মঞ্চৰ পৰাই এফালে যদি ৰাজনীতিৰ কথা কোৱা হৈছে আনফালে আকৌ অৰাজনৈতিক সংগঠনৰ কথাৰে জাতীয় সমস্যাৰ কথা কোৱা হৈছে ।এনে পৰিস্থিতিত ৰাইজ বিভ্ৰান্ত হোৱাৰ লগতে আছুৰ অৰাজনৈতিক চৰিত্ৰৰ প্ৰতিও সন্দেহৰ আঙুলি নিশ্চয় টোঁৱাব।

প্ৰভাৱগোষ্ঠী হিচাপেও সদৌ অসম ছাত্ৰ সন্থাই বিগত দিন সমূহত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে ।অৰাজনৈতিক সংগঠন হিচাপে বিদেশী বহিষ্কাৰ আন্দোলনৰ জৰিয়তে সদৌ অসম ছাত্ৰ সন্থাই অসমৰ ৰাইজৰ মনত বিশেষ স্থান অধিকাৰ কৰি আছে ।বৃহৎ জাতিগোষ্ঠীৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে সদৌ অসম ছাত্ৰ সন্থাই অসম আন্দোলনৰ জৰিয়তে ঐতিহাসিক অসম চুক্তি ৰূপায়ণত সফল হৈছিল ।শেহতীয়াকৈ ৰাজ্যত কা' বিৰোধী আন্দোলনতো আছুৰ সক্ৰিয় অংশগ্ৰহণে ৰাজ্যবাসীৰ মনত জাতিপ্ৰেমৰ ভাৱ দুগুণে বৃদ্ধি কৰিছিল ।আছুৰ নেতৃত্বত ৰাইজ স্বতঃস্ফূৰ্তভাৱে ওলাই আহিছিল কা' বিৰোধী আন্দোলনত অংশগ্ৰহণৰ কাৰণে ।অৰ্থাৎ এটা অৰাজনৈতিক সংগঠন হৈয়ো ৰাজ্যৰ ৰাজনীতিত কঠোৰ প্ৰভাৱ বিস্তাৰৰ জৰিয়তে চৰকাৰক বিভিন্ন প্ৰকাৰে হেঁচা প্ৰয়োগ কৰাত আছুক সফল বুলি ক'ব পাৰি ।কিন্তু শেহতীয়াকৈ আছুৰ মজিয়াতে এটা নতুন ৰাজনৈতিক দল গঠন হোৱা কাৰ্যই আছুৰ পূৰ্বৰ অৰাজনৈতিক জাতীয় চৰিত্ৰৰ প্ৰতি নিশ্চয় সন্দেহৰ সৃষ্টি কৰিব ।তদুপৰি আছুৰ নেতৃত্বত নতুন মুখে সংগঠনটোৰ সাংগঠনিক ক্ৰিয়া কলাপ কিদৰে আগুৱাই নিয়ে সেয়াও লক্ষণীয় হ'ব।

অসমৰ ৰাজনৈতিক ইতিহাসত অসম গণ পৰিষদেই হ'ল প্ৰথম আন্দোলনভিত্তিত গঠন হোৱা ৰাজনৈতিক দল ।যি দলে সুস্থ আঞ্চলিকতাবাদী ভাৱধাৰাৰ সৃষ্টি জৰিয়তে জাতীয়তাবাদী ভাৱধাৰাক বাস্তৱ ৰূপ দিয়াৰ সুযোগ লাভ কৰিছিল ।অৱশ্যে অসম গণ পৰিষদৰ কাৰণে সেয়া সম্ভৱ হৈ নুঠিল ।সততে জাতীয় সমস্যাৰ কথা কৈ ৰাজনীতি কৰা অসম গণ পৰিষদে অসমৰ ৰাইজক বিশ্বাসঘাটকত কৰিছিল ।বৰ্তমানৰ নৱগঠিত অসম জাতীয় পৰিষদৰ বেলিকাও তেনেকুৱাই হ'ব বুলি আশংকা কৰা হৈছে ।বৃহৎ জাতি সত্তাক আগত লৈ আছুৱে ৰাজনৈতিক দল গঠন কৰিলে ।পূৰ্বতেও আঞ্চলিক দলে জাতিসত্তাক অৱমাননা কৰা ৰাজনীতিও জনসাধাৰণে বহুত দেখিলে ।আছুৱে অনাগত দিনত নিজৰ অৰাজনৈতিক চৰিত্ৰ অক্ষুণ্ণ ৰাখিব পৰাটো সংগঠনটোৰ কাৰণেই এক প্ৰত্যাহ্বান হ'ব ।কিয়নো অৰাজনৈতিক সংগঠন বুলি ক'লেও আছুৰ পূৰ্বৰ নেতৃত্বও এতিয়া সৰ্বভাৰতীয় ৰাজনৈতিক দলত ৰাজনৈতিকভাৱে সুৰক্ষিত ।নতুন দল গঠন কৰি লুৰীণজ্যোতি গগৈ নাইবা দীপাংক নাথে চৰকাৰৰ বিপক্ষে যি ধৰণৰ স্থিতি গ্ৰহণ কৰিব নৱগঠিত আছুৰ নেতৃত্বৰো সেই স্থিতিয়ে বাহাল থাকিব ।গতিকে আছুই অৰাজনৈতিক সংগঠন হিচাপে পূৰ্বৰ মৰ্যাদা অক্ষুণ্ণ ৰখাত নিশ্চয় বাধাৰ সন্মুখীন হ'ব।

ফোন ঃ ৭৮৯৬৬৮১৭৩৯

# ভুৱা নথি-পত্ৰৰে বিহুবৰ লক্ষ্মীজানত চলিছে শ শ ডাম্পাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৮ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ নাজিৰা মহকুমাৰ অন্তৰ্গত বিহুবৰ, লক্ষ্মীজান, গেলেকীত বছৰ বছৰ ধৰি শিল, কয়লাৰ এক বৃহৎ ব্যৱসায় চলি আহিছে। জিলাখনৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তলৈ, বহিঃ ৰাজ্যলৈ বিহুবৰ, লক্ষ্মীজানৰ পৰা শিল, কয়লা সৰবৰাহৰ লগতে শিৱসাগৰ জিলাৰ ধিতাইপুখুৰী, নঙলামৰা, লাকুৱাৰ পৰা জিলাখনৰ ভিন্ন প্ৰান্তলৈ বালি সৰবৰাহ হয়। কিন্তু সীমান্তৱৰ্তী বিহুবৰ, লক্ষ্মীজানত আৰক্ষী, পৰিবহণ বিভাগৰ অকৰ্মণ্যতাৰ বাবে শ শ ট্ৰাক, ডাম্পাৰৰ মালিকসকলে ভুৱা পঞ্জীয়ন নম্বাৰ লগাই শিল, কয়লা সৰবৰাহ কৰাৰ লগতে চৰকাৰক কৰ ফাঁকি দি আহিছে। সীমান্তৱৰ্তী চুবুৰীয়া ৰাজ্য নাগালেণ্ডৰ ভুৱা নম্বৰ ট্ৰাক, ডাম্পাৰসমূহত লগাই বিহুবৰ, লক্ষ্মীজানত অবৈধভাৱে চলাচল কৰি আহিছে। পৰিবহণ বিভাগ, আৰক্ষীয়ে কিন্তু এই অবৈধ ট্ৰাক, ডাম্পাৰসমূহৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত বহু সময়ত পথ দুৰ্ঘটনা সংঘটিত কৰি আহিছে । গুৰু-গোসাঁই নমনা এই ট্ৰাক-ডাম্পাৰ চালকসকলৰ অনুজ্ঞা-পত্ৰও ৰহস্যজনক। উল্লেখ্য যে প্ৰায়সংখ্যক চালক কমবয়সীয়া, লগতে নাগালেণ্ডৰ ভুৱা অনুজ্ঞা-পত্ৰ লৈ ট্ৰাক-ডাম্পাৰ চলাই আহিছে। সীমান্তৱৰ্তী অঞ্চল দুটাত পৰিবহণ বিভাগে নিয়মমাফিক তালাচী চলোৱাৰ লগতে একাংশ বিষয়াৰ লগত গোপন বুজাবুজি থকাৰ বাবে গুৰু-গোসাঁই নামানে ট্ৰাক-ডাম্পাৰসমূহে । আনহাতে নাজিৰা, শিমলুগুৰিত মাটি, বালি কঢ়িওৱা মিনি ডাম্পাৰসমূহে অত্যধিক বোজাই কৰাৰ লগতে নগৰ দুখনত তীব্ৰ গতিৰে গাড়ী চলাই অহাত জন-জীৱনলৈ চৰম ভাবুকি কঢ়িয়াই আনিছে । যাৰ পৰিপ্ৰেক্ষিত প্ৰায়ে নাজিৰা, শিমলুগুৰি, বিহুবৰ, চণ্টক, গেলেকী আদি অঞ্চলসমূহত দুৰ্ঘটনা সংঘটিত হৈ আহিছে। উচ্চতম ন্যায়ালয়ৰ আইনকো বুঢ়া আঙুলি দেখুৱাই এই মিনি ট্ৰাক, ডাম্পাৰসমূহে অতিৰিক্তভাৱে প্ৰশাসনৰ চকুৰ সন্মুখতে মাটি, বালি সৰবৰাহ কৰি আহিছে। প্ৰশাসনৰ নিয়ম অনুসৰি মাটি, বালি সৰবৰাহ কৰা মিনি ডাম্পাৰসমূহে বালিভৰ্তি গাড়ীখন তিৰ্পালেৰে ঢাকি আনিব লাগে যদিও চালকসকলে এই কাৰ্যত গুৰুত্ব নিদিয়ে। ফলত এই গাড়ীসমূহৰ পিছত আহি থকা পথচাৰীৰ চকুত বালি-মাটি সোমাই যোৱাত বহু পথ দুৰ্ঘটনা হৈ আহিছে । আৰক্ষীৰ চকুৰ সন্মুখতে টিঘিলঘিলাই তীব্ৰ গতিৰে চালানবিহীনভাৱে মাটি-বালি সৰবৰাহ কৰি আহিছে। জানিব পৰা মতে মেজেঙা, বাঁহগড়, শেনআলি, বাউলীমৈদাম, মাদুৰি, মেছাগড়, হায়পৰআলি, শুকতিআলিত বন বিভাগৰ বিনা অনুজ্ঞা-পত্ৰৰে অবৈধ মাটি খনন, বালি কঢ়িওৱাত নিয়োজিত হৈ আহিছে এই মিনি ডাম্পাৰসমূহ। নাজিৰা নগৰৰ সমীপৱৰ্তী মলাগাঁৱত ভূ-মাফিয়া অনুপ-লাডু,বাঁহগড়াত ভাস্কৰ, বাৰেঘৰ সত্ৰত সত্যজিত, মেজেঙাত ধুনু, মাইনাই পুৱাৰ পৰা গধূলিলৈকে বন বিভাগৰ অনুজ্ঞা-পত্ৰ নোহোৱাকৈ অবৈধ মাটি খনন কাৰ্য অব্যাহত ৰাখিছে। প্ৰশাসনে গুৰুত্ব নিদিয়াত এই ভূ-মাফিয়াসকলৰ বাবেই গ্ৰামাঞ্চলৰ বহু বাট-পথ বিধ্বস্ত হৈ পৰিছে। এনেদৰেই চৰকাৰক বছৰি লক্ষাধিক টকাৰ ৰাজহ ফাঁকিৰে নাজিৰাত ভূ-মাফিয়াসকলে সন্ত্ৰাস চলাই আহিছে।

# বস্ত্ৰ উদ্যোগক পুনৰুদ্ধাৰৰ প্ৰচেষ্টা অব্যাহত থাকিব ঃ আছুৰ নৱ-নিৰ্বাচিত উপ-সভাপতি প্ৰকাশ দাস



**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ৮ ডিচেম্বৰ ঃ** অসমৰ মানচেষ্টাৰ বস্ত্ৰ নগৰী শুৱালকুছিৰ হস্ততাঁত বস্ত্ৰ শিল্পক পুনৰ উদ্ধাৰৰ সৰ্বতোপ্ৰকাৰৰ প্ৰচেষ্টা চলোৱা হ'ব আৰু ইয়াক আধুনিকীকৰণৰ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ চৰকাৰক তীব্ৰ হেঁচা প্ৰয়োগ কৰা হ'ব। এই মন্তব্য সদৌ অসম ছাত্ৰ সন্থাৰ নৱ-নিৰ্বাচিত উপ-সভাপতি প্ৰকাশ চন্দ্ৰ দাসৰ। কালি সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু দুই নং পূব আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত স্থানীয় ৰাজহুৱা প্ৰেক্ষাগৃহত আয়োজিত সম্বৰ্ধনা সভাত সম্বৰ্ধনা গ্ৰহণ কৰি প্ৰকাশ চন্দ্ৰ দাসে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাই অসমৰ ভিতৰত প্ৰথম স্থান লাভ কৰিব পাৰিলেহে অত্যন্ত সুখী হ'ব বুলি কয়। ছাত্ৰ সন্থাৰ মজিয়াত প্ৰৱেশ কৰাৰ বিষয়ে সোঁৱৰণ কৰি দাসে আপোচবিহীন মন লৈ নিঃস্বাৰ্থভাৱে কাম কৰি যাব বুলিও উল্লেখ কৰে। গতিশীল ধাৰাৰ নৱ-নিৰ্বাচিত কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি-সম্পাদকে সন্থাক আগুৱাই লৈ যাব পাৰিব বুলিও ভাষণ প্ৰসংগত তেওঁ আশা ব্যক্ত কৰে। আনহাতে, সদৌ অসম ছাত্ৰ সন্থাৰ নৱ-নিৰ্বাচিত সাঃ সম্পাদক ধৰ্মেশ্বৰ দাসেও সম্বৰ্ধনা গ্ৰহণ কৰি শাখা ছাত্ৰ সন্থাৰ পৰা খোজকাঢ়ি ঘৰে ঘৰে গৈ ছাত্ৰ সন্থাৰ কাম কৰাৰ কথা সোঁৱৰণ কৰে। ছাত্ৰ সন্থা নাথাকিলে অসমত খিলঞ্জীয়াৰ অস্তিত্ব নাথাকিব বুলিও দাসে ভাষণত উল্লেখ কৰে। উক্ত সভাত কামৰূপ জিলা ছাত্ৰ সন্থাৰ বিদায়ী সভাপতি দিবাকৰ কলিতাকো বিদায় সম্বৰ্ধনা জনোৱা হয়। বিদায় গ্ৰহণ কৰি দিয়া ভাষণত কলিতাই ছাত্ৰ সন্থাৰ নীতি-আদৰ্শ তেওঁৰ ভৱিষ্যৎ জীৱনৰ পাথেয় বুলি উল্লেখ কৰে। কামৰূপ জিলা ছাত্ৰ সন্থাৰ নৱ-নিৰ্বাচিত সভাপতি ভৱজ্যোতি ডেকাই সভাপতিত্ব কৰা সভাত জিলা উপদেষ্টা তৰুণ দাস, নিৰোদ কুমাৰ দাস, বীৰাজ ৰাজবংশী, হেমন্ত কুমাৰ দাস, দীপাংকৰ শৰ্মাই আঁত ধৰা সভাত উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক পংকজ কলিতাই। পিংকী কংকনা বৈশ্যই বৰগীতেৰে আৰম্ভণি কৰা সভাত জিলাখনৰ আটাইবোৰ আঞ্চলিক ছাত্ৰ সন্থাই নৱ-নিৰ্বাচিত উপ-সভাপতি প্ৰকাশ চন্দ্ৰ দাস, সহঃ সম্পাদক ধৰ্মেশ্বৰ দাস, বিদায়ী সভাপতি দিবাকৰ কলিতা আৰু নৱ-নিৰ্বাচিত কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি-সম্পাদকক সম্বৰ্ধনা জনায়।

# কৃষক নেতা অখিল গগৈৰ মুক্তিৰ দাবীত নলবাৰীত ২৪ ঘণ্টীয়া অনশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ৮ ডিচেম্বৰ ঃ** কৃষক নেতা অখিল গগৈক ষড়যন্ত্ৰমূলকভাৱে এটাৰ পিছত আন এটা ভুৱা গোচৰ জাপি দি চৰকাৰে দীৰ্ঘ দিন ধৰি জে'লত ভৰাই ৰাখিছে । কৃষক নেতাজনক মুক্তিৰ দাবীত বিভিন্ন দল-সংগঠনে চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। সমান্তৰালকৈ কৃষক নেতাগৰাকীক মুক্তিৰ দাবীত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নলবাৰী জিলা সমিতিৰ সদস্যসকলেও চহৰখনৰ ভূপেন হাজৰিকা শিশু উদ্যানৰ সন্মুখত কালিৰে পৰা ২৪ ঘণ্টীয়া অনশন কাৰ্যসূচী ৰূপায়ণ কৰিছে । কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নলবাৰী জিলা সমিতিৰ উপদেষ্টা জ্ঞানেন চক্ৰৱৰ্তী, সভাপতি ৰৌফ আলী, সম্পাদক দ্বিপেন কলিতাৰ নেতৃত্বত ভালেসংখ্যক নেতা-কৰ্মী আৰু স্থানীয় ৰাইজে এই অনশনত অংশগ্ৰহণ কৰে। লগতে 'কা' আন্দোলনৰ অন্যতম নেতাগৰাকীক যোৱা এবছৰ ধৰি চৰকাৰে জে'লত আবদ্ধ কৰি ৰাখি শাৰীৰিক-মানসিক নিৰ্যাতন চলোৱাতে ক্ষান্ত নাথাকি কৃষক মুক্তি সংগ্ৰাম সমিতিখনক নিঃশেষ কৰাৰ ষড়যন্ত্ৰত লিপ্ত হৈছে বুলি অভিযোগ কৰে প্ৰতিবাদকাৰীসকলে। বিজেপি চৰকাৰে অখিল গগৈক জে'লত ভৰাই ৰাখি অভীষ্ট সিদ্ধিৰ কথা ভাবিলে সেয়া বিষম হ'ব বুলি মন্তব্য কৰাৰ লগতে অখিল গগৈৰ ভয়ত এতিয়া বিজেপি চৰকাৰখন ত্ৰস্তমান হোৱা বুলি মন্তব্য কৰে কৃষক মুক্তিৰ নেতাসকলে। অতি শীঘ্ৰেই যদি অখিল গগৈক মুক্তি নিদিয়ে তেনেহ'লে অনাগত দিনত ৩১নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰিব বুলি হুংকাৰ দিয়ে প্ৰতিবাদকাৰীসকলে।

# ডেকাচাঙত ভাৰত বন্ধৰ সমৰ্থন জনাই তীব্ৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ৮ ডিচেম্বৰ ঃ** বিজেপি চৰকাৰে কৃষকবিৰোধী কৃষি আইন বাতিলৰ দাবীত কৃষক সংগঠনে ভাৰত বন্ধ ঘোষণা কৰিছে তাক সমৰ্থন জনাই আজি অসম-মিঞা (অসমীয়া) পৰিষদ কামৰূপ জিলা সমিতিয়ে বকোৰ ডেকাচাঙত টায়াৰ জ্বলাই প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে জনবিৰোধী কৃষকবিৰোধী কৃষি আইন বাতিল কৰক, কৃষি আইন নামানো, বিজেপি চৰকাৰ হায় হায়, বিজেপি চৰকাৰ গ' বেক, পুঁজিপতিৰ দালাল বিজেপি চৰকাৰ হুচিয়াৰ, অসম মিঞা পৰিষদ জিন্দাবাদ, জয় আই অসম আদি ধ্বনিৰে বকোৰ আকাশ-বতাহ কঁপাই তোলে। প্ৰতিবাদ কাৰ্যসূচীত অসম মিঞা পৰিষদ কামৰূপ জিলা সমিতিৰ মুখপাত্ৰ এম মুক্তাৰ মণ্ডলে সমালোচনা কৰি কয় যে পুঁজিপতিৰ ওচৰত বিক্ৰী যোৱা বিজেপি চৰকাৰ কৃষকবিৰোধী কৃষি আইন বাতিল নকৰিলে কৃষক আন্দোলনৰ জুইত মোডী চৰকাৰ পুৰি ছাই হৈ ভাৰতভূমিৰ পৰা নাইকিয়া হৈ যাব। প্ৰতিবাদী কাৰ্যসূচীত অসম-মিঞা অসমীয়া পৰিষদৰ কামৰূপ জিলা সমিতিৰ সভাপতি এম বাহাৰুল ইছলামে কয় যে কৃষকৰ ওপৰত জোৰ-জুলুমকৈ জাপি দিয়া কৃষকবিৰোধী কৃষি আইন বাতিল কৰিবলৈ দাবী জনায়। তেখেতে আৰু কয় যে যিসকল কৃষকৰ অশেষ কষ্টৰ বিনিময়ত উৎপাদন কৰা শস্য বা খাদ্য নাখালে আমি জীয়াই থাকিব নোৱাৰোঁ সেইসকল অন্নদাতা কৃষকৰ বিৰুদ্ধে আইন বনাই পেটত গোৰমৰা কাৰ্য অতি নিন্দনীয় বুলি তীব্ৰ কটাক্ষ কৰে।



# চৰাইবাহীত ১২ ডিচেম্বৰত নাথ যোগী জাতীয় অভিৱৰ্তনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৮ ডিচেম্বৰ ঃ** সদৌ মৰিগাঁও নাথ যোগী সাহিত্য-সংস্কৃতি সন্মিলনৰ উদ্যোগত আৰু চৰাইবাহী আঞ্চলিক সমিতিৰ লগতে চৰাইবাহীৰ ৰাইজৰ সহযোগত মৰিগাঁও জিলাৰ চৰাইবাহীৰ সাংস্কৃতিক প্ৰকল্প নাথ মন্দিৰত ১২ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যিক ভিত্তিত নাথ যোগী জাতীয় অভিৱৰ্তনখন সফল কৰি তুলিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে আদৰণী সমিতিয়ে। অসমৰ অন্যতম প্ৰাচীন সম্প্ৰদায় নাথ যোগীসকলৰ ঐতিহ্য, পৰম্পৰা, ধৰ্ম, দৰ্শন, সাহিত্য, সংস্কৃতি আদি বিষয়ৰ মুকলি আলোচনা আৰু নাথ সম্প্ৰদায়ৰ লোক-সংস্কৃতি প্ৰদৰ্শনৰ অৰ্থে আয়োজিত এই অভিৱৰ্তনখন উদ্বোধন কৰিব অসম আৰক্ষীৰ বিশেষ শাখাৰ মহাপৰিদৰ্শক হীৰেন চন্দ্ৰ নাথে। অসম চৰকাৰৰ বিত্ত, স্বাস্থ্য, শিক্ষা, গড়কাপ্তানী মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰিব লগা অভিৱৰ্তনত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ডম্বৰুধৰ নাথ, নাথ গুৰু যোগেশ্বৰ মহন্ত শিৱনাথ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° প্ৰফুল্ল কুমাৰ নাথ, সাহিত্যিক প্ৰশান্ত নাথ, অসম প্ৰাদেশিক যোগী সন্মিলনীৰ প্ৰাক্তন সম্পাদক ধীৰেন নাথে। নাথ যোগী শীৰ্ষ গীত উন্মোচন কৰিব অসমৰ বিশিষ্ট সংগীত শিল্পী কৃষ্ণমণি নাথে। তদুপৰি অভিৱৰ্তনত অসম চৰকাৰৰ ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী পীযূষ হাজৰিকা, বিধায়ক কিশোৰ নাথ, ৰমাকান্ত দেউৰী, নাথ যোগী উন্নয়ন পৰিষদৰ অধ্যক্ষ বেণুধৰ নাথ, সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দীপাংক কুমাৰ নাথ, অসম প্ৰাদেশিক যোগী সন্মিলনীৰ সভাপতি ড° অৰুণ বৰা, সম্পাদক ডম্বৰুধৰ নাথৰ লগতে অসম প্ৰাদেশিক যোগী সন্মিলনীৰ ভাতৃ-ভগ্নী সংগঠনসমূহৰ নেতৃত্ববৰ্গয়ো অংশগ্ৰহণ কৰিব। সন্ধিয়া ৬ বজাৰৰ পৰা অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠানত নাথ যোগী জাতীয় সংস্কৃতি প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে উদ্বোধন কৰিবলগীয়া এই সাংস্কৃতিক অনুষ্ঠানত বিপিন চাওদাঙে গীত পৰিৱেশন কৰিব । ইফালে পুৱা ৯ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া ৰুদ্ৰযজ্ঞত উপনয়ন আৰু দীক্ষা প্ৰদান কৰিব। বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া জাতীয় অভিৱৰ্তনৰ আগদিনা অৰ্থাৎ ১১ ডিচেম্বৰৰ আবেলি ৩ বজাৰৰ পৰা অনুষ্ঠিত হ'ব সদৌ অসম নাথ যোগী পুৰোহিতসকলৰ ৰাজ্যিক সন্মিলন।

# দেৰগাঁৱত 'ৰুধিৰ' শীৰ্ষক ৱেব ছিৰিজ টাইটেল ছং মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ৮ ডিচেম্বৰ ঃ** দেৰগাঁৱৰ বিশিষ্ট সাংস্কৃতিক তথা সমাজকৰ্মী অমিয়া দেৱী কলা কেন্দ্ৰৰ স্বত্বাধিকাৰী জোনমণি দেৱীৰ এ ডি প্ৰডাকশ্বনৰ সৌজন্যত নিৰ্মিত ৱেব ছিৰিজ 'ৰুধিৰ'ৰ টাইটেল ছং কালি সন্ধিয়া মুকলি কৰা হয় দেৰগাঁও সাহিত্য সভা ভৱনৰ বাকৰিত। বিশিষ্ট অধিবক্তা দুৰ্গা প্ৰসাদ জয়ছোৱালৰ সত্য কাহিনীৰ আধাৰত নিৰ্মীয়মাণ ৱেব ছিৰিজখনৰ দৃশ্য গ্ৰহণ গোলাঘাট জিলাৰ বিভিন্ন স্থানত পূৰ্ণোদ্যমে কৰা হয়। ৰাইজৰ মাজলৈ অতি কম সময়ৰ ভিতৰত আহিবলগীয়া ৱেব ছিৰিজখনৰ প্ৰায় কুৰিজনৰো অধিক কলা-কুশলীয়ে দৃশ্য গ্ৰহণৰ কাম অব্যাহত ৰাখিছে। ৰুধিৰ শীৰ্ষক গীতটোৰ কথা যুৱ সমাজকৰ্মী সৌমিত্ৰ গোস্বামীৰ। কণ্ঠদান কৰিছে অভিলাষ বৰপূজাৰী আৰু টাজ আখতাৰে। পৰিচালনা কৰিছে জোনমণি দেৱী, সম্পাদনা কৰিছে অজান আকাশ কাশ্যপে। ৰুধিৰ শীৰ্ষক টাইটেল ছংটোৰ উন্মোচনী অনুষ্ঠানৰ আঁত ধৰে সুব্ৰত পৰাশৰে। এই অনুষ্ঠানত বিশিষ্ট প্ৰবীণ সাংবাদিক ৰাজেন পূজাৰী, আপকুৰ গোলাঘাট জিলা সমিতিৰ সম্পাদক প্ৰণৱ চক্ৰৱৰ্তী, দেৰগাঁও সাংবাদিক সন্থাৰ সভাপতি বিচিত্ৰ ভূষণ কলিতা, ইন্দুভূষণ মহন্ত, সমাজপ্ৰাণ অতুল গোস্বামী, দেৰগাঁও শাখা সাহিত্য সভাৰ সম্পাদক অজিত দত্ত আদি বিশিষ্ট লোকসকলৰ উপস্থিতিত অগতানুগতিক কাৰ্যসূচীৰে গীতটো উন্মোচন কৰা হয়। এই গীতটোৰ উন্মোচনী অনুষ্ঠানে সমগ্ৰ পৰিৱেশ জীপাল কৰি তোলে।

# চম্পা বৰগোহাঁই বৰবৰুৱালৈ শিশু মহীয়ান সন্মান

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ৮ ডিচেম্বৰ ঃ** সদৌ অসম মইনা পাৰিজাতৰ এগৰাকী বৰ্ষীয়ান কৰ্মী, শিশুপ্ৰেমী, সমাজসেৱী মহিলা, দেৰগাঁৱৰ চম্পা বৰগোহাঁই বৰবৰুৱালৈ সংগঠনটোৱে 'শিশু মহীয়ান' সন্মান আগবঢ়োৱাত শিশু প্ৰেমী তথা দেৰগাঁৱৰ সৰ্বস্তৰৰ ৰাইজে সন্তুষ্টি প্ৰকাশ কৰি তেওঁক অভিনন্দন জনাইছে। শিশুৰ শাৰীৰিক, মানসিক, বৌদ্ধিক বিকাশ আৰু সদৌ অসম মইনা পাৰিজাতৰ প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত আগবঢ়োৱা সেৱাৰ বাবে গোলাঘাট জিলাৰ দেৰগাঁও ফুকন নগৰ অঞ্চলৰ এইগৰাকী মহিলাক সদৌ অসম মইনা পাৰিজাতে অলপতে এই সন্মান প্ৰদান কৰে। উল্লেখযোগ্য যে, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষয়িত্ৰী চম্পা বৰগোহাঁই বৰবৰুৱাই ওৰে জীৱন সমাজসেৱামূলক কাম কাজৰ লগত জড়িত হৈ আহিছে আৰু প্ৰায় জন্মলগ্নৰে পৰা সদৌ অসম মইনা পাৰিজাতৰ লগত জড়িত হৈ শিশু অনুষ্ঠানটোৰ সেৱাত ব্ৰতী হৈ আহিছে। মইনা পাৰিজাতৰ উপৰি অসম সাহিত্য সভা, লেখিকা সমাৰোহ সমিতি, মহিলা সমিতি, প্ৰজ্ঞান সেৱা সমাজ, নাগৰিক সন্থা আদি বিভিন্ন অনুষ্ঠানৰ লগত জড়িত বৰ্ষীয়ান সমাজসেৱীগৰাকী ইতিপূৰ্বে লেখিকা সমাৰোহ সমিতিৰ 'সদস্য ৰত্না' সন্মানেৰেও সন্মানীত হৈছিল। মহিলা সমিতিৰ সমাজসেৱিকা বঁটা লাভৰ উপৰি বহুবাৰ ৰাজহুৱাভাৱে সম্বৰ্ধিত হোৱা ৮৮বছৰ বয়সীয়া বৰগোহাঁই বৰবৰুৱাই বয়সকো প্ৰত্যাহ্বান জনাই বৰ্তমান সময়তো বিভিন্ন সভা-সমিতিত অংশগ্ৰহণ আৰু ৰাজহুৱা কামত আগৰণুৱা ভূমিকা লৈ আছে। বোৱা, কটা, ৰোৱা তোলা, সকলো দিশতে বিশেষ দক্ষতা থকা, এইগৰাকী আদৰ্শ মহিলাই শিশু মহীয়ান সন্মান লাভ কৰাত দেৰগাঁৱৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে তেওঁক উষ্ম অভিনন্দন জনাইছে। গোলাঘাট জিলা আছাম প্ৰেছ কৰেছপণ্ডেণ্টছ ইউনিয়নৰ (আপকু) সভাপতি নবীন গোহাঁই আৰু সম্পাদক প্ৰণৱ চক্ৰৱৰ্তীয়ে তেওঁলৈ অভিনন্দন জনাই তেওঁৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিছে। একেদৰে, জনগোষ্ঠীয় সাংস্কৃতিক ঐক্য মঞ্চ অসম, দেৰগাঁও সাহিত্য সভা, নাগৰিক সন্মিলন, দেৰগাঁও সাংবাদিক সংস্থা, দেৰগাঁও লেখিকা সমাৰোহ সমিতি, প্ৰজ্ঞান সেৱা সমাজ, পেন্সনাৰ সন্থা আদি সংগঠনে তেওঁৰ এই সফলতাত সন্তুষ্টি প্ৰকাশ কৰি অভিনন্দন জ্ঞাপন কৰিছে।

# তাই ভাষা অধ্যয়ন কেন্দ্ৰৰ স্নাতকোত্তৰ পৰীক্ষাত মাৰ্ঘেৰিটাৰ দুই ছাত্ৰীৰ কৃতিত্ব

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ৮ ডিচেম্বৰ ঃ** সদ্য ঘোষিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ তাই ভাষা অধ্যয়ন কেন্দ্ৰৰ স্নাতকোত্তৰ ফলাফলত ১৬গৰাকী ছাত্ৰীৰ ভিতৰত প্ৰথম বিভাগৰ প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হৈছে মাৰ্ঘেৰিটাৰ জাগুনৰ ফানেং গাঁৱৰ শিক্ষক ঘন গগৈ আৰু যোগেশ্বৰী গগৈৰ জীয়াৰী তৃষ্ণা গগৈয়ে। আনহাতে, ফানেং গাঁৱৰ যোগেশ হাতীমূৰীয়া আৰু জুনু হাতীমূৰীয়াৰ জীয়াৰী নমিতা হাতীমূৰীয়াই প্ৰথম বিভাগত উত্তীৰ্ণ হৈ সমগ্ৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। আজি ছাত্ৰী দুগৰাকীৰ বাসগৃহত তাই আহোম যুৱ পৰিষদৰ এটা প্ৰতিনিধি দল উপস্থিত হৈ ছাত্ৰী কেইগৰাকীক সম্বৰ্ধনা জ্ঞাপন কৰে আৰু ছাত্ৰীকেইগৰাকীৰ এই সফলতাক শলাগ লৈ তাই ভাষাৰ প্ৰসাৰৰ ক্ষেত্ৰত কিদৰে আগবাঢ়িব পাৰি এই সন্দৰ্ভত উপস্থিত থকা বিভিন্নজনে মন্তব্য প্ৰদান কৰে।

# তেজপুৰত সদৌ অসম ছাত্ৰ সন্থাৰ সদ্য বিদায়ী সঃ সম্পাদক দুলদুল বৰকটকীক বিপুল সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৮ ডিচেম্বৰ ঃ** তেজপুৰৰ সাহিত্য সভা ভৱনৰ চৌহদত দুলদুল বৰকটকীক বিদায় সম্বৰ্ধনা। অবিভক্ত শোণিতপুৰ আৰু বিশ্বনাথ জিলাৰ লগতে তেজপুৰতো সদ্য বিদায়ী সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক দুলদুল বৰকটকীক বিদায় জনায়। সমগ্ৰ শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ সকলো আঞ্চলিক আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ লগতে সৰু-বৰ বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়াসকলে গামোচা, ফুলৰ মালা আৰু জাপি আদি বিভিন্ন মূল্যৱান বস্তুৰে সম্ভাষণ জনায় বিদায়ী আছু নেতাজনক। দুলদুল বৰকটকীয়ে কয়— আগন্তুক দিনত কি কৰিব তাৰ সিদ্ধান্ত লৈ থৈছে, সিদ্ধান্ত কেই দিনমান পাছতে ৰাজহুৱা কৰিব। অসমৰ জাতীয় জীৱনৰ অন্যতম আপোচবিহীন কণ্ঠ তথা অসমৰ বলিষ্ঠ এই ছাত্ৰ নেতাজনক বিভিন্ন ভাষাৰে প্ৰশংসা কৰি কালি সন্ধিয়া আনন্দময়ী কৰি তোলে তেজপুৰৰ সাহিত্য সভা ভৱনৰ চৌহদ।

# লাহৰীঘাটত হিৰ'ইনসহ দুই সৰবৰাহকাৰী গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৮ ডিচেম্বৰ ঃ** লাহৰীঘাটৰ বৰছলাত হিৰ'ইনসহ দুই সৰবৰাহকাৰীক গ্ৰেপ্তাৰ। ধৃত সৰবৰাহকাৰী দুটা হৈছে লাহৰীঘাট থানাৰ বৰছলা আৰক্ষী চকীৰ অন্তৰ্গত গৰৈমাৰীৰ হাৰুণ ৰছিদ আৰু ৰিয়াজউদ্দিন। নিশা বৰছলাৰ আৰক্ষীয়ে অভিযান চলাই হিৰ'ইনসহ দুয়োকে অঞ্চলটোৰ পৰা গ্ৰেপ্তাৰ কৰে। ধৃত সৰবৰাহকাৰী দুটাৰ পৰা হিৰ'ইন ভৰ্তি ২৭টা কণ্টেইনাৰ, এটা ম'বাইল আৰু ২৫০ টকা আৰক্ষীয়ে উদ্ধাৰ কৰে।

# ঢকুৱাখনাত বিশিষ্ট সাহিত্যিক, সাংবাদিক হোমেন বৰগোহাঞিৰ ৮৮সংখ্যক জন্মদিন পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢকুৱাখনা, ৮ ডিচেম্বৰ ঃ** ৰাজ্যৰ বিশিষ্ট সাহিত্যিক, সাংবাদিক তথা 'নিয়মীয়া বাৰ্তা'ৰ মুখ্য সম্পাদক হোমেন বৰগোহাঞিৰ ৮৮ সংখ্যক জন্ম দিৱস কালি ঢকুৱাখনাত তেখেতৰ অনুগামীসকলে অনুষ্ঠুপীয়াকৈ পালন কৰে। তেওঁৰ ৮৮সংখ্যক ওপজা দিনৰ কেক কাটি অনুষ্ঠানৰ শুভাৰম্ভ কৰে নগাঁও নৰ্মাল স্কুলৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ক্ষীৰোদ গগৈয়ে। গগৈয়ে তেওঁৰ বক্তব্যত হোমেন বৰগোহাঞিৰ কিতাপবোৰ আৰু তেওঁৰ বিভিন্ন লেখাবোৰ অসমৰ সচেতন পঢ়ুৱৈ সমাজে কিয় গুৰুত্বসহকাৰে গ্ৰহণ কৰে তাৰ বিষয়ে কয়। ঢকুৱাখনাৰ এগৰাকী কবি তথা শিল্পী ৰাজীৱ তামুলীয়ে আঁত ধৰা অনুষ্ঠানত হোমেন বৰগোহাঞিৰ সান্নিধ্যত সাংবাদিকতা কৰাৰ স্মৃতি সুঁৱৰি হেমন্ত কুমাৰ বৰুৱাই বক্তব্য আগবঢ়ায়। ইয়াৰ পিছতে কাশ্যপী তনয়া গগৈয়ে এটি গীত পৰিৱেশন কৰে। ৰাজীৱ তামুলীয়ে হোমেন বৰগোহাঞিৰ কাব্য সংকলন- 'হৈমন্তী'ৰ পৰা এটা কবিতা আবৃত্তি কৰে। ইফালে বৰগোহাঞিৰ ভাগিন তথা কবি মৌচুমী গগৈ হাতীবৰুৱাই সৰুৰে পৰা দেখি অহা হোমেন বৰগোহাঞিৰ জীৱনৰ বিভিন্ন দিশ সম্পৰ্কে বক্তব্য আগবঢ়ায়। ইয়াৰ পিছতে সাংবাদিক ৰাজীৱ বৰুৱাই বৰগোহাঞিৰ কিতাপবোৰৰ শিৰোনাম লৈ ৰচনা কৰা এটা কবিতা পাঠ কৰে। অন্যহাতে এই অনুষ্ঠানত উপস্থিত থাকি ঢকুৱাখনা মহাবিদ্যালয়ৰ অধ্যাপক দিলীপ হাতীবৰুৱা, অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া নিপেন শইকীয়া, সাংবাদিক অৰুণ চমুৱা, সু-লেখিকা নৱনীতা গগৈ আদিয়েও হোমেন বৰগোহাঞিৰ জীৱনৰ বিভিন্ন দিশ উন্মোচন কৰি ভাষণ দিয়ে।




# নিৰ্বাচনৰ পূৰ্বে জনজাতিকৰণ-স্বায়ত্ত পৰিষদ গঠনৰ চূড়ান্ত সীমা চুতীয়া ছাত্ৰ সন্থাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধনশিৰি, ৮ ডিচেম্বৰ ঃ** সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন বিজেপি চৰকাৰখনে চুতীয়া সম্প্ৰদায়ৰ লগতে আন জনগোষ্ঠীসমূহক জনজাতিকৰণৰ ললিপ'প দি বিগত বিধানসভা নিৰ্বাচনৰ বৈতৰণী পাৰ হৈছিল যদিও আজিপৰ্যন্ত ছয় জনগোষ্ঠীক জনজাতিকৰণৰ মৰ্যাদা প্ৰদান নকৰিলে । কেৱল কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনাৰ এক ক্ষুদ্ৰ প্ৰয়াস কৰিয়েই জনজাতিকৰণৰ প্ৰক্ৰিয়াটো ধোঁৱা চাঙত তুলি থ'লে। সোণোৱাল নেতৃত্বাধীন চৰকাৰখনে বিগত নিৰ্বাচনত নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰাৰ দৰেই আগন্তুক ২১ৰ নিৰ্বাচনতো কেৱল নিৰ্বাচনী ইস্তাহাৰতেই জনজাতিকৰণৰ প্ৰক্ৰিয়াটো সীমাবদ্ধ থাকিব আৰু ছয় জনগোষ্ঠীয়ে কেতিয়াও জনজাতিকৰণৰ মৰ্যাদা লাভ নকৰিব। —এই অভিযোগ সদৌ চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি ক্ষীৰোদ শইকীয়া আৰু সাধাৰণ সম্পাদক মহেন বৰাৰ। ধনশিৰি মহকুমাৰ ছেৰাগুৰিত অনুষ্ঠিত চুতীয়া ছাত্ৰ সন্থাৰ গোলাঘাট জিলা সমিতিৰ প্ৰতিনিধি সভাৰ মুকলি সভাৰ মুখ্য অতিথি হিচাপে উপস্থিত থকা ছাত্ৰ সংগঠনটোৰ কেন্দ্ৰীয় নেতা দুজনে আৰু কয়— যদিহে আগন্তুক বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিজেপি নেতৃত্বাধীন সোণোৱাল চৰকাৰখনে ভূমিপুত্ৰ চুতীয়াসকলক জনজাতিকৰণ আৰু স্বায়ত্ত পৰিষদ গঠনৰ দাবী কাৰ্যকৰী নকৰে তেতিয়া হ'লে আগন্তুক বিধানসভা নিৰ্বাচনত বিজেপিৰ বিৰুদ্ধে কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰিব চুতীয়া জনসাধাৰণে। ইয়াৰ উপৰি প্ৰতিটো ৰাজনৈতিক দলে অহা ২১ৰ বিধানসভা নিৰ্বাচনত চুতীয়া সম্প্ৰদায়ৰ লোকৰ প্ৰধান্য থকা পোন্ধৰটা সমষ্টিত চুতীয়া সম্প্ৰদায়ৰ লোকৰ বাবে সংৰক্ষণ কৰি চুতীয়া সম্প্ৰদায়ৰ লোকক প্ৰাৰ্থিত্ব প্ৰদান কৰিব লাগিব বুলি দাবী কৰে । ছেৰাগুৰি সাধনী মহিলা সমিতি ভৱনৰ প্ৰাংগণত অনুষ্ঠিত প্ৰতিনিধি সভাৰ পুৱাৰ কাৰ্যসূচীত পতাকা উত্তোলন কৰে সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক লক্ষী বৰাই, স্মৃতি তৰ্পণ কৰে আহ্বায়ক সমিতিৰ উপদেষ্টা ৰিতু শইকীয়াই, গছপুলি ৰোপণ কৰে বিশিষ্ট ব্যৱসায়ী, সমাজ সেৱক মাধুৰ্য শইকীয়াই, মুকুট শইকীয়া, গিৰীন চুতীয়া, ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অভিজিৎ শইকীয়াই আঁত ধৰা প্ৰতিনিধি সভাত সভাপতিত্ব কৰে লক্ষী বৰাই । সভা উদ্বোধন কৰে সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সিদ্ধেশ্বৰ বৰাই। সভাত মুখ্য অতিথি হিচাপে সংগঠটোৰ কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা মধুমাধৱ শইকীয়া, সভাপতি ক্ষীৰোদ শইকীয়া, উপ-সভাপতি ভাস্কৰ শইকীয়া, কাৰ্যকৰী সভাপতি ৰজনী চুতীয়া, সাধাৰণ সম্পাদক মহেন বৰা, সহকাৰী সম্পাদকদ্বয় খৰ্গকান্ত চুতীয়া, ৰাজ বাঢ়ৈ, সাংগঠনিক সম্পাদক অৰন বৰা, গোলাঘাট জিলা সমিতিৰ প্ৰাক্তন সভাপতি পাপু শইকীয়া, সম্পাদক কুলেশ বৰা প্ৰমুখ্যে গোলাঘাট জিলা সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক দ্বিপেন কুমাৰ বৰা, ধনশিৰি মহকুমা সাংবাদিক সন্থাৰ সভাপতি মাখমুদ আলী, সাধাৰণ সম্পাদক অৱনী শৰ্মা, বৰপথাৰ প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক বিবেকানন্দ দত্ত, আপকুৰ ধনশিৰি সমিতিৰ সভাপতি হেমন্ত মহন্ত, আছুৰ ধনশিৰি সমিতিৰ সভাপতি বিকাশ বৰা, সাধাৰণ সম্পাদক মিণ্টু গগৈ, তাই আহোম ছাত্ৰ সন্থাৰ ধনশিৰি সমিতিৰ অনন্ত গগৈৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে । প্ৰতিনিধি সভাৰ পিছতে বিষয় বাছনি সভা অনুষ্ঠিত কৰা হয় । বিষয় বাছনি সভাত সংগঠনটোৰ গোলাঘাট জিলা সমিতিখন নতুনকৈ গঠন কৰা হয়। নতুন সমিতিত সভাপতি ৰিতু শইকীয়া আৰু আছু ত্যাগ কৰি নতুনকৈ যোগদান কৰা সুভাষ শইকীয়াক সাধাৰণ সম্পাদকৰ দায়িত্ব দিয়া হয়।

# কইনা ক'ভিড পজিটিভ, পিপিই কিট পিন্ধি বিবাহ



**জয়পুৰ, ৮ ডিচেম্বৰ ঃ** ৰাজস্থানৰ এটা ক'ভিড কেন্দ্ৰৰ বিবাহৰ অনুষ্ঠান। এই বিবাহৰ ফটো আৰু ভিডিঅ' ভাইৰেল হৈছে সামাজিক মাধ্যমত। কেলআৰা নামৰ ক'ভিড চেণ্টাৰত চিকিৎসাধীন হৈ থকা এগৰাকী যুৱতীৰ সৈতে স্থানীয় যুৱকৰ বিবাহ সম্পন্ন কৰা হৈছে। যুৱতীগৰাকী আক্ৰান্ত হৈছে ক'ভিড-১৯ ৰ দ্বাৰা। সেয়েহে যুৱক তথা দৰাজনে লগত পুৰোহিতক লৈ পি পি ই কিট পৰিধান কৰি বিবাহৰ মাংগলিক অনুষ্ঠান সম্পন্ন কৰিছে। দূৰৰ পৰা দৰা আৰু কইনাৰ আত্মীয়-স্বজনে আশীৰ্বাদ দিছে। কাৰণ ক'ৰনা ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হোৱা কইনাক স্পৰ্শ কৰাত বাধা আছে স্বাস্থ্য বিধি অনুসৰি।

# বিৰাট-অনুষ্কাৰ সৰ্বাধিক পছন্দৰ টুইট

**মুম্বাই, ৮ ডিচেম্বৰ ঃ** ভাৰতৰ ক্ৰিকেট তাৰকা বিৰাট কোহলি আৰু তেওঁৰ অভিনেত্ৰী পত্নী অনুষ্কা শৰ্মাৰ এখন যুগ্ম ফটোৱে চলিত বৰ্ষত সৰ্বাধিক জনপ্ৰিয়তা আৰু পছন্দৰ টুইট হিচাপে পৰিগণিত হৈছে। দুয়ো স্বামী-স্ত্ৰীয়ে এই ফটো টুইটাৰৰ জৰিয়তে প্ৰকাশ কৰিছিল আৰু ব্যক্ত কৰিছিল যে তেওঁলোকে প্ৰথম সন্তানক আদৰিবলৈ সাজু হৈ আছে। এই ঘোষণাই মুহূৰ্ততে ব্যাপক সঁহাৰি লাভ কৰা পৰিলক্ষিত হ'ল। ২০১৭ চনৰ ডিচেম্বৰ মাহত ইটালীত বিবাহপাশত আৱদ্ধ হোৱা বিৰাট-অনুষ্কাৰ আগন্তুক সন্তানৰ প্ৰতি দেশবাসী আৰু অনুৰাগী মহলে আশীৰ্বাদ, শুভেচ্ছা জ্ঞাপন কৰিছে। লগতে ২০২০ বৰ্ষত তেওঁলোকৰ এই টুইটাৰৰ



প্ৰতি সৰ্বাধিক লাইক অৰ্থাৎ পছন্দ হিচাপে সঁহাৰি দিয়া বুলিও টুইটাৰ কৰ্তৃপক্ষই ঘোষণা কৰিছে।

# বাংলা শিক্ষামন্ত্ৰী দীপুমণি ক'ভিড পজিটিভ

**ঢাকা, ৮ ডিচেম্বৰ ঃ** বাংলাদেশৰ শিক্ষামন্ত্ৰী দীপুমণি আক্ৰান্ত হৈছে নভেল ক'ৰনা ভাইৰাছৰ দ্বাৰা। তেওঁ টুইটাৰৰ জৰিয়তে এই কথা প্ৰকাশ কৰিছে। লগতে দেশখনৰ সংবাদ মাধ্যমতো প্ৰকাশ পাইছে এই তথ্য। মন্ত্ৰীগৰাকীৰ সচিব তথা জনসম্পৰ্কৰক্ষী বিষয়াই সংবাদ মাধ্যমৰ আগত কয় যে শিক্ষামন্ত্ৰীগৰাকী তেওঁ নিজৰ বাসভৱনতে আইচলেচনত আছে। ইয়াৰ পূৰ্বে প্ৰাক্তন শিক্ষা মন্ত্ৰী তথা আবামী লীগৰ নেতা নুৰুল ইছলাম নাহিদ আক্ৰান্ত হৈছিল ক'ৰনা ভাইৰাছৰ দ্বাৰা।



দেশখনত দুয়োটা ৰাজনৈতিক দলৰ এগৰাকী প্ৰাক্তন আৰু এগৰাকী বৰ্তমানৰ শিক্ষামন্ত্ৰী ক'ৰনাত আক্ৰান্ত হোৱাত সৃষ্টি হৈছে বিশেষ উৎকণ্ঠাৰ।

## অস্বস্তিত অমিত শ্বাহ ঃ সন্ধিয়া ৭ বজাত কৃষক নেতাৰে আলোচনা



**নতুন দিল্লী, ৮ ডিচেম্বৰ ঃ** প্ৰতিবাদী কৃষক সংগঠনৰ প্ৰতিনিধিৰ সৈতে আজি সন্ধিয়া ৭ বজাত আলোচনাত মিলিত হ'ব কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ। ইতিমধ্যে ভাৰত কিষাণ সমাজ আৰু অন্যান্য প্ৰতিবাদী কৃষক সংগঠনৰ নেতৃত্বই এই কথা ঘোষণা কৰিছে। অৱশ্যে আজিৰ আলোচনা হ'ব কাইলৈ হ'ব লগা বিশদ আলোচনাৰ প্ৰাৰম্ভিক প্ৰস্তুতিহে। কাৰণ ইয়াৰ পূৰ্বে তিনি দিনত পাঁচলানি আলোচনা কৰা হৈছিল। কেন্দ্ৰীয় চৰকাৰৰ হৈ কৃষি মন্ত্ৰী নৰেন্দ্ৰ সিং টোমৰ, খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী পীযুষ গোৱেল আদিৰ সৈতে প্ৰতিবাদী কৃষকৰ প্ৰায় দুকুৰীগৰাকী প্ৰতিনিধিয়ে আলোচনাত বহিছিল। ফলাফল মীমাংসাৰ দিশলৈ নাহিল। সেয়েহে প্ৰথমবাৰলৈ বিদ্ৰোহী কৃষকৰ সৈতে আলোচনাত বহিবলৈ বাধ্য হ'ল কেন্দ্ৰীয় গৃহমন্ত্ৰী।

# দেশজুৰি ভাৰত বন্ধ পালন, কৃষকৰ সমৰ্থনত ৰাজপথলৈ ওলাই আহিল নেতা-ৰাইজ




**নতুন দিল্লী, ৮ ডিচেম্বৰ ঃ** এদিনৰ বাবে স্তব্ধ হৈ গ'ল দেশৰ স্বাভাৱিক জীৱন যাত্ৰা। কাশ্মীৰৰ পৰা কন্যাকুমাৰীলৈকে, অৰুণাচলৰ পৰা গুজৰাটলৈকে কৃষকৰ প্ৰতিবাদী কাৰ্যসূচীৰ প্ৰতি সকলো শ্ৰেণীৰ ৰাইজে অকুণ্ঠচিত্তে সমৰ্থন জনোৱা দেখা গ'ল। আনকি বিজেপি শাসিত ৰাজ্যসমূহতো বন্ধৰ কাৰ্যসূচী বিঘ্নিত কৰিবলৈ সক্ষম নহ'ল। কৃষক-শ্ৰমিকৰ লগতে বিৰোধী ৰাজনৈতিক দলবোৰেও ৰাজপথলৈ ওলাই আহি দিল্লীত প্ৰতিবাদৰত কৃষকৰ প্ৰতি সমৰ্থন দেখুৱালে। প্ৰাপ্ত তথ্য মতে ভাৰত বন্ধৰ চাৰিঘণ্টীয়া কাৰ্যসূচী আছিল যদিও অসমকে ধৰি কেতবোৰ ৰাজ্যত প্ৰায় ১২ ঘণ্টা ধৰি এই কাৰ্যসূচী ৰূপায়ণ কৰা দেখা গ'ল। যাতায়াত আৰু পৰিবহণ ব্যৱস্থা সম্পূৰ্ণৰূপে ব্যাহত হোৱা বুলিব পাৰি। ৰাজধানী দিল্লীৰ ১০ টা প্ৰৱেশ পথ ভিতৰৰ ফালৰ পৰা আৰক্ষী-নিৰাপত্তাৰক্ষীয়ে আৰু বাহিৰৰ পৰা প্ৰতিবাদী কৃষকে আৱদ্ধ কৰি ৰাখে। ঘাজীপুৰ-ঘাজিয়াবাদ সীমান্তত ব্যাপক যান-জঁটৰ সৃষ্টি হোৱা দেখা গ'ল। পাঞ্জাৱৰ মোহালি অঞ্চল, চণ্ডীগড় ৰাষ্ট্ৰীয় ঘাইপথ আদিত স্বতস্ফূৰ্তভাৱে প্ৰতিবাদ ৰূপায়ণ কৰা দেখা গ'ল। পশ্চিমবংগ, মহাৰাষ্ট্ৰ, বিহাৰ, উৰিষ্যা আদিতো এই বন্ধ সম্পূৰ্ণৰূপে পালন কৰা পৰিলক্ষিত হ'ল। দিল্লীৰ চৌদিশে অভেদ্য নিৰাপত্তা বেষ্টু গঢ়ি তোলা হ'ল আৰু দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক ঘৰৰ বাহিৰলৈ ওলাই অহাত বাধা দিয়া দেখা গ'ল। অৱশ্যে এই বন্ধৰ সময়ছোৱাত কোনো ধৰণৰ হিংসাত্মক কাৰ্য সংঘটিত হোৱা বুলি বৰ্তমানলৈকে খবৰ অহা নাই। ইফালে মহাৰাষ্ট্ৰৰ শাসকীয় মৰ্চাৰ অন্যতম অংশীদাৰ এনচিপিৰ মুৰব্বী শাৰদ পাৱাৰে কয় যে কাইলৈ অৰ্থাৎ বুধবাৰে ৫-৬ জনীয়া এটা প্ৰতিনিধি দলে ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দক সাক্ষাৎ কৰিব। ৰাষ্ট্ৰপতিয়ে ইতিমধ্যে বিয়লি ৫ বজাত সাক্ষাতৰ বাবে অনুমতি দিছে। কৃষক বিদ্ৰোহক নিয়ন্ত্ৰণৰ বাবে ৰাষ্ট্ৰপতিৰ হস্তক্ষেপ বিচাৰিব প্ৰতিনিধিৰ দলটোৱে। অন্য এক লক্ষণীয় বিষয় এয়ে যে পাঞ্জাৱত আজি ৫০ হেজাৰতকৈও অধিক চৰকাৰী কৰ্মচাৰীয়েও প্ৰতিবাদী কৃষকৰ প্ৰতি সমৰ্থন জ্ঞাপন কৰিছে। আনকি পাঞ্জাৱ প্ৰদেশৰ সচিবালয়ৰ কৰ্মচাৰীসকলেও বন্ধলৈ সমৰ্থন জনোৱা দেখা গ'ল। চত্তীশগড় প্ৰদেশৰ ৰায়পুৰ অঞ্চলতো কোনো ধৰণৰ চৰকাৰী কাৰ্যালয়ত কৰ্মচাৰীৰ সঠিক উপস্থিতি দেখা নগ'ল। উছমানিয়া বিশ্ববিদ্যালয়ত অনুষ্ঠিত হৈ থকা সকলো ধৰণৰ পৰীক্ষা আজি বাতিল কৰা হৈছিল। মুঠৰ ওপৰত যোৱা ২৬ নৱেম্বৰৰ পৰা পাঞ্জাৱ আৰু হাৰিয়ানাৰ কৃষকে আৰম্ভ কৰা দিল্লী চলো সমদল তথা বিতৰ্কিত কৃষি আইন বাতিলৰ প্ৰতিবাদী কাৰ্যসূচী এতিয়া দেশবাসীৰ উমৈহতীয়া কাৰ্যসূচী হিচাপে পৰিগণিত হোৱা বুলিব পাৰি।

## কেজৰিৱালক গৃহবন্দী !

# বিক্ষুব্ধ সমৰ্থকে ভাঙিলে আৰক্ষীৰ বেৰিকেড



**নতুন দিল্লী, ৮ ডিচেম্বৰ ঃ** দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক গৃহবন্দী কৰাৰ খবৰে ৰাজধানী চহৰখনত সৃষ্টি কৰে তীব্ৰ প্ৰতিক্ৰিয়াৰ। যাৰ বাবে একাংশ দলীয় কৰ্মী আৰু সমৰ্থকে আৰক্ষীৰ বেৰিকেড ভাঙি হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰে। উল্লেখ্য যে প্ৰতিবাদী কৃষকে আহ্বান জনোৱা ভাৰতবন্ধ কাৰ্যসূচীৰ প্ৰতি আম আদমি দল আৰু দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন চৰকাৰে সমৰ্থন জ্ঞাপন কৰে। কালি মুখ্যমন্ত্ৰীৰ লগতে মন্ত্ৰীসভাৰ একাংশ সদস্য আৰু বিধায়কে প্ৰতিবাদী কৃষকৰ কাষত থিয় হৈ তেওঁলোকৰ প্ৰতি সহমৰ্মিতা জ্ঞাপন কৰে। ফলত আজিৰ প্ৰতিবাদী কাৰ্যসূচী অধিক সবল হৈ পৰে। এই কথাত আতংকিত হৈ পৰে দেশৰ কেন্দ্ৰীয় চৰকাৰ। যাৰ বাবে আজি কোনো কাৰণতে অৰবিন্দ কেজৰিৱালক বাসগৃহৰ বাহিৰলৈ ওলাই অহাত বাধা দিয়া দেখা যায়। সামাজিক মাধ্যমৰ জৰিয়তে কেজৰিৱালক বাধা প্ৰদান কৰাৰ খবৰে সৃষ্টি কৰে প্ৰতিক্ৰিয়াৰ। যাৰ বাবে উপ-মুখ্যমন্ত্ৰী মনীষ শিশুদিয়াৰ নেতৃত্বত এটা দলে সমদল কৰি মুখ্যমন্ত্ৰী কেজৰিৱালক আৰক্ষীৰ বেষ্টুৰ পৰা উলিয়াই অনাৰ প্ৰচেষ্টা চলোৱা দেখা গ'ল। কিন্তু আৰক্ষীয়ে উপ-মুখ্যমন্ত্ৰীৰ লগতে দলটোৰ সাংসদ ভগৱত মন তথা অন্যান্য নেতাসকলক বাধা প্ৰদান কৰে। এই কাৰ্যত আম আদমিৰ কৰ্মীসকল উত্তেজিত হৈ পৰে। অৱশ্যে কোনো ধৰণৰ বিক্ষিপ্ত হিংসাত্মক ঘটনা সংঘটিত নোহোৱাকৈয়ে পৰিস্থিতি নিয়ন্ত্ৰণৰ অধীনলৈ আহে।

## ভৱিষ্যনিধিৰ বাছনি পৰীক্ষা কেন্দ্ৰ সলনিৰ অনুমতি



**নতুন দিল্লী, ৮ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় লোকসেৱা আয়োগৰ এক ঘোষণাই সকাহ দিছে লাখ লাখ চাকৰি প্ৰাৰ্থীক। সেই অনুসৰি যিসকলে কৰ্মচাৰীৰ ভৱিষ্যনিধি সংস্থা চমুকৈ ইপিএফঅ'ৰ বিভিন্ন পদৰ বাবে বাছনি পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ আবেদন জনাইছিল, তেওঁলোকে ইচ্ছা কৰিলে পৰীক্ষা কেন্দ্ৰ সলনি কৰিব পাৰিব। লোকসেৱা আয়োগৰ তৰফৰ পৰা কোৱা হৈছে যে একাংশ আবেদনকাৰীয়ে পৰীক্ষা কেন্দ্ৰ সলনিৰ বাবে আয়োগক অনুৰোধ জনাইছিল। সেয়েহে দুটা পৰ্যায়ত পৰীক্ষা কেন্দ্ৰ সলনিৰ বাবে অনুমতি প্ৰদান কৰা হৈছে। অহা ১৫ ডিচেম্বৰৰ পৰা ২১ ডিচেম্বৰলৈ প্ৰথম পৰ্যায়ত আৰু ২৯ ডিচেম্বৰৰ পৰা ৪ জানুৱাৰীলৈ দ্বিতীয় পৰ্যায়ত পৰীক্ষা কেন্দ্ৰ সলনি কৰিব পাৰিব। আগন্তুক নৱবৰ্ষৰ ৯ মে' তাৰিখে দেশৰ ৭২ টা পৰীক্ষা কেন্দ্ৰত ভৱিষ্যনিধি বিত্ত সংস্থাৰ কৰ্মচাৰী নিযুক্তিৰ বাবে বাছনি পৰীক্ষা অনুষ্ঠিত হ'ব।

# পৰীক্ষা নিয়ন্ত্ৰকৰ ঘোষণা, পূৰ্বৰ দৰেই ফেব্ৰুৱাৰী-মাৰ্চত হ'ব চিবিএছইৰ চূড়ান্ত পৰীক্ষা

**নতুন দিল্লী, ৮ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ চমুকৈ চিবিএছইৰ ২০২১ বৰ্ষৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাসমূহ পূৰ্বৱৰ্তী বৰ্ষৰ দৰেই ফেব্ৰুৱাৰী-মাৰ্চ মাহত অনুষ্ঠিত হ'ব। পৰিষদৰ পৰীক্ষা নিয়ন্ত্ৰক চৈন্যম ভৰদ্বাজে সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰিছে। অৱশ্যে চিবিএছইৰ নিজস্ব মাধ্যমৰ জৰিয়তে কিছুদিনৰ পিছতহে এই ঘোষণা প্ৰদান কৰিব বুলি আঙুলিয়াই দিয়ে। প্ৰণিধানযোগ্য এয়ে যে ক'ভিড মহামাৰীৰ বাবে চিবিএছইৰ দশম-দ্বাদশ পৰীক্ষাসমূহ অনুষ্ঠিত হ'বনে নহয়, তাক লৈ দোধোৰ-মোধোৰত আছিল শিক্ষাৰ্থী আৰু অভিভাৱকসকল। নিশ্চিত নাছিল শিক্ষকসকলো। একাংশই অনলাইন মাধ্যমেৰে পৰীক্ষা হ'ব বুলিও প্ৰচাৰ চলাইছিল। কিছুদিনৰ পূৰ্বে অনলাইন মাধ্যমৰ



পৰীক্ষাৰ সম্ভাৱনা নাকচ কৰে চিবিএছইৰ কৰ্তৃপক্ষই। আজি স্বয়ং পৰীক্ষা নিয়ন্ত্ৰকে ঘোষণা কৰাৰ পিছত দেশৰ লাখ লাখ উৎকণ্ঠিত শিক্ষাৰ্থী আৰু তেওঁলোকৰ অভিভাৱক, শিক্ষানুষ্ঠানসমূহৰ শিক্ষক-কৰ্মচাৰী আদি নিশ্চিত হ'বলৈ সক্ষম হ'ল।

# কোৱাৰেণ্টাইন উলংঘাকাৰীয়ে ভৰিলে ৩ লাখ টকাৰ জৰিমনা

**টাইৱান, ৮ ডিচেম্বৰ ঃ** ক'ৰনা সংক্ৰমণৰ আশংকাত প্ৰতিষ্ঠা কৰা কোৱাৰেণ্টাইন কেন্দ্ৰৰ নিৰ্দেশ ভংগ কৰাৰ বাবে এজন ব্যক্তিৰ পৰা প্ৰায় তিনি লাখ টকা জৰিমনা আদায় কৰা হৈছে। প্ৰাপ্ত তথ্য মতে টাইৱানৰ কাউছিয়াং নগৰৰ এখন হোটেলত কোৱাৰেণ্টাইন



কেন্দ্ৰ স্থাপন কৰা হৈছিল। চিকিৎসকে এই কেন্দ্ৰলৈ প্ৰেৰণ কৰিছিল ফিলিপাইনছৰ পৰা প্ৰব্ৰজিত কৰা এগৰাকী কৰ্মীক। কিন্তু কৰ্মীগৰাকীয়ে অসাৱধানবশতঃ ৮ ছেকেণ্ডৰ বাবে কোৱাৰেণ্টাইনৰ নিৰ্দেশনা উলংঘন কৰিছিল। চিচি টিভি কেমেৰাত এই কথা ধৰা পৰে। ফলত হোটেল কৰ্তৃপক্ষই টাইৱানৰ চিকিৎসা বিভাগক খবৰ দিয়ে আৰু পিছত কৰ্তৃপক্ষই আহি লোকজনৰ পৰা এক লাখ টকাৰ টাইৱান ডলাৰ আদায় কৰে জৰিমনা হিচাপে। ভাৰতীয় টকাৰ নিৰিখত এই পৰিমাণ প্ৰায় তিনি লাখ টকা বুলি উল্লেখ কৰা হৈছে। টাইৱান প্ৰশাসনে কোৱাৰেণ্টাইন নীতিৰ ক্ষেত্ৰত সদায় কঠোৰ পদক্ষেপ পালন কৰি অহা বুলি কোৱা হৈছে।


# হু ফাউণ্ডেশ্বনৰ মুখ্য কাৰ্যবাহী পদত ভাৰতীয় বংশোদ্ভৱ অনিল ছ'নী

**জেনেভা, ৮ ডিচেম্বৰ ঃ** ভাৰতীয় বংশোদ্ভৱ তথা বিশেষজ্ঞ চিকিৎসক অনিল ছ'নীৰ কান্ধত পৰিল গুৰু দায়িত্ব। বিশ্ব স্বাস্থ্য সংস্থাৰ দ্ৰুত সিদ্ধান্ত ৰূপায়ণকাৰী হু ফাউণ্ডেচনৰ মুখ্য কাৰ্যবাহী পদত তেওঁক নিযুক্তি দিয়া হৈছে। বিশ্বত হঠাতে আহি পৰা স্বাস্থ্য সংকট বা প্ৰত্যাহ্বানৰ বিষয়ত হুৰ নিৰ্দেশত হু ফাউণ্ডেচনে তৎকালীন পদক্ষেপ গ্ৰহণ কৰে। ইয়াৰ মুখ্য কাৰ্যবাহী পদত নিযুক্তি লাভ কৰা অনিল ছ'নীয়ে আগন্তুক নৱবৰ্ষৰ প্ৰথম




দিনটোতে কাৰ্যভাৰ গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। উল্লেখ্য যে সমগ্ৰ বিশ্বতে এগৰাকী সক্ৰিয় আৰু বিশেষজ্ঞ চিকিৎসা বিষয়া হিচাপে অনিল ছ'নীৰ নাম আছে। যোৱা দুই দশতকৈও অধিক কাল এইচ আই ভি তথা এইডছৰ সংক্ৰমণৰ ৰোধত তেওঁ সদৰ্থক ভূমিকা লৈ আহিছে।

# ভাৰতীয় বংশোদ্ভৱ হৰি শুক্লাই লাভ কৰিলে ভেকচিন



**লণ্ডন, ৮ ডিচেম্বৰ ঃ** লণ্ডনৰ জ্যেষ্ঠ নাগৰিক তথা ৮৭ বছৰ বয়সীয়া ভাৰতীয় বংশোদ্ভৱ হৰি শুক্লাই আজি লাভ কৰিবলৈ সক্ষম হ'ল নভেল ক'ৰনা ভাইৰাছৰ ভেকচিন। তেওঁ সংবাদ মাধ্যমৰ আগত অৱগত কৰে যে চিকিৎসালয়ৰ পৰা টেলিফোনৰ জৰিয়তে ভেকচিন ল'বলৈ আমন্ত্ৰণ জনোৱা হয়। ইয়াৰ বাবে তেওঁ অতিশয় আনন্দিত হৈ পৰে আৰু নিৰ্দিষ্ট সময়ত চিকিৎসালয়ত উপস্থিত হয়। ফলত চিকিৎসকসকলে তেওঁৰ দেহত ভেকচিন প্ৰয়োগ কৰে। এই কাৰ্যত ভাৰতীয় বংশোদ্ভৱ জ্যেষ্ঠ নাগৰিকজনে অত্যন্ত সন্তোষ প্ৰকাশ কৰা দেখা গৈছে।

# মেহবুবা মুফটিক নিজৰ বাসগৃহতে কৰিলে বন্দী !



**শ্ৰীনগৰ, ৮ ডিচেম্বৰ ঃ** জম্মু-কাশ্মীৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা পিডিপি দলৰ মুৰব্বী মেহবুবা মুফটি ছয়িদক নিজৰ ঘৰতে আৰক্ষীয়ে বন্দী কৰাৰ অভিযোগ উঠিছে। টুইটাৰৰ জৰিয়তে তেওঁ প্ৰকাশ কৰা তথ্য অনুসৰি শ্ৰীনগৰৰ গুপকাৰ ৰোডত অৱস্থিত বাসগৃহত আৰক্ষী আৰু নিৰাপত্তাৰক্ষীয়ে তেওঁক আৱদ্ধ কৰি ৰাখিছে। কেন্দ্ৰীয় কাশ্মীৰৰ বাৰ্গাম জিলাত উচ্ছেদ কৰা একাংশ পৰিয়ালক সাক্ষাৎ কৰিবলৈ তেওঁ যাত্ৰা কৰিব খুজিছিল। কিন্তু তেতিয়াই ঘৰৰ বাহিৰত ৰৈ থকা আৰক্ষী আৰু নিৰাপত্তাৰক্ষীয়ে তেওঁৰ এই যাত্ৰাত বাধা আৰোপ কৰে। লগতে নিজৰ ঘৰতে আবদ্ধ কৰি ৰাখে। ইয়াৰ প্ৰতিবাদত তেওঁ টুইটাৰৰ জৰিয়তে কয় যে ভাৰত চৰকাৰে এতিয়া অবৈধভাৱে আটক কৰি ৰখাটো নীতি হিচাপে গ্ৰহণ কৰিছে। বিশেষকৈ বিৰোধী দলৰ নেতা-কৰ্মীসকলক এনেদৰে আটক কৰি ৰাখি চৰকাৰে নিজৰ স্বেচ্ছাচাৰিতা প্ৰদৰ্শন কৰিছে। এই কাৰ্য গণতন্ত্ৰৰ পৰিপন্থী বুলি উল্লেখ কৰি আঙুলিয়াই দিয়ে যে জম্মু-কাশ্মীৰত কোনো ধৰণৰ প্ৰশ্ন নকৰাকৈয়ে যাকে-তাকে আটক কৰাৰ ঘটনা নিতৌ সংঘটিত হৈ আহিছে।

## ইনভেষ্ট ইণ্ডিয়া ঃ প্ৰধানমন্ত্ৰী মোডীৰ ভূয়সী প্ৰশংসা

# ৰাষ্ট্ৰসংঘৰ বিনিয়োগ উৎকৰ্ষ বঁটা ভাৰতলৈ

**নতুন দিল্লী, ৮ ডিচেম্বৰ ঃ** ইউনাইটেড নেচনছ ইনভেষ্টমেণ্ট প্ৰমোচন এৱাৰ্ড-২০২০ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে ভাৰতে। কালি ৰাষ্ট্ৰসংঘৰ জেনেভাস্থিত মুখ্য কাৰ্যালয়ত ভাৰতক এই বঁটা প্ৰদান কৰা হয়। ফলত সন্তোষ প্ৰকাশ কৰিছে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে। তেওঁ ব্যক্ত কৰে যে ইনভেষ্ট ইণ্ডিয়া শীৰ্ষক এক কাৰ্যসূচীৰে ভাৰতবৰ্ষই বিদেশৰ পুঁজিপতি গোষ্ঠীক ভাৰতত বিনিয়োগ কৰিবলৈ আমন্ত্ৰণ জনাইছিল। ভাৰতৰ মাটিৰ পৰা বিনিয়োগৰ পিছত উৎপাদিত সামগ্ৰীৰ বিশ্বজোৰা বজাৰ গঢ়ি তুলিবৰ বাবেও প্ৰধানমন্ত্ৰীয়ে আহ্বান জনাইছিল। প্ৰধানমন্ত্ৰীয়ে এই আহ্বানৰ প্ৰতি বিশ্বৰ বিভিন্ন স্থানৰ পুঁজিপতি আৰু বিনিয়োগকাৰী সংস্থাসমূহে সঁহাৰি জনাইছে। যাৰ বাবে এতিয়া ভাৰতত বিদেশী বিনিয়োগ বৃদ্ধি পাইছে আৰু বহিঃ দেশৰ পুঁজিয়ে ভাৰতৰ বিকাশমূলক কাৰ্যসূচীত গুৰুত্বপূৰ্ণ ভূমিকা ল'বলৈ সক্ষম হৈছে। ইয়াৰ বাবেই বিশ্বৰ নেতৃত্বই এতিয়া



ভাৰতৰ ফালে আগ্ৰহেৰে পৰ্যৱেক্ষন কৰিছে। সেয়েহে বিদেশী বিনিয়োগৰ দ্বাৰা ভাৰতৰ মাটিত উৎপাদন কৰিবলৈ চৰকাৰে মেক ইন ইণ্ডিয়া আঁচনি ঘোষণা কৰিছিল আৰু এই আঁচনি ৰূপায়ণৰ বাবে আৱশ্যক হোৱা পুঁজি আহৰণ কৰিবলৈ ইনভেষ্ট ইন ইণ্ডিয়া কাৰ্যসূচীৰ শুভাৰম্ভ ঘটাইছিল। ফলশ্ৰুতিত ৰাষ্ট্ৰসংঘই ভাৰতক প্ৰদান কৰে চলিত বৰ্ষৰ বিনিয়োগ উৎকৰ্ষ বঁটা।

## আৰম্ভ হ'ল মহামাৰী কৰ'নাৰ প্ৰতিৰোধী ফাইজাৰ বায় এন টেকৰ ভেকচিনৰ প্ৰয়োগ

# ব্ৰিটেইনৰ ৯০বছৰীয়া বৃদ্ধাই ল'লে ক'ভিড ভেকচিন

**লণ্ডন, ৮ ডিচেম্বৰ ঃ** গ্ৰেট ব্ৰিটেইনৰ ৯০ বছৰ বয়সীয়া বৃদ্ধা মাৰ্গৰেট কিনান। এইগৰাকী মহিলাৰ নামত খোদিত হৈ ৰ'ল নতুনকৈ আৱিষ্কৃত হোৱা নভেল ক'ৰনা ভাইৰাছৰ প্ৰতিৰোধী ভেকচিন গ্ৰহণ কৰা প্ৰথমগৰাকী ব্যক্তি হিচাপে। আজি পুৱা ভাৰতীয় সময়সীমা অনুসৰি ৬.৩১ বজাত মাৰ্গাৰেট কিনানক ৰাষ্ট্ৰীয় স্বাস্থ্য সেৱাৰ অধীনত এগৰাকী নাৰ্ছে ফাইজাৰ বায় এন টেক ভাইৰাছ প্ৰতিৰোধী ভেকচিন প্ৰয়োগ কৰে। ইয়াৰ লগে লগে বিশ্বত প্ৰথমটো



ক'ৰনা ভেকচিন হিচাপে পৰিগণিত হোৱা ফাইজাৰ ভেকচিনৰ মানৱ দেহত প্ৰয়োগ প্ৰক্ৰিয়া আৰম্ভ হ'ল। এসপ্তাহৰ পিছতে এইগৰাকী বৃদ্ধাই ৯১ বছৰ বয়সত ভৰি দিব আৰু ইয়াৰ আগমুহূৰ্তত ভেকচিন গ্ৰহণ কৰি উৎফুল্লিত হৈ পৰা দেখা গৈছে। এইগৰাকী মহিলাৰ এগৰাকী কন্যা আৰু এগৰাকী পুত্ৰ সন্তানৰ লগতে চাৰিটা নাতি-নাতিনী আছে। অৱশ্যে ২১ দিনৰ পিছত এই ভেকচিনৰ দ্বিতীয়পালি গ্ৰহণ কৰিব লাগিব বুলি চিকিৎসকে প্ৰকাশ কৰিছে। উল্লেখ্য যে চলিত বৰ্ষৰ আৰম্ভণিৰ পৰাই বিশ্বজুৰি নভেল ক'ৰনা ভাইৰাছৰ ব্যাপক সংক্ৰমণে বহু লোকৰ প্ৰাণ কাঢ়ি নিয়া পৰিলক্ষিত হ'ল। বিশ্বৰ উন্নত দেশবোৰতো ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধৰ ক্ষেত্ৰত ব্যৰ্থ হোৱা দেখা গ'ল। ফলশ্ৰুতিত বিভিন্ন দেশত এই ভাইৰাছৰ প্ৰতিৰোধী ভেকচিন উদ্ভাৱনৰ বাবে দিনে-ৰাতিয়ে অক্লান্ত প্ৰয়াস চলোৱা পৰিলক্ষিত হৈ আহিছে। ইয়াৰ মাজতে ব্ৰিটেইন প্ৰশাসনে ফাইজাৰ নামেৰে এতি ভেকচিন উদ্ভাৱন কৰা বুলি ঘোষণা কৰে আৰু সেই ভেকচিনত প্ৰয়োগ আজি আৰম্ভ কৰা দেখা গ'ল। অৱশ্যে ভাৰতকে ধৰি ৰাছিয়া, ইংলেণ্ড, আমেৰিকা যুক্তৰাষ্ট্ৰ আদিত অন্য কেইবাটাও ভেকচিনৰ চূড়ান্ত সম্পৰীক্ষা চলি থকা বুলি ব্যক্ত কৰা হৈছে।

# তৃতীয় টি-২০ত জয়ী কেংগেৰু বাহিনী

## অথ'লে গ'ল কোহলিৰ দৰ্শনীয় অৰ্ধশতক


**ছিডনী, ৮ ডিচেম্বৰ ঃ** অধিনায়ক বিৰাট কোহলিৰ দৰ্শনীয় ৮৫ ৰাণেও অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে জয়ী কৰাব নোৱাৰিলে ভাৰতীয় দলক। আজি ছিডনী গ্ৰাউণ্ডত অনুষ্ঠিত চূড়ান্ত তথা অন্তিম টি-২০খেলখনত ভাৰতীয় দলটো কেংগেৰু বাহিনীৰ হাতত বাৰ ৰাণত পৰাস্ত হয়। এই জয়েৰে অষ্ট্ৰেলিয়াই টি-২০ শৃংখলাত ২-১ ব্যৱধানলৈ হ্ৰাস কৰিবলৈ সক্ষম হয়। টছত জয়লাভ কৰি ভাৰতে কেংগেৰু বাহিনীক বেটিং কৰিবলৈ পঠাই যদিও মেথিউ ৱাডে আৰু গ্লেন মেক্সৱেলৰ দৰ্শনীয় অৰ্ধশতকৰ সহায়ত অষ্ট্ৰেলিয়াই নিৰ্ধাৰিত অভাৰত ১৮৬ ৰাণ সংগ্ৰহ কৰে। মেথিউ ৱাডেই ৫৩ টা বলত ৮০ ৰাণ সংগ্ৰহ কৰে। মেক্সৱেলে সংগ্ৰহ কৰে ৫৪ ৰাণ। দহখন টি-২০খেলত অপৰাজিত হৈ ৰোৱা ভাৰতীয় দলটোৱে আজি কেংগেৰু বাহিনীৰ ওচৰত বিশেষ শক্তিশালী প্ৰদৰ্শন কৰিব নোৱাৰিলে। কেৱল অধিনায়ক কোহলিয়ে ৬১টা বলত ৮৫ ৰাণ সংগ্ৰহ কৰি কিছু প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছিল যদিও বাকী বেটছমেনসকল সফল সহ'ব নোৱাৰিলে। অ'পেনাৰ শিখৰ ধাৱনে ২১ বলত ২৮ ৰাণ আৰু হাৰ্দিক পাণ্ডিয়াই ১৩ বলত ২০ ৰাণ সংগ্ৰহ কৰে। আজি ভাৰতীয় বলাৰসকলেও বিশেষ প্ৰত্যাহ্বান সৃষ্টি কৰিব নোৱাৰিলে অষ্ট্ৰেলিয়াৰ সন্মুখত। কেৱল ৱাশ্বিংটন সুন্দৰে ৩৪ ৰাণত দুটা উইকেট দখল কৰে। টি নটৰাজন আৰু ছাৰ্দুল ঠাকুৰে এটাকৈ উইকেট লাভ কৰে। অষ্ট্ৰেলিয়াই বান্ধি দিয়া ১৮৬ ৰাণৰ লক্ষ্য আগত লৈ ভাৰতীয় দলটোৱে নিৰ্দিষ্ট অভাৰত সাত উইকেটৰ বিনিময়ত ১৭৪ ৰাণহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। অষ্ট্ৰেলিয়াৰ পেচ বলাৰ মিছেল স্বোয়েপনৰ দৰ্শনীয় বলিঙৰ সন্মুখত তিষ্টিব নোৱাৰিলে ভাৰতীয় বেটিং লাইন আপ। স্বোয়েপনে ২৩ ৰাণত তিনিটা উইকেট দখল কৰে। মেক্সৱেল আৰু জাম্পাই এটাকৈ উইকেট লাভ কৰে। খেলৰ প্লেয়াৰ অব দ্য মেচৰ সন্মান লাভ কৰে মিছেল স্বোয়েপনে। আনহাতে পূৰ্বৰ দুখন মেচত দৰ্শনীয় প্ৰদৰ্শন আগবঢ়োৱা ভাৰতীয় অলৰাউণ্ডাৰ হাৰ্দিক পাণ্ডিয়াই মেন অব দ্য ছিৰিজৰ সন্মান লাভ কৰে। উল্লেখ কৰিব পাৰি যে অহা ১৭ ডিচেম্বৰৰ পৰা ভাৰতে ঘৰুৱা দল অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে প্ৰথমখন টেষ্টত অৱতীৰ্ণ হ'ব।



## কে কে য়ুথ ক্লাবৰ চূড়ান্ত বিজয়ীৰ খিতাপ



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিবেদক, গৰেমাৰী, ৮ ডিচেম্বৰ ঃ** বৰপেটা জিলাৰ গৰেমাৰীস্থিত জি বি স্প'টচ ক্লাবে আয়োজন কৰা প্ৰতিযোগিতামূলক ক্ৰিকেট খেলৰ ৭ ডিচেম্বৰৰ চূড়ান্ত মেচত কুমুল্লীপাৰাস্থিত কে কে ইয়ূথ ক্লাবে চূড়ান্ত বিজয়ীৰ খিতাপ লাভ কৰে। যোৱা ২৬ নৱেম্বৰত পৰা আৰম্ভ হোৱা খেলত বৰপেটা জিলাৰ বিভিন্ন অঞ্চলৰ মুঠ ৩২ টা দলেঅংশগ্ৰহণ কৰে। চৰম উত্তেজনাপূৰ্ণ চূড়ান্ত খেলত স্থানীয় বজাৰ একাদশক হৰুৱাই কে কে ইয়ুথ ক্লাবে বিজয় সাব্যস্ত কৰে। নগদ ১০০০০ হাজাৰ টকা আৰু ট্ৰফী লাভেৰে অঞ্চল লৈ সুনাম কঢ়িয়াই আনে।




## ক'ভিডৰ বাবে বন্ধ থকা নিউকেচল ট্ৰেইনিং চেণ্টাৰ মুকলি

**নিউজ ডেস্ক, ৮ ডিচেম্বৰ ঃ** বিখ্যাত নিউকাছল ক্লাবে তেওঁলোকৰ ট্ৰেইনিং চেণ্টাৰতো প্ৰশিক্ষণৰ বাবে পুনৰবাৰ মুকলি কৰি দিছে। নিউকাছল ইউনাইটেড চেণ্টাৰৰ খেলুৱৈসকলৰ প্ৰশিক্ষণৰ বাবে মঙলবাৰে ক্লাবটো পুনৰ মুকলি কৰা হয়। উল্লেখ কৰিব পাৰি যে যোৱা শুকুৰবাৰে ক্লাবটোৰ বহু খেলুৱৈ ক'ভিড পজিটিভ ধৰা পৰিছিল। প্ৰিমিয়াৰ লীগত এষ্টনভিলাৰ বিৰুদ্ধে খেলা এখন খেনত নিউকাছলৰ মেচখন ক'ভিড-১৯ৰ বাবেই বাতিল কৰা হৈছিল। অৱশ্যে ট্ৰেইনিং চেণ্টাৰটো মুকলি কৰিলেও খেলুৱৈসকলে ক'ভিডৰ প্ৰটকল মানি চলিব লাগিব।

## প্ৰয়াত বিশিষ্ট ক্ৰীড়া সংগঠক ক্ষীৰেশ্বৰ গগৈৰ বাসগৃহত মুখ্যমন্ত্ৰী সোণোৱাল

**গুৱাহাটী, ৮ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি সদ্যপ্ৰয়াত বিশিষ্ট ক্ৰীড়া সংগঠক, সমাজকৰ্মী ক্ষীৰেশ্বৰ গগৈৰ ডিব্ৰুগড় চহৰৰ মিলন নগৰস্থিত বাসগৃহলৈ গৈ তেখেতৰ পৰিয়ালৰ সৈতে মত-বিনিময় কৰি গভীৰ সমবেদনা জ্ঞাপন কৰে। ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ এগৰাকী বিশিষ্ট ক্ৰীড়া সংগঠক ক্ষীৰেশ্বৰ গগৈৰ মৃত্যু আমাৰ সমাজ জীৱন তথা ক্ৰীড়া জগতৰ বাবে অপূৰণীয় ক্ষতি। প্ৰতিষ্ঠাকালৰে পৰা মিলনজ্যোতি সংঘৰ সৈতে জড়িত থাকি ৰাজ্যৰ ক্ৰীড়া জগতখনক শক্তিশালী কৰাৰ দিশত তেখেতে যথেষ্ট ত্যাগ স্বীকাৰ কৰি গৈছে। তেখেতৰ বৰঙণি অসমৰ মানুহে কেতিয়াও পাহৰিব নোৱাৰে। প্ৰয়াত গগৈ ক্ৰীড়া জগতত সদায়ে স্মৰণীয় হৈ থাকিব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ক্ষীৰেশ্বৰ গগৈৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে।



## ছিনিয়ৰ আন্তঃজিলা ভলীবললৈ ডিব্ৰুগড় দল ঘোষণা

**ডিব্ৰুগড়, ৮ ডিচেম্বৰ ঃ** ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাই ছিনিয়ৰ আন্তঃজিলা ভলীবলত অংশগ্ৰহণ কৰিবলগীয়া দলটো ঘোষণা কৰিছে। ক্ৰীড়া সন্থাৰ ভলীবল সন্থাৰ সম্পাদক শৈলেন সোণোৱালে দলটো ঘোষণা কৰে। সদৌ অসম আন্তঃজিলা ছিনিয়ৰ ভলীবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া ছিনিয়ৰ ল'ৰাৰ দলটো হ'ল— পবিত্ৰ দেউৰী (ৰাজগড়), সিদ্ধাৰ্থ সিং, ৰাহুল যাদৱ (দুলীয়াজান), চম্পক দিহিংগীয়া (মৰাণ), প্ৰাঞ্জল শইকীয়া, দিপম সোণোৱাল আৰু অমল শইকীয়া (ডিব্ৰুগড়), শশাংক সোণোৱাল (নাহৰকটীয়া), বিতু চেতিয়া (টেঙাখাত), অভিজিত মৰাণ, অৰবিন্দ শৰ্মা (মৰাণ) আৰু দ্বীপজ্যোতি সোণোৱাল (বৰবৰুৱা)। আনহাতে ট্ৰেনবাই হিচাপে থাকিব পাৰ্থ দেউৰী আৰু সন্তোষ সোণোৱাল।

### ডাঃ সুনীল বৰুৱা সোঁৱৰণী ক্ৰিকেট

## ৰয়েল ক্লাবৰ লখৰা ক্ৰিকেট কোচিং চেণ্টাৰৰ বিৰুদ্ধে জয়

**গুৱাহাটী, ৮ ডিচেম্বৰ ঃ** স্থানীয় লতাশিল খেলপথাৰত চলি থকা ডাঃ সুনীল বৰুৱা সোঁৱৰণি আন্তঃ কোচিং চেণ্টাৰ ক্ৰিকেট টুৰ্ণামেণ্টৰ আজি অনুষ্ঠিত এখন খেলত ৰয়েলছক্লাবে লখৰা ক্ৰিকেট কোচিং চেণ্টাৰক ৪৩ ৰাণৰ ব্যৱধানত পৰাস্ত কৰে। টছত হাৰি প্ৰথমে বেটিং কৰা ৰয়েলছ দলে নিৰ্দিষ্ট ৩০ অভাৰত ছয় উইকেটৰ বিনিময়ত ২৫৭ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ যোগেন্দ্ৰ সিঙে ৯০ টা বলত অপৰাজিত ১৪৫ ৰাণ সংগ্ৰহ কৰি দৰ্শনীয় প্ৰদৰ্শন দাঙি ধৰে। দলৰ হৈ আকাশ বাছফৰে ৪৮ ৰাণ সমগ্ৰহ কৰে। প্ৰত্যুত্তৰত ৰয়েলছ ক্লাবৰ বিশাল ৰাণৰ সন্মুখত লখৰা ক্ৰিকেট কোচিং চেণ্টাৰে ২১৪ ৰাণহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। দলৰ হৈ শচীন হাজাৰে সৰ্বোচ্ছ ৮৩ ৰাণ সংগ্ৰহ কৰাৰ বিপৰীতে টিংকু সাহে ২৯ ৰাণ কৰে। ৰয়েলছ দলৰ হৈ বলিঙত অমল গোহাই বৰুৱাই তিনি অভাৰত ৩১ ৰাণ দি তিনিটা উইকেট লাভ কৰে।

## ১৩ ডিচেম্বৰত বৰভাগ আঞ্চলিক ক্ৰীড়া সংঘৰ ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেল

**নলবাৰী, ৮ ডিচেম্বৰ ঃ** বৰভাগ আঞ্চলিক ক্ৰীড়া সংঘৰ উদ্যোগত চলি থকা চতুৰ্থ বাৰ্ষিক প্ৰাইজমানি প্ৰয়াত অমীয়া প্ৰীয়া হুজুৰী, দিলজান বেগম, আৰু উত্তম ডেকা সোঁৱৰণী ফুটবল প্ৰতিযোগিতাখনৰ চূড়ান্ত খেলখন ১৩ ডিচেম্বৰত দোকোহা হাইস্কুল খেলপথাৰত অনুষ্ঠিত কৰা হৈছে। বিয়লি ২ বজাত হ'বলগীয়া ফুটবল প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব ৬০ নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকাই। বিয়লি ৪ বজাত বঁটা বিতৰণী সভাত সভাপতিত্ব কৰিব বিশিষ্ট সমাজকৰ্মী তথা সন্থাৰ স্থায়ী সভাপতি মহঃ মুকুল আলীয়ে। উক্ত সভাত বিভিন্নজন বিশিষ্ট ব্যাক্তিক আমন্ত্ৰণ জনোৱা হৈছে।

## অসম ভলীবল মিছন-১০০ৰ উদ্যোগত অসমত ভলীবলৰ জাগৰণ

**নলবাৰী, ৮ ডিচেম্বৰ ঃ** বিগত এবছৰৰ পৰা অসমত ভলীবলৰ এক জাগৰণ আনিবলৈ সক্ষম হৈছে অসম ভলীবল মিছন-১০০ এ। অসমত প্ৰায় ৬০ নতুন কেন্দ্ৰ গঠন কৰি ২২০০ তকৈও অধিক খেলুৱৈয়ে এতিয়া ভলীবলৰ আখৰা কৰি থকাটো অসমৰ ভলীবলৰ বাবেই এক শুভ লক্ষণ বুলি চিহ্নিত হৈছে। ভলীবলৰ প্ৰসাৰ, প্ৰতিষ্ঠা আৰু সুদৃঢ় ভেটি নিৰ্মাণ কৰিবলৈ বৰ্তমান অহোপুৰুষাৰ্থ প্ৰচেষ্টা অব্যাহত ৰাখিছে মিছন-১০০এ। এওঁলোকৰ উদ্দেশ্যই হৈছে দেশৰ ভিতৰতে অধিক ভলীবল খেলা ৰাজ্য হিচাপে অসমক গঢ়ি তুলি ভাৰতীয় ভলীবল জগতৰ মানচিত্ৰত অসমক প্ৰতিষ্ঠা কৰা। ইয়াৰ বাবে দিন-ৰাতি একাকাৰ কৰি দিছে মিছন-১০০ ৰ মুখ্য উদ্যোক্তা ভাৰতীয় ভলীবল দলৰ প্ৰাক্তন অধিনায়ক, অসম গৌৰৱ অভিজিৎ ভটাচাৰ্য্যই। ইয়াৰ লগে লগে মিছন-১০০ ৰ সভাপতি স্বাক্ষৰ সৌৰভ তালুকদাৰ, সম্পাদক সঞ্জীৱ শৰ্মা, কোষাধক্ষ্য জয়ন্ত শৰ্মাকে আদি কৰি প্ৰাক্তন ৰাজ্যিক, ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ ভলীবল খেলুৱৈ, ক্ৰীড়া সংগঠক, প্ৰশিক্ষক, খেল পৰিচালক তথা ৰাইজে শাৰীৰিক, মানসিক, আৰ্থিক ভাৱে সহায়ৰ হাত আগবঢ়াই অনুষ্ঠানটোক সহায়ৰ হাত আগবঢ়াই আহিছে। কেন্দ্ৰ সমূহত খেলৰ সামগ্ৰী, খেলুৱৈৰ সাজ-পোছাক বিতৰণ কৰাৰ উপৰিও কেন্দ্ৰ সমূহৰ পৰিচালক সকলক প্ৰশিক্ষণ দিয়াৰ বাবে ভাৰতীয় ভলীবল দলৰ প্ৰাক্তন প্ৰশিক্ষক চন্দ্ৰ সিংঙৰ দ্বাৰা প্ৰশিক্ষণৰো ব্যৱস্থা কৰা হৈছিল। ইয়াৰ পিছত কেন্দ্ৰ সমূহৰ মাজত আণ্ডাৰহেণ্ড ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত কৰি ভাৰত বৰ্ষৰ ভলীবল জগততে প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰতিযোগিতা খনৰ অভূতপূৰ্ব সফলতাৰ পিছত অহা ১২ ডিচেম্বৰৰ পৰা ব্ৰহ্মপুত্ৰ ভলীবল লীগৰ শুভাৰম্ভ কৰা হ'ব নলবাৰীৰ বৰবৰী ভলীবল ক'চি চেণ্টাৰৰ সহযোগত ৰাতিপুৱা ৯ বজাৰ পৰা বৰবৰী হাইস্কুল খেলপথাৰত। ইতিমধ্যে লীগ খনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। অসমৰ ১৬ খন জিলাৰ পৰা ৩২ টা ল'ৰা আৰু ১৭ টা ছোৱালীৰ দলে উক্ত প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব। খেলসমূহ প্ৰতি ৰবিবাৰে হোম আৰু ওৱে ফৰমেটত অনুষ্ঠিত কৰা হ'ব। প্ৰতিটো দলত ৮ জনকৈ খেলুৱৈ থাকিব। ইয়াৰে ৪ জনেহে খেলপথাৰত অংশ গ্ৰহণ কৰিব, বাকী কেইজন অতিৰিক্ত খেলুৱৈ হিচাপে দলত থাকিব। প্ৰায় তিনিমাহ ধৰি চলিবলগীয়া প্ৰতিযোগিতা খনত ১৪৪ খেল অনুষ্ঠিত হ'ব। আটাইবোৰ দলকে উৎসাহিত কৰাৰ বাবে স্পনচৰশ্বীপ লবলৈ আগবাঢ়ি আহিছে প্ৰাক্তন ৰাষ্ট্ৰীয়, আন্তঃ ৰাষ্ট্ৰীয় বিভিন্ন ইভেণ্টৰ খেলুৱৈ সকল, ক্ৰীড়া সংগঠক, ক্ৰীড়া প্ৰেমী ৰাইজ। ল'ৰা-ছোৱালী উভয় শাখাৰ বাবে দুইলাখ টকা প্ৰাইজমানি ঘোষণা কৰা হৈছে। ১৬ বছৰৰ তলৰ খেলুৱৈ সকলে অংশ গ্ৰহণ কৰিবলগীয়া প্ৰতিযোগিতা খনত উন্নত প্ৰদৰ্শন ডাঙি ধৰাৰ উদ্দেশ্যে এতিয়া অসমৰ সৰ্বত্ৰতে অনুশীলন আৰম্ভ হৈ গৈছে। লীগ খনৰ বাবে অসমৰ লগতে বিভিন্ন ৰাজ্যৰ খেলুৱৈ সকলৰ মাজত উৎসুকটা বৃদ্ধি পাইছে।

### মুদৈ আমন্ত্ৰমূলক ফুটবলৰ সফল সামৰণি

## খাজিখোৱা ফুটবল ক্লাব চেম্পিয়ন



**ডিব্ৰুগড়, ৮ ডিচেম্বৰ ঃ** চাবুৱা ক্ৰীড়া সন্থাৰ অন্তৰ্গত মুদৈগাঁও সন্ধানী স্পৰ্টৰ্ছ ক্লাবৰ উদ্যোগত বগাডুং উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত যোৱা ২২ নৱেম্বৰৰ পৰা চলি থকা ২৪ সংখ্যক আমন্ত্ৰণমূলক প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ ৬ ডিচেম্বৰৰ দিনা সফল সামৰণি পৰে। বহু সংখ্যক দৰ্শকে উপভোগ কৰা তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক ফাইনেল খেলখনত খাজিখোৱা এফ চি দলে বিন্ধাকটা ফুটবল ক্লাবক ট্ৰাইবেকাৰত ৪-২ গলৰ ব্যৱধানত পৰাস্ত কৰি চেম্পিয়ন হোৱা গৌৰৱ অৰ্জন কৰে। নিৰ্ধাৰিত সময়ত গল শূন্য ভাৱে সমাপ্ত হোৱা খেলখনত ট্ৰাইবেকাৰত খাজিখোৱা দলৰ হৈ অনিল ছবৰ, ধীৰাজ বালা, দীপক দুৱৰা আৰু জিৰমিয়া লগনে গল কৰাৰ বিপৰীতে বিষ্ণুজ্যোতিৰ হৈ কাৰেণ্ট ওৰাং আৰু নছিব বুহমেজেহে গল কৰিবলৈ সক্ষম হয়। দলৰ পূৰণ ওৰাং আৰু কিৰণ সোণোৱালে গল কৰাত ব্যৰ্থ হয়। খেলখন পৰিচালনা কৰে সন্তোষ গোহাঁয়ে। তেওঁক লাইৱত সহায় কৰে ক্ৰমে ৰাজীৱ সিং আৰু কুলেন বৰাই। চতুৰ্থ হংসৰাজ ফুকন। উক্ত দিনা খেল আৰম্ভণিৰ পূৰ্বে সন্ধানী স্পৰ্টৰ্ছ ক্লাবৰ সভাপতি গোপীনাথ গোহাঁয়ে আঁত ধৰা অনুষ্ঠানত চাবুৱা ক্ৰীড়া সন্থাৰ উপ সভাপতি, ডিব্ৰুগড় জিলা কাৰাটে ডো সন্থাৰ সভাপতি তথা ৰাজ্যিক ক্ৰীড়া ৰত্ন বঁটা প্ৰাপক, ক্ৰীড়া সংগঠক ধৰ্মেন্দ্ৰ দুৱৰাই চূড়ান্ত খেলখন উদ্বোধন কৰে। উদ্বোধকগৰাকীৰ লগতে চাবুৱা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক বীৰাজ চেতিয়া,ট্ৰফী আৰু প্ৰাইজমানিৰ দাতা দ্বীপাঞ্জলি বৰুৱা, মনোজ মাঝি, খৰুৱাজান প্ৰাথমিক বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক অম্বেশ্বৰ গগৈ, সমাজসেৱক প্ৰবীন বৰুৱা, খাৰজান চাহ বাগিচাৰ পৰিচালক চাবিক আহমেদ, বিন্ধাকটা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নিলোৎপল চেতিয়া আৰু মেচ কমিচনাৰ অৰুণ বৰুৱাক আয়োজন কমিটিৰ তৰফৰ পৰা আদৰণি জনোৱাৰ লগতে খেলুৱৈ আৰু পৰিচালকসকলৰ লগত পৰিচয় কৰি দিয়া হয়। খেলৰ অন্তত অনুষ্ঠিত বঁটা বিতৰণি অনুষ্ঠানত উপৰিউক্ত বিশিষ্ট ব্যক্তিসকলে বঁটাসমূহ প্ৰদান কৰে। প্ৰতিযোগিতাৰ চেম্পিয়ন দলক ট্ৰফীসহ দীপাঞ্জলি বৰুৱাই তেওঁৰ প্ৰয়াত স্বামী কুশল বৰুৱাৰ সোঁৱৰণিত দিয়া নগদ পাঁচহাজাৰ টকাৰ প্ৰাইজমানি প্ৰদান কৰাৰ বিপৰীতে ৰাণাৰ্ছ আপ দলটোক মনোজ মাঝিৰ তেওঁৰ প্ৰয়াত পিতৃ ৰামদাস মাঝিৰ সোঁৱৰণত দান কৰা তিনি হাজাৰ টকাৰ প্ৰাইজমানি আৰু ট্ৰফী প্ৰদান কৰে। আনহাতে বিষ্ণুজ্যোতি সংঘৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰা পল্লৱ সোণোৱালক নিৰ্মল নন্দই আগবঢ়োৱা প্ৰয়াত পিতৃ জয়শ্বৰ নন্দ সোঁৱৰণি ট্ৰফী, শ্ৰেষ্ঠ গলৰক্ষকৰ সন্মান লাভ কৰা খাজিখোৱা এফ চিৰ নুপুৰ দত্তক জীৱন মুদৈয়ে দান কৰা তেওঁৰ প্ৰয়াত পুত্ৰ বিকাশ মুদৈ সোঁৱৰণি ট্ৰফী আৰু প্ৰতিযেগিতাখনৰ শ্ৰেষ্ঠ গল দাতাৰ সন্মান লাভ কৰে বিষ্ণুজ্যোতি এফ চি দলৰ বিশ্বজিৎ গগৈয়ে। প্ৰতিযোগিতাখনৰ শ্ৰেষ্ঠ শৃংখলাবদ্ধ দলৰ সন্মান লাভ কৰা বিষ্ণুজ্যোতি এফ চি দলক বিনন্দ গগৈয়ে তেওঁৰ পিতৃ নীলকান্ত গগৈৰ সোঁৱৰণত আগবঢ়োৱা ট্ৰফী প্ৰদান কৰা হয়।

## দুলীয়াজানত অইল আন্তঃ একাডেমী ফুটবলৰ আয়োজন

**ডিব্ৰুগড়, ৮ ডিচেম্বৰ ঃ** তৈলনগৰী দুলীয়াজানৰ ফুটবলৰ উত্তৰণৰ অহৰহ প্ৰচেষ্টা চলোৱা অন্যতম ক্ৰীড়া অনুষ্ঠান দুলীয়াজান ফুটবল একাডেমীয়ে অহা ১৯ ডিচেম্বৰৰ পৰা ২৭ ডিচেম্বৰলৈ দুলীয়াজান নেহৰু মৈদাম খেলপথাৰত চতুৰ্থ অইল ডি এফ এ আমন্ত্ৰণমূলক আন্তঃ একাডেমী ফুটবল প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাখনত মুঠ বাৰটা দলে অংশগ্ৰহণ কৰিব। দলকেইটা হ'ল ক্ৰমে — নাহৰকটীয়া ফুটবল একাডেমী, টি স্পৰ্টৰ্ছ একাডেমী, ৰজা আলি, শ্ৰীপুৰীয়া ফুটবল একাডেমী, তিনিচুকীয়া, দুলীয়াজান ফুটবল কোচিং চেণ্টাৰ, জয়পুৰ চ'কাৰ চেণ্টাৰ, চিচিডি এফ চি, ডিব্ৰুগড়, বাৰেকুৰী ফুটবল একাডেমী, নামৰূপ টাউন ক্লাব ফুটবল একাডেমী, কাকপথাৰ ফুটবল একাডেমী, জয়পুৰৰ তৰুণ সংঘ, যদুশ্যাম ফুটবল কোচিং চেণ্টাৰ, ডিব্ৰুগড়, দুলীয়াজান ফুটবল একাডেমী আৰু দ্য ৰিয়েল বহুমুখী সংঘ। দুলীয়াজান ফুটবল একাডেমীৰ সম্পাদক জিতু ছেত্ৰীয়ে জনোৱা মতে প্ৰতিযোগিতাৰ উদ্বোধনী খেলখন ১৯ ডিচেম্বৰত জয়পুৰৰ তৰুণ সংঘই শ্ৰীপুৰীয়াৰ বিৰুদ্ধে খেলিব। দিনৰ এক বজাৰ পৰা আৰম্ভ হ'বলগীয়া খেলসমূহ উপভোগ কৰিবলৈ স্থানীয় ক্ৰীড়াপ্ৰেমী ৰাইজক অনুৰোধ জনাইছে আয়োজক সন্থাই।



*অষ্ট্ৰেলিয়াত চলি থকা ভাৰত 'এ' আৰু অষ্ট্ৰেলিয়া 'এ' দলৰ মাজৰ প্ৰস্তুতি খেলত ভাৰতীয় বলাৰ কাৰ্তিক ত্যাগৰ বাউন্সাৰত আঘাপ্ৰাপ্ত অষ্ট্ৰেলিয়ান খেলুৱৈ পোকভস্কি*

## 'ডিৰাক ৰিজ'নেল কাপ-২০২০ কচুডুপ বজালতলী এফ চি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিবেদক, ডিৰাক সীমান্ত, ৮ ডিচেম্বৰ ঃ** অসম-অৰুণাচল সীমান্তৱৰ্তী তিনিচুকীয়া জিলাৰ কাকপথাৰ ১ নং সৰুডিৰাক ৰাজহুৱা খেলপথাৰত ডিৰাক আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত স্বৰ্গীয় মুকুটা দহোটীয়া সোঁৱৰণী 'ডিৰাক ৰিজ'নেল কাপ-২০২০' ফুটবল প্ৰতিযোগিতাখনি অনুষ্ঠিত হৈ আছে। আজি 'ডিৰাক ৰিজ'নেল কাপ-২০২০'ৰ খেল ডিৰাক পাৱৈ এফ চি আৰু কচুডুপ বজালতলি এফ চি মাজত অনুষ্ঠিত হয়। কচুডুপ বজালতলি এফ চি দলে ডিৰাক পাৱৈ এফ চি দলক ২-০ গ'লত পৰাজিত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। কচুডুপ বজালতলি এফ চি দলৰ হৈ খেলৰ প্ৰথমাৰ্ধৰ ৩০ মিনিটত পলাশজ্যোতি মৰাণে আৰু দ্বিতীয়াৰ্ধৰ ৫ মিনিটত সুৰেল ঘাটোৱাৰে একোটাকৈ গ'ল দি দলক বিজয়ী সাব্যস্ত কৰে। খেল পৰিচালনা কৰে পাপু হাজৰিকাই, লাইনত সহায় কৰে টিক্কেশ্বৰ চেতিয়া, বিপুল হাজৰিকা আৰু চতুৰ্থত সহায় কৰে প্ৰণৱ ফুকনে। বুধবাৰে খেল ডিৰাক আঞ্চলিক এফ চি আৰু পিৰাইএফচৰ মাজত অনুষ্ঠিত হ'ব।

## তিনি বিশিষ্ট ক্ৰীড়া সংগঠকে ৰাষ্ট্ৰীয় পৰ্যায়ত গুৰুত্বপূৰ্ণ পদবীত অধিষ্ঠিত হৈ আশাৰ বাৰ্তা কঢ়িয়াইছে অসমৰ ক্ৰীড়া ক্ষেত্ৰলৈ

**দীপক কুমাৰ দাস ঃ** অসমৰ বিশিষ্ট তিনি ক্ৰীড়া সংগঠক ক্ৰমে লক্ষ্য কোঁৱৰ, অমল নাৰায়ন পাটোৱাৰী আৰু সুশান্ত বিশ্ব শৰ্মাই ইতিমধ্যে অসমৰ ক্ৰীড়াৰ ক্ষেত্ৰত এক উল্লেখযোগ্য বৰঙনি আগবঢ়াই আহিছে। লক্ষ্য কোঁৱৰ অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক হোৱাৰ উপৰিও অসম এথলেটিকছ সন্থাৰ সভাপতিৰ পদ অলংকৃত কৰি আছে। দুয়োটা গুৰুত্বপূৰ্ণ পদতে অধিষ্ঠিত হৈ অসমৰ ক্ৰীড়াক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত তেওঁ মুখ্য ভূমিকা পালন কৰি থকাৰ সুবাদতে ভাৰতীয় এথলেটিকছ সন্থাৰ উপ সভাপতিৰ দৰে অতি গুৰুত্বপূৰ্ণ পদ পাবলৈ সক্ষম হৈছে। অমল নাৰায়ন পাটোৱাৰীয়ে অসম হেণ্ডবল সন্থাৰ সভাপতি হৈ অসমৰ হেণ্ডবলক অতি আগ্ৰহেৰে আগবঢ়াই লৈ যাবলৈ সক্ষম হৈছে। অসমৰ হেণ্ডবলত তেওঁৰ শ্ৰম অনস্বীকাৰ্য্য। যাৰ বাবে ভাৰতীয় হেণ্ডবল সন্থাৰ উপ সভাপতি হিচাপে নিৰ্বাচিত হবলৈ সক্ষম হৈছে। আনহাতে অসম ভলীবল সন্থাৰ সভাপতি সুশান্ত বিশ্ব শৰ্মাই কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰাই অসমৰ ভলীবলক এক নতুন মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হৈছে। জনপ্ৰিয় খেলবিধক আৰু অধিক জনপ্ৰিয় কৰাৰ স্বাৰ্থত তেওঁ অহোপুৰুষাৰ্থ প্ৰচেষ্টা অব্যাহত ৰাখিছে। ইয়াৰ বাবেই তেওঁ ভাৰতীয় ভলীবল সন্থাৰ উপ সভাপতিৰ দৰে গুৰুত্বপূৰ্ণ পদবী দখল কৰিবলৈ সক্ষম হৈছে। তিনিও গৰাকী বিশিষ্ট ক্ৰীড়া সংগঠকক অসমৰ ক্ৰীড়া সমাজে অভিনন্দন জনাইছে, শুভকামনা জনাইছে। অসমৰ পৰা গৈ ৰাষ্ট্ৰীয় পৰ্য্যায়ত এনেধৰণৰ দায়িত্বপূৰ্ণ পদবীৰ আসন অলংকৃত কৰি অসমৰ ক্ৰীড়া জগতক গৌৰান্বিত কৰি তুলিছে। তেওঁলোকৰ গৌৰৱত গোটেই অসমৰ ক্ৰীড়া সমাজ আজি গৌৰৱত উথলি উঠিছে। এওঁলোকৰ জড়িয়তে অসমৰ ক্ৰীড়াক্ষেত্ৰ নিশ্চিতভাৱে আৰু অধিক গতিশীল হ'ব বুলি আশা কৰিব পাৰি। অসমৰ পৰা যেতিয়া ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাৰ বাবে দল সমূহ পঠোৱা হয় তাত বিভিন্ন সমস্যাই দেখা দিয়ে। ভুক্তভোগী সকলে সেই কথা ভালদৰেই জানে। সেই সমস্যা সমূহ দূৰ কৰাৰ বাবে অসম দলৰ হৈ মাত মাতিবৰ বাবে সেই সময়ত কোনো নাথাকে বা কাৰো পৰাই সহায় পোৱা নাযায়। যাৰ ফলত কিছু ভুল সিদ্ধান্তৰো বলি হ'বলগীয়া হৈছে অসম দল। এইবাৰ অন্তত এথলেটিকছ, হেণ্ডবল আৰু ভলীবলৰ ক্ষেত্ৰত তেনে সমস্যা নাথাকিব। কিয়নো তিনিওজন বিশেষ ব্যাক্তিয়ে অসমক প্ৰতিনিধিত্ব কৰি আমালৈ সাহস আৰু প্ৰেৰণা কঢ়িয়াই আনিছে। এতিয়া অৰ্হতা সম্পন্ন প্ৰশিক্ষকৰ জড়িয়তে বিজ্ঞান সন্মত দীৰ্ঘকালীন প্ৰশিক্ষণৰ বাবে সূদূৰ প্ৰসাৰী আঁচনি প্ৰস্তুত কৰি অসম দলেও যাতে ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত ভাল ফলাফল ডাঙি ধৰিব পাৰে তাৰেই অনুশীলনত ব্ৰতী হ'ব লাগে। তেতিয়াহে ভাৰতীয় ক্ৰীড়াৰ মানচিত্ৰত অসমৰ ক্ৰীড়াই সন্মান সহকাৰে জীয়াই থাকিব। অন্যথা সকলো থাকিও একো নোহোৱাৰ দৰেই হ'ব অসমৰ ক্ৰীড়া ক্ষেত্ৰ।









# অৱসৰপ্ৰাপ্ত ন্যায়াধীশ নাৰায়ণ চন্দ্ৰ বৰুৱাৰ দেহাৱসান

## অধিবক্তা সন্থাৰ শোক প্ৰকাশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ৮ ডিচেম্বৰ ঃ** বঙাইগাঁৱৰ বিশিষ্ট আইনবিদ তথা অবিভক্ত গোৱালপাৰা জিলাৰ শেষগৰাকী অৱসৰপ্ৰাপ্ত জিলা সত্ৰ ন্যায়াধীশ নাৰায়ণ চন্দ্ৰ বৰুৱাৰ আজি পুৱা ১১.৩০ বজাত বঙাইগাঁৱৰ স্বাগত হাস্পতাল এণ্ড ৰিচাৰ্চ চেণ্টাৰত বাৰ্ধক্যজনিত কাৰণত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ ৯৩ বছৰ বয়স হৈছিল। উল্লেখ্য, বঙাইগাঁও জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালত গঠন হোৱাৰ পূৰ্বেই গোৱালপাৰা জিলা আৰু সত্ৰ ন্যায়াধীশ আদালতত থকাৰ সময়তে তেওঁ ১৯৮৭ চনত অৱসৰ গ্ৰহণ কৰে। পৰৱৰ্তী সময়ত কোকৰাঝাৰত অবৈধ বিদেশী চিনাক্তকৰণ ট্ৰিবুনেলৰ সদস্য হিচাপে কাম কৰি শেষত বঙাইগাঁও চহৰত নিগাজীকৈ থাকিবলৈ লয়। তেওঁ কিছু বছৰ বঙাইগাঁও জিলা আদালতত ওকালতি কৰি মৃত্যুৰ আগলৈকে আইনী পৰামৰ্শ দি জিলাখনৰ বিভিন্ন ব্যক্তি তথা অধিবক্তাসকলক সকাহ দিয়া এগৰাকী সপ্ৰতিভ ব্যক্তি হিচাপে সুপৰিচিত নাৰায়ণ চন্দ্ৰ বৰুৱাই যোৰহাটৰ বৰুকবৰুৱা গাঁৱত জন্মগ্ৰহণ কৰিছিল। ১৯৫৫ চনত বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা আইনৰ স্নাতক ডিগ্ৰী লাভ কৰি প্ৰথমে যোৰহাট বাৰত ওকালতি জীৱন আৰম্ভ কৰে। কেইবছৰমানৰ পাছতে তেওঁ মুখ্য ন্যায়াধীশ পাৰ্বতী কুমাৰ গোস্বামীৰ উদগনিত সহকাৰী জিলা আৰু সত্ৰ ন্যায়াধীশ হিচাপে চাকৰি জীৱন আৰম্ভ কৰিছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী, এগৰাকী পুত্ৰ তথা দুগৰাকী বোৱাৰী আৰু তিনিগৰাকী নাতিনীয়েকক ইহ সংসাৰত এৰি থৈ যায়। সদা হাস্যময়, নিৰীহ তথা নিকা ভাৱমূৰ্তিৰ নাৰায়ণ চন্দ্ৰ বৰুৱাৰ দেহাৱসানত বঙাইগাঁও অধিবক্তা সন্থাই গভীৰ শোক প্ৰকাশ কৰিছে। সন্থাৰ সভাপতি হৰেশ্বৰ দাসে নাৰায়ণ চন্দ্ৰ বৰুৱা অবিভক্ত গোৱালপাৰা জিলাৰ শেষৰজন জিলা আৰু সত্ৰ ন্যায়াধীশ আছিল বুলি কৈ অৱসৰপ্ৰাপ্ত বিশিষ্ট আইনবিদগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

**তিৱা স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন— প্ৰিজাইডিং, পোলিং বিষয়াৰ প্ৰশিক্ষণ আৰু আশা কৰ্মীৰে উপায়ুক্তৰ সভা**

# ১৭ ডিচেম্বৰত তিৱা স্বায়ত্তশাসিত পৰিষদত ৰাজহুৱা বন্ধৰ দিন ঘোষণা



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৮ ডিচেম্বৰ ঃ** ১৭ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া কামৰূপ মহানগৰ জিলাৰ অন্তৰ্গত তিৱা স্বায়ত্ত শাসিত পৰিষদৰ ৬টা সমষ্টিৰ নিৰ্বাচন প্ৰক্ৰিয়াৰ সৈতে নিয়োজিত হ'বলগীয়া প্ৰিজাইডিং, পোলিং বিষয়াসকলৰ প্ৰশিক্ষণ আজিৰে পৰা কটন কলেজিয়েট চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আৰম্ভ হৈছে। জিলাখনৰ অন্তৰ্গত তিৱা স্বায়ত্ত শাসিত পৰিষদৰ ৬টা সমষ্টিৰ সৰ্বমুঠ ১০০টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে নিয়োজিত ১৩২গৰাকী প্ৰিজাইডিং বিষয়া আৰু ১৩২গৰাকী প্ৰথম পোলিং বিষয়াক আজি প্ৰশিক্ষণ প্ৰদান কৰা হয়। কাইলৈ দ্বিতীয় আৰু তৃতীয় পোলিং বিষয়াৰ প্ৰশিক্ষণ অনুষ্ঠিত হ'ব। কামৰূপ মহানগৰ জিলাৰ জিলা উন্নয়ন আয়ুক্ত অতুল কুমাৰ শৰ্মা, অতিৰিক্ত উপায়ুক্তদ্বয় মুনীন্দ্ৰ বৰদলৈ আৰু পল্লৱী কছাৰী, সহকাৰী আয়ুক্তদ্বয় শ্ৰৱণা সোণোৱাল আৰু জিতুৰাজ গগৈৰ লগতে কেইবাগৰাকীও মাষ্টাৰ ট্ৰেইনাৰে প্ৰিজাইডিং আৰু পোলিং বিষয়াসকলক তিৱা স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বিধি-বিধান আৰু বিষয়াসকলে পালন কৰিবলগীয়া দায়িত্ব আৰু কৰ্তব্যৰ ওপৰত প্ৰশিক্ষণ দিয়ে। ১৪ ডিচেম্বৰৰ দিনা প্ৰিজাইডিং আৰু পোলিং বিষয়াসকলৰ চূড়ান্ত প্ৰশিক্ষণ অনুষ্ঠিত হ'ব। আনহাতে, কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজি অনুষ্ঠিত এক সভাত জিলা উপায়ুক্ত বিশ্বজিৎ পেগুৱে তিৱা স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনত নিয়োজিত হ'বলগীয়া স্বাস্থ্য বিভাগৰ আশা কৰ্মীসকলক নিৰ্বাচনৰ দিনা তেওঁলোকে পালন কৰিবলগীয়া দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে বিস্তৃতভাৱে অৱগত কৰে। উল্লেখ্য, ১৭ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া এই নিৰ্বাচনত প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰতে একোগৰাকীকৈ আশা কৰ্মী নিয়োগ কৰা হ'ব আৰু তেওঁলোকে নিৰ্বাচনৰ দিনা ভোটদান কৰিবলৈ অহা ভোটাৰসকলক থাৰ্মেল স্কেনাৰেৰে পৰীক্ষা কৰিব। ক'ভিড-১৯ৰ সংক্ৰমণ অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। জিলা উন্নয়ন আয়ুক্ত অতুল কুমাৰ শৰ্মাইয়ো সভাত আশা কৰ্মীসকলে নিৰ্বাচনৰ দিনা পালন কৰিবলগীয়া দায়িত্বৰ বিষয়ে অৱগত কৰে। কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত শৰ্মিষ্ঠা বৰা আৰু মুনীন্দ্ৰ বৰদলৈ, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ গণেশ শইকীয়াকে ধৰি জিলা প্ৰশাসনৰ কেইবাগৰাকী বিষয়া এই সভাত উপস্থিত থাকে।

**১৭ ডিচেম্বৰত তিৱা স্বায়ত্বশাসিত পৰিষদত ৰাজহুৱা বন্ধৰ দিন ঘোষণা**

তিৱা স্বায়ত্বশাসিত পৰিষদৰ ২০২০ বৰ্ষৰ পৰিষদীয় নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰে এন.আই. এক্টৰ অধীনত অহা ১৭ ডিচেম্বৰ ২০২০ তাৰিখে তিৱা স্বায়ত্বশাসিত পৰিষদৰ অন্তৰ্গত জিলাসমূহত ৰাজহুৱা বন্ধৰ দিন ঘোষণা কৰিছে। ভোট গ্ৰহণৰ সেই দিনটোত নিৰ্দিষ্ট অঞ্চলটোৰ সকলো চৰকাৰী/বেচৰকাৰী কাৰ্যালয়, পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহ, নগৰীয় স্থানীয় নিকায়, শিক্ষানুষ্ঠান আৰু বেংক, চাহ বাগিচা তথা উদ্যোগ ইত্যাদিকে ধৰি সকলো ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ থাকিব।

# জ্যেষ্ঠ শিক্ষয়িত্ৰী অনিমা ভট্টাচাৰ্যক বিদায় সম্বৰ্ধনা



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ৮ ডিচেম্বৰ ঃ** যোৰহাট আদৰ্শ সংযুক্ত বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী অনিমা ভট্টাচাৰ্যৰ কালি বিদ্যালয় প্ৰাংগণত বিদায়ী সম্বৰ্দ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানটি মীনা শইকীয়া আৰু নিৰু শইকীয়াৰ ঘোষা পাঠেৰে আৰম্ভ কৰা হয়। বিদ্যালয়ৰ অধ্যক্ষা পূৰবী বৰা শইকীয়াই পৰিচালনা কৰা অনুষ্ঠানটিত শিক্ষয়িত্ৰী অৰুন্ধতী দেৱীয়ে উদেশ্য ব্যাখ্যা কৰে। শিক্ষয়িত্ৰী সন্ধ্যাৰাণী বেজবৰুৱাই এটি গীত পৰিৱেশন কৰে। অনিমা ভট্টাচাৰ্যক বিদায় সম্বৰ্দ্ধনা আৰু তেওঁৰ একেযাৰৰ পিছতেই সমজুৱাৰ একাষাৰত শিক্ষয়িত্ৰী লাহৰীপ্ৰভা বৰা, বীণা হাজৰিকা, নিৰু শইকীয়া, অৰুন্ধতী দেৱী, সন্ধ্যাৰাণী বেজবৰুৱাই একাষাৰ কয়। এই অনুষ্ঠানতে বিদ্যালয়ৰ শিক্ষক স্বৰ্গীয় ৰিজাউল হুচেইনৰ স্মৃতিত তেওঁৰ পৰিবাৰৰ হাতত সম্বৰ্দ্ধনা পত্ৰ, শৰাই, আদি অৰ্পণ কৰা হয়। সম্বৰ্দ্ধনা পত্ৰ পাঠ কৰে শিক্ষয়িত্ৰী মাসুম আহমেদ আৰু তৃপ্তি কলিতাই। শেষত সভাৰ পৰিচালনাৰ দায়িত্বত থকা অধ্যক্ষা পূৰবী বৰা শইকীয়াই তেওঁৰ বক্তব্য আগবঢ়াই আৰু শলাগৰ শৰাই আগবঢ়ায় অৰুন্ধতী দেৱীয়ে।

# দেশে স্বাধীনতা লাভৰ ৭৩ বছৰৰ মূৰত গোগামুখৰ বামচেনিয়াত প্ৰথমখন পকী দলং

**আনন্দিত ৰাইজ ঃ দেউৰী স্বায়ত্তশাসিত পৰিষদৰ পূৰ্ণ সহযোগিতা**



**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ৮ ডিচেম্বৰ ঃ** হাজাৰ হাজাৰ ৰাইজৰ যাতায়াতৰ দুখ-দুৰ্দশাৰ অন্ত পেলাই অৱশেষত ধেমাজি জিলাৰ গোগামুখ ৰাজহ চক্ৰৰ মধ্য মিংমাং পঞ্চায়তৰ অন্তৰ্গত বামচেনিয়া গাঁৱত স্থাপন হ'ল পকী দলং। দেশে স্বাধীনতা লাভৰ ৭৩ বছৰ পিছত বামচেনিয়া গাঁওবাসীয়ে লাভ কৰিলে বহু আকাংক্ষিত পকী দলংখন। পাহাৰীয়া খৰস্ৰোতা নৈ বুঢ়ীসূঁতি নদীৰ ওপৰত বামচেনিয়াৰ দৰে বৃহৎ গাঁওখনৰ বাবে দলংখন সবাতোটকৈ বেছি প্ৰয়োজন আছিল যদিও এই দলংখনে সংযোগ কৰাৰ লগতে যাতায়াত দ্ৰুত কৰি তুলিব ধেমাজি জিলাৰ বাণিজ্যিক নগৰ গোগামুখৰ পৰা বামচেনিয়া হৈ ধেমাজি জিলাৰ অৰুণাচল প্ৰদেশ সীমান্তবৰ্তী বাণিজ্য কেন্দ্ৰ জয়ৰামপুৰ, নলবাৰী আৰু দুই শতাধিক গাঁৱক। অসম চৰকাৰৰ এছ অ' পি ডি-জি বিভাগৰ দ্বাৰা মুঠ ৪ কোটি ১৮ লাখ ১৮ হাজাৰ ৪৭৯ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিব লগা দলংখনৰ আধাৰশিলা আজি স্থাপন কৰে ধেমাজি বিধান সভা সমষ্টিৰ বিধায়ক ডাঃ ৰণোজ পেগুৱে। আধাৰশিলা স্থাপনৰ অন্তত বামচেনিয়া দেউৰী গাঁও ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা এক ৰাজহুৱা সভাত বিধায়ক ডাঃ পেগুৱে কয়- চৰকাৰে ৰাইজৰ লগত ঐক্যবদ্ধভাৱে উন্নয়ণমূলক কাম আগবঢ়াই নিয়াটো সদায় বিচাৰি আহিছে। সুদীৰ্ঘ বছৰৰ মূৰত বামচেনিয়াবাসীয়ে এখন পকী দলং লাভ কৰাটো চৰকাৰৰ সদিচ্ছা আৰু ৰাইজৰ সহযোগিতাৰ ফচল। আমাৰ চৰকাৰে গ্ৰামাঞ্চল আৰু নগৰাঞ্চল দুয়োটা অঞ্চলৰ সমান গতিত উন্নতি হোৱাটো বিচাৰে আৰু এইমতে আঁচনি সমূহ ৰূপায়ন কৰি গৈ আছে। আগন্তুক দিনত লখিমপুৰ আৰু ধেমাজিবাসীয়ে অধিক আনন্দৰ বতৰা লাভ কৰিব বুলি তেওঁ দোহাৰে। সভাত উপস্থিত থাকে বৰদলনি উন্নয়ন খণ্ডৰ আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী খেউমালি দৈমাৰী, মধ্য মিংমাং পঞ্চায়তৰ সভাপতি দীপক দেউৰী, দেউৰী স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাসী সদস্য ধৰ্মেন্দ্ৰ দেউৰী আদিয়ে। দলংখনৰ নিৰ্মাণৰ ক্ষেত্ৰত পূৰ্ণ সহযোগিতা আগবঢ়াব দেউৰী স্বায়ত্তশাসিত পৰিষদ আৰু বামচেনিয়া দেউৰী গাঁও যুৱক সংঘই। অনুষ্ঠানটো আঁত ধৰে যুৱ সমাজকৰ্মী বিজয় দেউৰীয়ে। ইয়াৰ পিছতে দেউৰী স্বায়ত্তশাসিত পৰিষদৰ তৰফৰ পৰা হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষত সু-খ্যাতিৰে উৰ্ত্তীণ ৪০গৰাকী ছাত্ৰ-ছাত্ৰী আৰু অভাৱগ্ৰস্ত ১৫০গৰাকী লোকক আৰ্থিক সাহায্য প্ৰদান কৰা হয়। অনুষ্ঠানত উপস্থিত থাকে যুৱ সমাজকৰ্মী মহেন্দ্ৰ বৰদেউৰী প্ৰমুখ্যে দুই শতাধিক লোক।

# চামগুৰিৰ বৰবস্তিত নৈৰ বোকাত আবদ্ধ হাতী পোৱালি উদ্ধাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, চামগুৰি, ৮ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ উদমাৰী উপ-খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত উদমাৰীৰ বৰবস্তিত আজি পুৱা বন বিভাগে এটা বনৰীয়া হাতী পুৱালি উদ্ধাৰ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, উদমাৰী বৰবস্তি অঞ্চলৰ মাজেৰে বৈ যোৱা নৈ নদীৰ বোকাত আজি পুৱা স্থানীয় লোকে এটা বনৰীয়া হাতী পোৱালি আৱদ্ধ হৈ থকা প্ৰত্যক্ষ কৰি বন বিভাগক খবৰ দিয়ে। পৰৱৰ্তী সময়ত উদমাৰী উপ-খণ্ড বন কাৰ্যালয়ৰ এটা বন কৰ্মী দল ঘটনাস্থলীত উপস্থিত হৈ হাতী বন্ধু বিনোদ দুলু বৰাৰ সহযোগত প্ৰায় এমহীয়া হাতী পোৱালিটো উদ্ধাৰ কৰিবলৈ সক্ষম হয়। হাতী বন্ধু আৰু বন বিভাগে উদ্ধাৰ কৰা হাতী পোৱালিটো বৰ্তমান কাজিৰঙাস্থিত চি ডব্লিউ আৰ চি লৈ চিকিৎসাৰ বাবে প্ৰেৰণ কৰিছে বুলি বন বিভাগৰ এক সুত্ৰই জানিবলৈ দিয়ে।

**মঙলদৈত আছুৰ কেন্দ্ৰীয় শ্বহীদ দিৱসৰ প্ৰস্তুতি**

# শ্বহীদ নিৰ্যাতিত পৰিয়ালক জনাব সম্বৰ্ধনা



**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ৮ ডিচেম্বৰ ঃ** অসম আন্দোলনত প্ৰাণআহুতি দিয়া ২১গৰাকী ছহিদক মঙলদৈৰ নৈৰ পাৰত একেলগে সমাধিষ্ট কৰা হৈছিল। পৰৱৰ্তী সময়ত আন্তঃমঙলদৈ ছাত্ৰ সন্থাই এই ছহিদসকলক স্মৰণ কৰি আহিছে যদিও এইবেলি সদৌ অসম ছাত্ৰ সন্থাই এই স্থানতেই কেন্দ্ৰীয়ভাৱে এই ছহিদ দিৱস উদ্‌যাপনৰ দিহা কৰিছে। সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু আন্তঃমঙলদৈ ছৈত্ৰ সন্থাৰ সহযোগত **১০** ডিচেম্বৰৰ দিনা অনুষ্ঠিত হ'ব এই কাৰ্যসূচী। ইতিমধ্যে দৰঙৰ প্ৰতিনিধি তথা সদৌ অসম ছাত্ৰ সন্থাৰ বিত্ত সম্পাদক খনিন্দ্ৰ ৰাজবংশী, দৰং জিলা ছাত্ৰ সন্থাৰ সভাপতি পৰাগ চহৰীয়া,সাধাৰণ সম্পাদক সত্যৰঞ্জন ডেকাৰই ছহিদ দিৱসৰ সকলো কাৰ্যসূচী সফল ৰূপায়ণৰ বাবে যুদ্ধকালীন গতিত তৎপৰতা অব্যাহত ৰাখিছে। কাৰ্যসূচী অনুসৰি সেইদিনা পুৱা ৯ বজাত আছুৰ পতাকা সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দিপাংক কুমাৰ নাথে উত্তোলন কৰাৰ পিছতেই ছহিদ তৰ্পণ কাৰ্যসূচী মুকলি কৰিব সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই। ইয়াৰ পিছতেই অনুষ্ঠিত হ'ব সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভা। দুপৰীয়া ১ বজাত অনুষ্ঠিত হ'বলগা মুকলি সভাত আছু নেতৃত্বৰ উপৰি বহুকেইগৰাকী জনগোষ্ঠীয় নেতাই ভাগ ল'ব বুলি জানিব পৰা গৈছে। এই সভাতেই ছহিদ পৰিয়াল সকলকো সম্বৰ্দ্ধনা জ্ঞাপন কৰা হ'ব। সদৌ অসম ছাত্ৰ সন্থাৰ এই কেন্দ্ৰীয় ছহিদ দিৱসৰ কাৰ্যসূচীক লৈ ইতিমধ্যে মঙলদৈৰ চহৰত ছাত্ৰকৰ্মীসকলে দেৱাল লিখন আদি কাম অব্যাহত ৰখাৰ লগতে ছহিদ উদ্যোনতো তীব্ৰ গতিত প্ৰস্তুতি চলা পৰিলক্ষিত হৈছে। ইপিনে সমবেত গীত পৰিবেশনৰ বাবে প্ৰায় শতাধিক যুৱতী-মহিলায়ো আখৰা কৰি থকা পৰিলক্ষিত হৈছে। কাৰ্যসূচীত ৰাইজৰ উপস্থিতি কামনা কৰিছে আছুৰ কেন্দ্ৰীয় বিত্ত সম্পাদক খনিন্দ্ৰ ৰাজবংশী, কাৰ্যনিৰ্বাহক সদস্য নিৰঞ্জন শইকীয়া আৰু জিলা ছাত্ৰ সন্থাৰ সভাপতি পৰাগ চহৰীয়া আৰু সাধাৰণ সম্পাদক সত্যৰঞ্জন ডেকাই।

## স্মৃতিগ্ৰন্থৰ বাবে লেখা আহ্বান

বিগত বৰ্ষৰ দৰে এইবাৰো আলোকপ্ৰভঞ্জন ৰেলফেয়াৰ ছ'চাইটীৰ সৌজন্যত **দৈনন্দিন বাৰ্তা** গোষ্ঠীয়ে আয়োজন কৰিছে **Assam Rising-2020** শীৰ্ষক বঁটা প্ৰদান আৰু সম্বৰ্ধনা অনুষ্ঠানৰ। এই উপলক্ষে প্ৰকাশ পাব এখন স্মৃতিগ্ৰন্থ। আগ্ৰহী লেখক-সাংবাদিকে উক্ত স্মৃতিগ্ৰন্থলৈ লেখা প্ৰেৰণ কৰিব পাৰিব **৩১ ডিচেম্বৰ, ২০২০** তাৰিখৰ পূৰ্বে। লেখাৰ বিষয়বস্তু প্ৰাধান্য দিয়া হ'ব— **আত্মনিৰ্ভৰ ভাৰত- আত্মনিৰ্ভৰ অসম, জাতীয় অৰ্থনীতিৰ নিৰ্মাণ, ক'ভিডকালীন সংবাদ মাধ্যমৰ প্ৰত্যাহ্বান আৰু ভৱিষ্যতৰ নতুন দিশ** ইত্যাদি বিষয়ত।

তলৰ ই-মেইলত লেখাসমূহ প্ৰেৰণ কৰিবলৈ অনুৰোধ জনোৱা হ'ল —

**ই-মেইল ঃ araward2021@gmail.com**




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি